RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

অসম ভূমি

জাতীয় স্বার্থত দায়বদ্ধ

ভিতৰৰ পৃষ্ঠাত

বন্ধুত্ব	পৃষ্ঠা ৪
আত্মনির্ভৰশীলতা...	পৃষ্ঠা ৫
শংকৰদেৱৰ মানৱতাবাদী...	পৃষ্ঠা ৭
অংকীয়া নাট ভাওনাত...	পৃষ্ঠা ৮

■ Vol:14 ■ Issue: 8 ■ Guwahati ■ Wednesday ■ 23 September, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৮ ■ গুৱাহাটী ■ বুধবাৰ ■ ৫ আহিন, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা



এক জীৱন্ত সাংস্কৃতিক ঐতিহ্যৰ প্রাসংগিকতা

একবিংশ শতিকাত শ্রীমন্ত শংকৰদেৱ

■ ড° তৃষ্ণা মণি কলিতা

সহকাৰী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অনলাইন শিক্ষাকেন্দ্র ১৪৪৯ চনত অসমভূমিত জন্মগ্রহণ কৰা শ্রীমন্ত শংকৰদেৱ হৈছে এগৰাকী ধর্মগুৰু আৰু অসমীয়া জাতীয় জীৱনৰ এক গভীৰ সাংস্কৃতিক চেতনাৰ নির্মাতা। সাহিত্য, সংগীত, নাট্য, নৃত্য, চিত্রকলা, ধর্ম-দর্শন আৰু সামাজিক জীৱন-জীৱনৰ ইমানবোৰ ক্ষেত্রক একে সাংস্কৃতিক সূতাৰে বান্ধি ৰখাৰ ক্ষেত্রত তেওঁৰ যি অসাধাৰণ প্রয়াস, ভাৰতীয় সাংস্কৃতিক ইতিহাসত তাৰ এক স্বকীয় স্থান আছে। তেওঁৰ সৃষ্টিশীলতাই ধর্মক কেৱল উপাসনাৰ মাজত সীমাবদ্ধ নাৰাখি সাহিত্য আৰু কলাৰ মাজেৰে মানুহৰ দৈনন্দিন জীৱনৰ সৈতে সংযোগ স্থাপন কৰিছিল। সেইবাবেই শংকৰদেৱক স্মৰণ কৰা মানে অতীতৰ এজন মহাপুৰুষক স্মৰণ কৰাৰ লগতে নিজৰ ভাষা, সংস্কৃতি, সমাজ আৰু মানৱীয় মূল্যবোধৰ শিপাডালক পুনৰ উপলব্ধি কৰা। ■ দুই পৃষ্ঠাত

সোণাপুৰৰ 'বিজ্ঞান নগৰী' উন্নীতকৰণৰ বাবে ইছৰোৰ সহযোগিতা আহ্বান মুখ্যমন্ত্রীৰ

অসমৰ মহাকাশ প্রযুক্তিৰ ক্ষেত্রত এক নতুন অধ্যায়ৰ সূচনা

চন্দ্রপুৰত ইছৰোৰ 'ইষ্ট্রেক উন্নত ৰাডাৰ গৱেষণা কেন্দ্র'ৰ ভূমি পূজন



ষ্টাফ ৰিপৰ্টাৰ ঃ অসমৰ মহাকাশ প্রযুক্তিৰ ক্ষেত্রত এক নতুন অধ্যায়ৰ সূচনা কৰি যোৱা সোমবাৰে কামৰূপ (মহানগৰ) জিলাৰ চন্দ্রপুৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ 'ইছৰো টেলিমেট্রী, ট্রেকিং এণ্ড কমাণ্ড নেটৱর্ক'ৰ অধীনত স্থাপন কৰিবলৈ লোৱা 'ইষ্ট্রেক উন্নত ৰাডাৰ গৱেষণা কেন্দ্র' (আই এ আৰ আৰ এফ)ৰ ভূমি পূজন আৰু শিলান্যাস কৰা হয়। উল্লেখ্য যে মহাকাশত থকা বস্তুবোৰৰ নিৰীক্ষণ আৰু অনুসৰণ কৰাৰ ক্ষেত্রত ভাৰতৰ সামর্থ্য অধিক শক্তিশালী কৰিবলৈ ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ পদক্ষেপ 'প্রজেক্ট নেত্র'ৰ অংশ হিচাপে এই কেন্দ্রটো নির্মাণ কৰিবলৈ লোৱা হৈছে। পৃথিৱীৰ কক্ষপথত উপগ্রহ আৰু ■ ১১ পৃষ্ঠাত

চাপৰত ৪৮,০০০ কোটি টকীয়া ৩,২০০ মেগাৰাটৰ তাপবিদ্যুৎ প্রকল্পৰ শিলান্যাস

বিকাশৰ নতুন বুৰঞ্জী আমি অসমত নির্মাণ কৰিব লাগিব ঃ মুখ্যমন্ত্রী



ষ্টাফ ৰিপৰ্টাৰ ঃ অসমৰ শক্তি খণ্ডত এক নতুন অধ্যায়ৰ সূচনা কৰি মুখ্য মন্ত্রী ড° হিমন্তবিশ্ব শর্মাই যোৱা দেওবাৰে ধুবুৰী জিলাৰ চাপৰত আদানি পাৱাৰ লিমিটেডৰ ৩,২০০ মেগাৰাট ক্ষমতাসম্পন্ন এক 'আল্ট্রা-ছুপাৰ ক্রিটিকেল তাপবিদ্যুৎ প্রকল্প'ৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে প্রায় ৪৮,০০০ কোটি টকা ব্যয়সাপেক্ষ এই প্রকল্পটোৱে অসমৰ বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ লগতে নির্মাণকার্যৰ সময়ত ২৫,০০০ লোকৰ সংস্থাপন আৰু সম্পূর্ণৰূপে কার্যক্ষম হ'লে প্রায় ৫,০০০ স্থায়ী চাকৰিৰ সুযোগ ■ ১১ পৃষ্ঠাত

আমিনগাঁৰত এম এল চি পি-ক্রীড়া আন্তঃগাঁথনি পৰিদর্শন ড° শর্মাৰ

ষ্টাফ ৰিপৰ্টাৰ ঃ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই যোৱা সোমবাৰে পুৱা গুৱাহাটীৰ পার্শ্ববর্তী অঞ্চলৰ কেইবাটাও গুৰুত্বপূর্ণ স্বাস্থ্য আৰু ক্রীড়া আন্তঃগাঁথনি পৰিদর্শন কৰি সংশ্লিষ্ট কাম-কাজৰ বুজ লয়। মুখ্যমন্ত্রী ড° শর্মাই প্রথমে চাংসাৰিস্থিত অখিল ভাৰতীয় সেৱা, আন্তঃগাঁথনি আৰু বিভিন্ন আয়ুর্বিজ্ঞান প্রতিষ্ঠান (এইমছ), কাম-কাজৰ বুজ লয়। গুৱাহাটী পৰিদর্শন কৰে। তেওঁকেইবাগৰাকী চিকিৎসক, মুখ্যমন্ত্রীয়ে প্রতিষ্ঠানটোৰ চিকিৎসা বিষয়া আৰু চিকিৎসা ■ ১১ পৃষ্ঠাত

দৰঙৰ ব্রহ্মপুত্র কৃষি সমবায় সমিতি

৪০ বছৰে-খেতি বাতি কৰিও নাপালে ভূমি আৱণ্টন

অসম ভূমি সেৱা, ছিপাঝাৰ ঃ আশীৰ দশকৰ পৰাই শতাধিক খিলঞ্জীয়া লোকে খেতি-বাতি কৰি অহাৰ পিছতো দৰঙৰ ব্রহ্মপুত্র কৃষি সমবায় সমিতিয়ে আজিকোপতি ভূমি আৱণ্টন লাভ কৰিবলৈ সক্ষম নহ'ল। উল্লেখ্য যে জিলাখনৰ বিভিন্ন প্রান্তৰ শতাধিক খিলঞ্জীয়া কৃষকে অসম



আন্দোলনৰ পিছৰে পৰা মোৱামাৰী আৰু হেতৌ চাপৰিত সন্দেহযুক্ত বাংলাদেশীৰ আগ্রাসন ৰোধ কৰি সমবায় ভিত্তিত খেতি-বাতি কৰি আহিছে। মোৱামাৰীৰ চিৰসেউজী কৃষি সমবায় সমিতি আৰু ব্রহ্মপুত্র কৃষি সমবায় সমিতিয়ে আশীৰ দশকতে কৰা আবেদনৰ ভিত্তিত ১৯৮৭ চনৰ ২ মার্চত চিৰসেউজী কৃষি সমবায়ৰ নামত ১,৩১৬ বিঘা ■ দুই পৃষ্ঠাত

খিলঞ্জীয়াক কৃষিকর্মত বাধা সন্দেহজনক লোকৰ ঃ মুখ্যমন্ত্রীৰ হস্তক্ষেপ দাবী

দক্ষিণ কামৰূপৰ চৰত ভূ-মাফিয়াৰ সন্ত্রাস



অসম ভূমি সেৱা, ছয়গাঁও ঃ দক্ষিণ কামৰূপৰ ছমৰীয়া সমষ্টিৰ ৰৱভিঠা কছাৰীপাৰা চ'ৰত একাংশ সন্দেহযুক্ত লোকৰ দৌৰাত্মত অতিষ্ঠ হৈ পৰিছে খিলঞ্জীয়া লোকসকল। উল্লেখ্য যে অঞ্চলটোত বছৰ বছৰ ধৰি নিজৰ পট্টাৰ মাটিত খিলঞ্জীয়া লোকে খেতি কৰি আহিছিল যদিও বিগত দুই-তিনি বছৰৰ পৰা একাংশ সন্দেহযুক্ত লোক আৰু ভূ-মাফিয়াৰ ভয় ভাবুকিত নিজৰ মাটিত খেতি কৰিবলৈ সাহস কৰিব পৰা নাই এইসকল খিলঞ্জীয়া লোকে। আনহাতে ৰৱভিঠা কছাৰীপাৰা অঞ্চলৰ খিলঞ্জীয়া হিন্দু সম্প্রদায় আৰু মুছলমান সম্প্রদায়ৰ লোকে মিলাপ্রীতিৰে বছৰ বছৰ ■ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

একবিংশ শতিকাত শ্ৰীমন্ত

মহাপুৰুষ জনাৰ সময়ৰ সমাজ আছিল নানা ধৰ্মীয় আচাৰ-অনুষ্ঠান, সামাজিক বিভাজন আৰু জটিল ধৰ্মীয় বিশ্বাসেৰে পৰিপূৰ্ণ। এই পৰিৱেশত তেওঁ ভক্তিক মানুহৰ বাবে সহজ আৰু সৰল পথ হিচাপে আগবঢ়াইছিল। তেওঁৰ ধৰ্ম-দৰ্শনৰ কেন্দ্ৰত আছিল একশৰণ নামধৰ্ম। ইয়াৰ মূল ভাব হৈছে এক ঈশ্বৰৰ প্ৰতি একান্ত শৰণাগতি, তেওঁৰ নাম-স্মৰণ আৰু ভক্তি। কিন্তু এই ভক্তিক কেৱল ব্যক্তিগত ধৰ্মীয় অনুভূতি হিচাপে গ্ৰহণ নকৰি শংকৰদেৱে ইয়াক সামাজিক আৰু নৈতিক জীৱনৰ সৈতেও সংযুক্ত কৰিছিল। একশৰণ নামধৰ্মৰ দাৰ্শনিক ভিত্তি শ্ৰীকৃষ্ণক পৰম পুৰুষ হিচাপে গ্ৰহণ কৰা, তেওঁৰ প্ৰতি একনিষ্ঠ ভক্তি, গুৰুৰ প্ৰতি শ্ৰদ্ধা, ভক্তসকলৰ সংগ আৰু নাম-কীৰ্তনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য কেৱল মুক্তি লাভৰ আধ্যাত্মিক আকাংক্ষা নহয়; মানুহৰ অন্তৰক অহংকাৰ, হিংসা, বিদ্বেষ আৰু অসৎ প্ৰৱণতাৰ পৰা মুক্ত কৰি এক নৈতিক জীৱনলৈ আগুৱাই নিয়াও ইয়াৰ গুৰুত্বপূৰ্ণ দিশ। সেই অৰ্থত শংকৰদেৱৰ ধৰ্ম-দৰ্শনত ভক্তি আৰু নৈতিকতা পৰস্পৰৰ পৰা বিচ্ছিন্ন নহয়। উল্লখ্য যে তেওঁৰ চিন্তাৰ এক উল্লেখযোগ্য দিশ হৈছে নামধৰ্মৰ সামূহিকতা। ঈশ্বৰৰ নাম একেলগে উচ্চাৰণ কৰা, কীৰ্তন কৰা আৰু ভক্তসকলৰ সৈতে মিলিত হোৱা —এই প্ৰক্ৰিয়াই ব্যক্তিক সমাজৰ পৰা বিচ্ছিন্ন নকৰি সমাজৰ সৈতে সংযুক্ত কৰে। নামঘৰ আৰু সত্ৰ এই চিন্তাৰ সামাজিক প্ৰতিষ্ঠানিক ৰূপ। এইক্ষেত্ৰত নামঘৰ কেৱল পূজা-অৰ্চনাৰ স্থান হিচাপেই নহয়; আলোচনা, সংগীত, কীৰ্তন, ভাওনা, সামাজিক সমাৱেশ আৰু সামূহিক সিদ্ধান্তৰো এক পৰিসৰ হিচাপে গঢ় লৈ উঠিছিল। অসমৰ সামাজিক জীৱনত নামঘৰৰ এই ভূমিকা আজিও বিভিন্ন ৰূপত বৰ্তি আছে। শংকৰদেৱৰ ধৰ্ম-দৰ্শনৰ গভীৰতা তেওঁৰ সাহিত্যত সৰ্বাধিক সুন্দৰভাৱে প্ৰকাশ পাইছে। কীৰ্তনঘোষা হৈছে ইয়াৰ অন্যতম শক্তিশালী উদাহৰণ। ভাগৱতৰ বিভিন্ন কাহিনী আৰু ভক্তিতত্ত্বক সহজ-সৰল অথচ গভীৰ কাব্যিক ভাষাৰে প্ৰকাশ কৰি তেওঁ সাধাৰণ মানুহৰ ওচৰত ধৰ্মীয় জ্ঞান বিতৰণ কৰাত সহায় কৰিছিল। তেওঁৰ বাবে সাহিত্য হৈছে সৌন্দৰ্যসৃষ্টিৰ মাধ্যম তথা জ্ঞান, ভক্তি আৰু নৈতিক চেতনা জগোৱাৰো মাধ্যম। সেই দিশৰ পৰা কীৰ্তনঘোষাৰ অন্তৰ্নিহিত দৰ্শন বুজিবলৈ হ'লে তেওঁৰ এই বিনয়সূচক উক্তিটো বিশেষ তাৎপর্যপূর্ণ—

"কৃষ্ণৰ কিঙ্কৰে শংকৰে ভণে।"

নিজকে কৃষ্ণৰ কিংকৰ বা সেৱক হিচাপে পৰিচয় দিয়াৰ মাজেৰে কবিৰ অহংকাৰশূন্য আত্মসমৰ্পণ প্ৰকাশ পাইছে। আজিৰ আত্মপ্ৰচাৰ আৰু ব্যক্তিকেন্দ্ৰিকতাৰ যুগত এই কথাষাৰৰ এক নতুন তাৎপর্য আছে। জ্ঞান বা প্ৰতিভাই মানুহক অহংকাৰী কৰাৰ পৰিৱৰ্তে যদি বিনয়ী আৰু দায়িত্বশীল কৰি তোলে, তেন্তে সেই জ্ঞানেই সমাজৰ বাবে অধিক মূল্যৱান হৈ পৰে-শংকৰদেৱৰ ভক্তি-দৰ্শনৰ পৰা এনে এক নৈতিক শিক্ষা গ্ৰহণ কৰিব পাৰি।

তেওঁৰ কীৰ্তনত ভক্তিৰ অৰ্থ কেৱল মুখেৰে ঈশ্বৰৰ নাম লোৱাত সীমাবদ্ধ নহয়; অন্তৰৰ পৰিৱৰ্তনৰ কথাও আছে। 'প্ৰহ্লাদ চৰিত'ৰ কাহিনীত বাহ্যিক শক্তিৰ সন্মুখত সত্য আৰু বিশ্বাসৰ দৃঢ়তা প্ৰকাশ পাইছে, 'অজামিল উপাখ্যান'ত নৈতিকভাৱে পতিত মানুহৰো পৰিৱৰ্তনৰ সম্ভাৱনা দেখুওৱা হৈছে। আনহাতে, 'গজেন্দ্ৰ উপাখ্যান'তো সংকটৰ মুহূৰ্তত আত্মসমৰ্পণ আৰু বিশ্বাসৰ তাৎপর্য প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে। গতিকে এই প্ৰাচীন কাহিনীবোৰৰ আধুনিক পাঠ কৰিলে দেখা যায় যে শংকৰদেৱে মানুহক পাপ-পুণ্যৰ কথা সোঁৱৰাই দিয়াৰ লগতে মানুহৰ ভিতৰত এক পৰিৱৰ্তনৰ সম্ভাৱনাকো স্বীকাৰ কৰিছিল। ভুলৰ পিছতো মানুহে নিজকে সংশোধন কৰিব পাৰে — এই মানৱীয় আশাবাদ আজিও তাৎপর্যপূর্ণ।

অৱশ্যে কীৰ্তনৰ সামূহিক পৰম্পৰাৰো এক বিশেষ সামাজিক তাৎপর্য আছে। নাম-কীৰ্তনৰ সময়ত ব্যক্তি নিজৰ সামাজিক পৰিচয়ৰ বাহিৰলৈ ওলাই এক সামূহিক আধ্যাত্মিক অভিজ্ঞতাৰ অংশ হয়। যেনে 'হৰি' নামৰ পুনৰাবৃত্তি এক ধৰ্মীয় উচ্চাৰণৰ সমান্তৰালকৈ ই সমবেত কণ্ঠৰ মাজেৰে একতাৰ অনুভূতিও সৃষ্টি কৰে। আজিৰ সমাজত মানুহৰ মাজত মতভেদ আৰু বিভাজন বৃদ্ধি পোৱাৰ সময়ত একেলগে বহি শুনা, গোৱা আৰু অংশগ্ৰহণ কৰাৰ এই সংস্কৃতি সামাজিক সম্প্ৰীতিৰ এক গুৰুত্বপূৰ্ণ শিক্ষা বহন কৰে। শংকৰদেৱৰ ধৰ্ম-দৰ্শনৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে আচাৰ-অনুষ্ঠানতকৈ ভক্তিৰ অন্তৰ্নিহিত সত্যক অধিক গুৰুত্ব দিয়া। জটিল ধৰ্মীয় আচাৰ বা মধ্যস্থতাৰ পৰিৱৰ্তে নাম, শ্ৰৱণ, কীৰ্তন আৰু ভক্তিৰ জৰিয়তে ঈশ্বৰৰ সৈতে সম্পৰ্ক স্থাপনৰ পথ তেওঁ দেখুৱাইছিল। বিশেষকৈ তেওঁ উল্লেখ কৰা নৱবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্ত্তনেই শ্ৰেষ্ঠ হিচাপে পৰিচিত। ইয়াৰ ফলত ধৰ্মীয় অনুভূতি সাধাৰণ মানুহৰ বাবে অধিক সহজলভ্য হৈ পৰিছিল। অৱশ্যে মধ্যযুগীয় সমাজৰ সকলো বৈষম্য একেবাৰে বিলুপ্ত হৈছিল বুলি কোৱা ইতিহাসসন্মত নহয়; কিন্তু ভক্তিৰ ক্ষেত্ৰত বহল অংশগ্ৰহণৰ সুযোগ সৃষ্টি কৰাটো তেওঁৰ আন্দোলনৰ এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰভাৱ আছিল। শংকৰদেৱৰ অৱদানৰ আন এটা মহৎ দিশ হৈছে অসমীয়া সাহিত্যৰ বিকাশ। কীৰ্তনঘোষা, গুণমালা, ভক্তিপ্ৰদীপ, হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ, অজামিল উপাখ্যান, বলি ছলন, কংস বধ, গোপী-উদ্ধৱ সংবাদ, নিমি-নৱসিদ্ধ-সংবাদ, অমৃত মন্থন আদি ৰচনাই অসমীয়া সাহিত্যৰ প্ৰকাশভংগী আৰু বিষয়বস্তু সমৃদ্ধ কৰিছে। বিশেষকৈ ধৰ্মীয় আৰু দাৰ্শনিক তত্ত্বক জনসাধাৰণৰ বোধগম্য ভাষাত প্ৰকাশ কৰাটো তেওঁৰ এক ঐতিহাসিক কৃতিত্ব। তেওঁৰ ভাষাত একে সময়তে কাব্যিক সৌন্দৰ্য, ভক্তিৰ আবেগ আৰু বোধগম্যতাৰ সমন্বয় দেখা যায়।

আনহাতে, সংগীতৰ ক্ষেত্ৰতো ৰৱগীত তেওঁৰ অনন্য অৱদান। ৰৱগীতত ভক্তিৰ সৈতে বিৰহ, আকুলতা, আত্মসমৰ্পণ আৰু ঈশ্বৰৰ প্ৰতি গভীৰ প্ৰেমৰ অনুভূতি একত্ৰিত হৈছে। ৰৱগীতৰ সুৰ-পৰম্পৰাই অসমীয়া সংগীত-সংস্কৃতিক এক স্বকীয় পৰিচয় দিছে। আজিৰ সংগীতৰ বহুমুখী পৰিৱেশতো ৰৱগীতক কেৱল অতীতৰ ভক্তিগীত হিচাপে সংৰক্ষণ কৰাই যথেষ্ট নহয়; ইয়াৰ সুৰ, কাব্যিকতা আৰু দাৰ্শনিক তাৎপর্য নতুন প্ৰজন্মৰ ওচৰলৈ আধুনিক উপস্থাপনৰ জৰিয়তে লৈ যোৱাটোও প্ৰয়োজনীয়। নাট্যকলাৰ ক্ষেত্ৰত শংকৰদেৱৰ অৱদান আৰু অধিক সৃষ্টিশীল। অংকীয়া নাট আৰু ভাওনাৰ জৰিয়তে তেওঁ সাহিত্য, অভিনয়, সংগীত, নৃত্য, মুখা, দৃশ্যসজ্জা আৰু সামূহিক অংশগ্ৰহণক একেলগে সংযুক্ত কৰিছিল। কালীয়দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, পত্নীপ্ৰসাদ, শ্ৰীৰাম বিজয় আদি নাটৰ পৰম্পৰাই আজিও অসমৰ সাংস্কৃতিক জীৱনক সমৃদ্ধ কৰি আছে। ইয়াৰ মাজেৰে তেওঁ ধৰ্মীয় আখ্যানক কেৱল পঢ়া বা শুনাৰ বিষয় হিচাপেই আৱদ্ধ নকৰি অভিনয় আৰু দৃশ্য-শ্ৰাব্য অভিজ্ঞতালৈও ৰূপান্তৰ কৰিছিল। আধুনিক ভাষাত ক'বলৈ গ'লে, তেওঁ নিজৰ সময়ত এক শক্তিশালী সাংস্কৃতিক যোগাযোগ-পদ্ধতি সৃষ্টি কৰিছিল। এই সাংস্কৃতিক পৰম্পৰাৰ সৈতে সত্ৰীয়া নৃত্যও গভীৰভাৱে জড়িত। নৃত্য, গীত, অভিনয় আৰু ভক্তিৰ সমন্বয়ত গঢ় লৈ উঠা এই পৰম্পৰাই পৰৱৰ্তী সময়ত ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ স্বীকৃত পৰিসৰত স্থান লাভ কৰে। একেদৰে বৃন্দাৱনী বস্ত্ৰৰ সৈতে জড়িত পৰম্পৰাই দেখুৱাই যে শংকৰদেৱৰ সাংস্কৃতিক দৃষ্টিভংগী কেৱল সাহিত্য বা ধৰ্মৰ ক্ষেত্ৰতে সীমাবদ্ধ নাছিল; দৃশ্যশিল্প আৰু বস্ত্ৰশিল্পৰ মাজতো তেওঁৰ সৃষ্টিশীল চিন্তাৰ প্ৰভাৱ বিস্তৃত হৈছিল। এইক্ষেত্ৰত এক বিশেষ উল্লেখনীয় দিশ হৈছে শংকৰদেৱৰ সাংস্কৃতিক আন্দোলনক আগুৱাই নিয়াত মাধৱদেৱৰ অৱদান অনস্বীকাৰ্য। গুৰু-শিষ্যৰ এই সম্পৰ্কই এক বৃহৎ ভক্তি আৰু সাংস্কৃতিক পৰম্পৰাক সুসংগঠিত ৰূপত আগবঢ়াই নিয়াত সহায় কৰিছিল। পৰৱৰ্তী সময়ত অসংখ্য সত্ৰ, নামঘৰ, ভক্তি-সাহিত্য, ৰৱগীত, ভাওনা আৰু সত্ৰীয়া কলাৰ মাজেৰে এই পৰম্পৰা অসমৰ বিভিন্ন অঞ্চললৈ বিস্তৃত হয়। সেয়েহে শংকৰদেৱৰ ঐতিহ্যক কেৱল এজন ধৰ্মীয় ব্যক্তিৰ সৃষ্টিৰূপে দৃষ্টিনিক্ষেপ নকৰি এটা দীঘলীয়া সাংস্কৃতিক পৰম্পৰা হিচাপে চোৱা উচিত। এতিয়া প্ৰশ্নটো হ'ল— একবিংশ শতিকাত এই পৰম্পৰা আমি কেনেকৈ জীয়াই ৰাখিম? কেৱল বছৰত এবাৰ মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰি, কীৰ্তন কৰি অথবা ভাওনা পাতি শংকৰদেৱৰ আদর্শক জীয়াই ৰখা সম্ভৱনে? নিশ্চয়কৈ নহয়। পৰম্পৰা তেতিয়াহে জীৱন্ত হৈ থাকে, যেতিয়া নতুন প্ৰজন্মই তাক নিজৰ সময়ৰ সৈতে সংযোগ কৰি গ্ৰহণ কৰে। প্ৰথমতে, শংকৰদেৱৰ সাহিত্যক নতুন প্ৰজন্মৰ ওচৰলৈ লৈ যাব লাগিব। তেওঁৰ বিৰচিত কীৰ্তনঘোষা বা অন্যান্য ৰচনা কেৱল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ কৰিলে ইয়াৰ জীৱন্ত তাৎপর্য হ্ৰাস পাব পাৰে। গতিকে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত তেওঁৰ সাহিত্যৰ পাঠৰ সৈতে আলোচনা, আবৃত্তি, পাঠচক্ৰ, নাট্যাভিনয় আৰু মুক্ত সংলাপৰ ব্যৱস্থা কৰাটো বিশেষ উপযোগী। কীৰ্তনৰ এটা কাহিনী লৈ শিক্ষাৰ্থীয়ে তাৰ নৈতিক আৰু সামাজিক তাৎপর্য আলোচনা কৰিলে শংকৰদেৱৰ সাহিত্য তেওঁলোকৰ বাবে কেৱল পুৰণি গ্ৰন্থ হৈ নাথাকিব, জীৱনৰ সৈতেও সম্পৰ্কিত হৈ উঠিব। দ্বিতীয়তে, ডিজিটেল মাধ্যমক পৰম্পৰা সংৰক্ষণৰ শক্তিশালী মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগিব। ৰৱগীত, ভাওনা, সত্ৰীয়া নৃত্য, সত্ৰৰ ইতিহাস, পুৰণি পুথি আৰু কীৰ্তন-পৰম্পৰাৰ ডিজিটেল নথিভুক্তিকৰণ অত্যন্ত প্ৰয়োজনীয়। যুৱসমাজ যি মাধ্যমত অধিক সক্ৰিয়, সেই মাধ্যমতে শংকৰদেৱৰ চিন্তা উপস্থিত নাথাকিলে পৰম্পৰা আৰু নতুন প্ৰজন্মৰ মাজত দূৰত্ব বৃদ্ধি পাব। মানসম্পন্ন তথ্যচিত্ৰ, পডকাষ্ট, ডিজিটেল পুথিভঁৰাল, ব্যাখ্যামূলক ভিডিঅ', অনলাইন বক্তৃতা আৰু দ্বিভাষিক বা বহুভাষিক অনুবাদৰ জৰিয়তে এই ঐতিহ্য বিশ্বৰ বিভিন্ন প্ৰান্তলৈ লৈ যাব পাৰি।তৃতীয়তে, অসমীয়া ভাষাৰ সৈতে শংকৰদেৱৰ সম্পৰ্কনতুনকৈ উপলব্ধি কৰিব লাগিব। তেওঁ জ্ঞান আৰু ধৰ্মীয় তত্ত্বক মানুহৰ বোধগম্য ভাষাত প্ৰকাশ কৰিছিল। আজিৰ যুগত অসমীয়া ভাষাক ডিজিটেল জগতত শক্তিশালী কৰি তোলাটো তেওঁৰ ভাষিক ঐতিহ্য সংৰক্ষণৰো এক ৰূপ। শংকৰদেৱৰ সাহিত্যৰ নিৰ্ভৰযোগ্য ডিজিটেল সংস্কৰণ, সহজ ব্যাখ্যা, অডিঅক্সবুক, ই-বুক আৰু অনুবাদৰ ব্যৱস্থা কৰিলে অসমৰ বাহিৰতো তেওঁৰ সাহিত্যৰ পাঠক সৃষ্টি কৰিব পৰা যাব। চতুৰ্থতে, নামঘৰ আৰু সত্ৰৰ সামাজিক ভূমিকা অধিক সক্ৰিয় কৰি তুলিব পাৰি। নামঘৰক ধৰ্মীয় অনুষ্ঠানৰ লগতে সাহিত্যচৰ্চা, সংগীত শিক্ষা, শিশুৰ সাংস্কৃতিক শিক্ষা, পুথি-পাঠ, সামাজিক সচেতনতা আৰু সামূহিক আলোচনাৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। বিশেষকৈ গাঁও অঞ্চলত স্থানীয় ইতিহাস আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত নামঘৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। পঞ্চমতে, ভাওনা, ৰৱগীত, সত্ৰীয়া নৃত্য আৰু অন্যান্য কলা-পৰম্পৰাক কেৱল উৎসৱৰ সময়ত প্ৰদৰ্শন কৰাৰ পৰিৱৰ্তে নিয়মীয়া শিক্ষাৰ সৈতে সংযুক্ত কৰিব লাগিব। শিশুক আৰু যুৱক-যুৱতীক এই কলাৰ প্ৰশিক্ষণ দিয়াৰ বাবে স্থানীয় পৰ্যায়ত কৰ্মশালা আৰু প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি তোলা প্ৰয়োজন। পৰম্পৰা কেৱল সংৰক্ষণ কৰিলে জীয়াই নাথাকে; নতুন প্ৰজন্মই যেতিয়া তাক অনুশীলন কৰে, তেতিয়াহে ই প্ৰকৃত অৰ্থত জীৱন্ত হৈ থাকে। শংকৰদেৱৰ পৰম্পৰা জীয়াই ৰখাৰ অৰ্থ তেওঁৰ নামত কেৱল সাংস্কৃতিক অনুষ্ঠান বৃদ্ধি কৰা নহয়; তেওঁৰ মূল্যবোধক সামাজিক জীৱনত প্ৰয়োগ কৰাও ইয়াৰ অংশ। সামাজিক বিভাজন, অসহিষ্ণুতা আৰু বিদ্বেষৰ সময়ত সম্প্ৰীতিৰ সংস্কৃতি গঢ়ি তোলা, ব্যক্তিকেন্দ্ৰিকতাৰ মাজত সামূহিক দায়িত্ববোধ জগোৱা, জ্ঞানৰ সৈতে বিনয় আৰু ক্ষমতাৰ সৈতে নৈতিকতা সংযুক্ত কৰা —এইবোৰেই তেওঁৰ চিন্তাৰ আধুনিক দিশ হ'ব পাৰে। পৰিৱেশৰ ক্ষেত্ৰতো তেওঁৰ সাংস্কৃতিক পৰম্পৰাক নতুন দৃষ্টিৰে ব্যৱহাৰ কৰিব পাৰি। তেওঁৰ সাহিত্যত প্ৰকৃতি আৰু জীৱজগতৰ বিভিন্ন ৰূপৰ উপস্থিতি দেখা যায়। সেই সাংস্কৃতিক অনুভূতিক আধুনিক পৰিৱেশ সংৰক্ষণৰ সৈতে সংযোগ কৰি জন্মোৎসৱৰ সময়ত বৃক্ষৰোপণ, নদী-পুখুৰী পৰিষ্কাৰ, স্থানীয় জীৱবৈচিত্ৰ্য সংৰক্ষণ আদি কাৰ্যসূচী গ্ৰহণ কৰিব পাৰি। তেতিয়া উৎসৱ কেৱল স্মৰণৰ অনুষ্ঠান হৈ নাথাকি সমাজৰ বাবে বাস্তৱ কাৰ্যৰ মাধ্যম হৈ উঠিব। শংকৰদেৱৰ ঐতিহ্যৰ শক্তি এইখিনিতে যে এয়া কেৱল অতীতৰ কোনো নিৰ্জীৱ স্মাৰক হিচাপে নহয়। নামঘৰত আজিও কীৰ্তন ধ্বনিত হয়, সত্ৰত আজিও ৰৱগীত আৰু সত্ৰীয়া নৃত্যৰ চৰ্চা হয়, ভাওনাৰ মঞ্চত আজিও তেওঁৰ নাট্যচিন্তা নতুন প্ৰজন্মৰ সম্মুখত জীৱন্ত হৈ উঠে আৰু কীৰ্তনঘোষা আজিও পাঠ আৰু গৱেষণাৰ বিষয়। এই জীৱন্ত পৰম্পৰাই প্ৰমাণ কৰে যে শংকৰদেৱ সময়ৰ সৈতে বিলীন হোৱা কোনো অতীত নহয়; তেওঁ সময়ৰ সৈতে নতুন অৰ্থ লাভ কৰি থকা এক সাংস্কৃতিক উপস্থিতি। আজিৰ প্ৰজন্মৰ বাবে শংকৰদেৱক পুনৰ আৱিষ্কাৰ কৰাৰ প্ৰয়োজন আছে। গতিকে তেওঁক নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক হিচাপে, সাহিত্যিক হিচাপে, ধৰ্মীয় দাৰ্শনিক হিচাপে, নাট্যকাৰ হিচাপে, সংগীতজ্ঞ হিচাপে আৰু সমাজ-সংস্কাৰক হিচাপে তেওঁৰ চিন্তাৰ সামাজিক তাৎপর্য অনুধাৱন কৰিব লাগিব। তেতিয়াহে তেওঁৰ প্ৰতি আমাৰ শ্ৰদ্ধা আনুষ্ঠানিকতাৰ সীমা অতিক্ৰম কৰি জ্ঞান আৰু কৰ্মলৈ ৰূপান্তৰিত হ'ব। শংকৰদেৱে যি সাংস্কৃতিক জগত নিৰ্মাণ কৰিছিল, তাৰ মূলতে আছিল মানুহক একত্ৰিত কৰা, জ্ঞান আৰু ভক্তিৰ মাজত সংযোগ স্থাপন কৰা আৰু সংস্কৃতিক জীৱনৰ অংশ কৰি তোলা। সেয়েহে একবিংশ শতিকাত তেওঁৰ পৰম্পৰা জীয়াই ৰখাৰ সৰ্বোত্তম পথ হ'ল— তেওঁৰ সৃষ্টিক পঢ়া, সংৰক্ষণ কৰা, গৱেষণা কৰা, নতুন মাধ্যমত উপস্থাপন কৰা আৰু তেওঁৰ মানৱীয় মূল্যবোধক সমকালীন সমাজৰ প্ৰয়োজনৰ সৈতে সংযোগ কৰা। ১৪৪৯ চনৰ সেই ঐতিহাসিক জন্মৰ পৰা আজিৰ ডিজিটেল যুগলৈকে শংকৰদেৱৰ সাংস্কৃতিক যাত্ৰা বহু শতিকা অতিক্ৰম কৰিছে। সময় সলনি হৈছে, সমাজ সলনি হৈছে, মানুহৰ জীৱনধাৰা সলনি হৈছে; কিন্তু মানুহৰ মাজত সম্প্ৰীতি, নৈতিকতা, সৃষ্টিশীলতা, আধ্যাত্মিক অনুসন্ধান আৰু নিজৰ ভাষা-সংস্কৃতিৰ সৈতে সংযোগৰ প্ৰয়োজন শেষ হোৱা নাই। সেইবাবেই শংকৰদেৱৰ প্ৰাসংগিকতাও শেষ হোৱা নাই। তেওঁ আমাৰ অতীতৰ গৌৰৱেই নহয়; সঠিক অৰ্থত পঢ়িব আৰু সুচাৰুৰূপে পালন কৰিব পাৰিলে তেওঁ আমাৰ বৰ্তমানক অধিক মানৱীয় আৰু আমাৰ ভৱিষ্যৎক অধিক সাংস্কৃতিকভাৱে সমৃদ্ধ কৰাৰ এক জীৱন্ত প্ৰেৰণা হৈ থাকিব। ■

৪০ বছৰে-খেতি

আৰু ব্ৰহ্মপুত্ৰ কৃষি সমবায়ৰ নামত ১,৬৬০ বিঘা চৰকাৰী ভূমি আৱণ্টনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যদিও সমবায় সমিতি দুখনে আজিকোপতি ভূমি আৱণ্টন পাবলৈ সক্ষম নহ'ল। সমবায় সমিতি দুখনে অসম আন্দোলনৰ নেতা জয়নাথ শৰ্মাক ৰাজহ মন্ত্ৰী হৈ থকাৰ সময়ত সাক্ষাৎ কৰি সমবায় দুখনৰ নামত চৰকাৰী ভুমিখিনি আৱণ্টন দিয়াৰ দাবী উত্থাপন কৰিছিল। কিন্তু কোনো ফল নাপালে। অসম আন্দোলনৰ নেতাগৰাকীয়ে ৰাজহ মন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পিছতো খিলঞ্জীয়া কৃষকৰ সমবায় দুখনে চৰকাৰী ভূমি আৱণ্টন লাভ কৰিবলৈ সমর্থ নহ'ল। ইয়াৰ বিপৰীতে জয়নাথ শৰ্মাৰ শাসনকালত ছিপাঝাৰৰ চৰ অঞ্চলৰ ফুহৰাতলীত দুই শতাধিক সন্দেহযুক্ত বাংলাদেশী পৰিয়ালে পাঁচ বিঘাকৈ চৰকাৰী ভূমি আৱণ্টন লাভ কৰিবলৈ সমর্থ হৈছিল। স্মৰ্তব্য যে মোৱামাৰী আৰু হেতৌ চাপৰিত বাংলাদেশীৰ কবলৰ পৰা চৰকাৰী ভূমি খিলঞ্জীয়াৰ দখললৈ অনাৰ সময়ত অবৈধ ভূমি বেদখলকাৰী বাংলাদেশীৰ হাতত তৰুণ নাথ, চন্দ্ৰকান্ত শইকীয়াকে কেইবাজনো খিলঞ্জীয়া যুৱকে প্ৰান দিবলগীয়া হৈছিল। বাংলাদেশীৰ আগ্ৰাসন ৰোধ কৰি বহুৰ বহুৰ ধৰি খেতি বাতি কৰি অহা খিলঞ্জীয়া কৃষকৰ সমবায় দুখনে জাতি- মাটি-ভেটি ৰক্ষাৰ শ্লগানেৰে ক্ষমতালৈ অহা বিজেপি মিত্ৰজোঁট চৰকাৰৰ শাসনকালতো ভূমি আৱণ্টন পাবলৈ সমর্থ নহ'ল। প্ৰনিধানযোগ্য যে ৰঙামাটি মৌজাৰ মোৱামাৰীৰ প্ৰায় ৫০০ বিঘা চৰকাৰী ভূমিত ৫০ টা পৰিয়ালে চাৰি দশক ধৰি খেতি বাতি কৰি আহিছে। ৰাজ্যত ইতিমধ্যে তিনিটা বসুন্ধৰা অভিযান চলিল যদিও এই আঁচনিখনে স্পৰ্শ নকৰিলে সমবায় দুখনৰ খিলঞ্জীয়া কৃষকসকলক। সমবায় দুখনৰ খিলঞ্জীয়া কৃষকসকলক বিভিন্ন নীতি-নিয়মৰ দোহাই দি ভূমি আৱণ্টনৰ পৰা বঞ্চিত কৰি অহাৰ অভিযোগ উঠিছে। কিন্তু দৰঙৰে বিভিন্ন ঠাইত দখল নথকা সত্ত্বেও কেইবাখনো কৃষি সমবায় সমিতি, স্বেচ্ছাসেৱী অনুষ্ঠানে বৃহৎ পৰিমাণৰ চৰকাৰী ভূমি আৱণ্টন লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু আশীৰ দশকৰ পৰাই খেতি-বাতি কৰি অহাৰ পিছতো উল্লেখিত সমবায় সমিতি দুখনে বিভিন্ন সময়ত আবেদন-নিবেদন কৰিও ভূমি আৱণ্টন লাভ কৰিবলৈ সক্ষম নহ'ল। নিয়মানুসৰি কৃষি সমবায় সমিতিয়ে চৰকাৰী ভূমিৰ আৱণ্টন পাবলৈ হ'লে আবেদন কৰা ভূমিত দখল থকাটো বাধ্যতামূলক। কিন্তু ৪০ বছৰে খেতি-বাতি কৰি অহাৰ পিছতো খিলঞ্জীয়া লোকৰ সমবায় সমিতি দুখনে চৰকাৰী ভূমিৰ আৱণ্টন পাবলৈ সক্ষম নহ'ল। ইফালে, ব্ৰহ্মপুত্ৰ কৃষি সমবায়ৰ ভূমি বেদখল কৰা ৫৯ টা সন্দেহযুক্ত বাংলাদেশী পৰিয়ালক উচ্ছেদৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে সমবায় সমিতিখনে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দুবাৰকৈ সাক্ষাৎ কৰি আবেদন-নিবেদন জনাইছিল যদিও বৰ্তমানে কোনো সুফল নাপালে। মঙলদৈ ৰাজহ চক্ৰ বিষয়াই সমবায় সমিতিৰ ভূমি বেদখল কৰা ৫৯ টা সন্দেহযুক্ত পৰিয়ালৰ ভিতৰত ১৪ টা পৰিয়াললৈ যোৱা ১৮ জুনত উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছিল। কিন্তু তিনিমাহে সেই ১৪ টা বেদখলকাৰী পৰিয়ালক উচ্ছেদ কৰা পৰিলক্ষিত নহ'ল।

পলাশবাৰীত ‘সদৌ কামৰূপ জিলা নামঘৰ মহাসভা’ৰ ৰাজহুৱা সভা

সন্তানক ভাল মানুহ হ’বলৈ শিকোৱা উচিত ঃ প্ৰান্তিক গোস্বামী



অসম ভূমি সেৱা, আজাৰা ঃ পিতৃ-মাতৃ তথা অভিভাৱকসকলে নিজৰ সন্তানক ডাক্তৰ, ইঞ্জিনিয়াৰ, এ চি এছ, আই এ এছ বিষয়া হ’বলৈ শিকোৱাৰ আগতে ভাল মানুহ হ’বলৈ শিকোৱা উচিত। অৰ্থনৈতিক আৰু সামাজিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকক সহায়ৰ হাত আগবঢ়াবলৈ শিকোৱা উচিত। এই মন্তব্য বিশিষ্ট সাহিত্যিক, ‘সদৌ অসম সত্ৰ মহাসভা’ৰ প্ৰধান সম্পাদক, নগাঁও জিলাৰ শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীৰ। ‘সদৌ অসম সত্ৰ মহাসভা’ৰ ভাতৃ সংগঠন ‘সদৌ অসম নামঘৰ মহাসভা’ৰ কামৰূপ জিলা সমিতি অৰ্থাৎ ‘সদৌ কামৰূপ জিলা নামঘৰ মহাসভা’ৰ কামৰূপ জিলাৰ পলাশবাৰী সাংস্কৃতিক ভৱনৰ প্ৰেক্ষাগৃহত যোৱা ২০ ছেপ্টেম্বৰত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে কয় যে মোৰ সন্তান ডাক্তৰ ইঞ্জিনিয়াৰ, এ চি এছ বিষয়া বুলি পিতৃ-মাতৃসকলে গৌৰৱ কৰি লাভ নহক্কব যদি সেই সন্তানক সৰুৰে পৰা সু-সংস্কাৰী কৰি গঢ়ি তুলিব পৰা নাই। কিয়নো উচ্চ শিক্ষা লাভ কৰি উচ্চ পদবীৰ চাকৰি কৰা ভব্য গব্য লোকৰ বহু সন্তানে সু-সংস্কাৰ নিশিকাৰ বাবেই অৰ্থনৈতিক আৰু সামাজিকভাবে দুৰ্বল শ্ৰেণীৰ লোকক গুৰুত্বহীন বুলি বিবেচনা কৰে। সেয়েহে এখন সু-শৃংখলিত সমাজ গঢ়িবলৈ হ’লে আমি দেশৰ ভৱিষ্যত ধৰণীস্বৰূপ উঠি অহা শিশুসকলক আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি তুলিবই লাগিব। গুৰুজনাৰ সৃষ্টি আদৰ্শ আৰু কৰ্মৰাজিৰ লগতে সত্ৰীয়া কলা-সংস্কৃতিৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব লাগিব, সু-সংস্কাৰী কৰি গঢ়ি তুলিব লাগিব। সন্তানক ভাল মানুহ হ’বলৈ শিকোৱাৰ আগতে পিতৃ মাতৃ তথা অভিভাৱকসকল নিজে সু-সংস্কাৰী হ’ব লাগিব। নহ’লে এখন সু-শৃংখলিত সমাজ গঢ়ি তোলাটো সম্ভৱ নহ’ব। ‘সদৌ কামৰূপ জিলা নামঘৰ মহাসভা’ৰ সভাপতি, তথা ‘সদৌ অসম নামঘৰ মহাসভা’ৰ কাৰ্যকৰী সভাপতি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনিল কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ভাষণ প্ৰসংগত বিশিষ্ট সত্ৰীয়া কলা-সংস্কৃতিৰ সাধক, সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে আৰু কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, দামোদৰ দেৱকে প্ৰমুখ্য কৰি পৰৱৰ্তী গুৰু সকলৰ সৃষ্টি আদৰ্শ আৰু কৰ্মৰাজিক বিশ্বৰ দৰবাৰত কামে-কাজে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ‘সদৌ অসম সত্ৰ মহাসভা’ৰ লগতে ‘সদৌ অসম সত্ৰ মহাসভা’ৰ ভাতৃ সংগঠন ‘সদৌ অসম নামঘৰ মহাসভা’ই পদক্ষেপ গ্ৰহণ কৰি যাব। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ, ‘সদৌ অসম নামঘৰ মহাসভা’ৰ সহকাৰী সম্পাদক ললিত ফুকনে গুৰুজনাৰ সৃষ্টি আদৰ্শ আৰু কৰ্মৰাজিৰে উদ্বোদ্ধ হৈ সত্ৰীয়া কলা-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ তথা বিকাশৰ ক্ষেত্ৰত আত্মনিয়োগ কৰি যাবলৈ সকলোকে আহ্বান জনায়। সভাত ‘সদৌ অসম সত্ৰ মহাসভা’ৰ ভগ্নী সংগঠন ‘আই কনকলতা মহিলা তীৰ্থ’ৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ ■ ১০ পৃষ্ঠাত

জুবিন দিৱসত ছাত্ৰ-ছাত্ৰীৰ গীত মাতৰ অনুষ্ঠান

গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য সভাৰ উদ্দোগত যোৱা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ‘জুবিন দিৱস’ উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত জুবিনৰ গীত পৰিৱেশনৰ এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনলাইন মাধ্যমত অনুষ্ঠিত উক্ত অনুষ্ঠান আনুষ্ঠানিকভাৱে মুকলি কৰে প্ৰবীণ কণ্ঠ শিল্পী, সুৰকাৰ তথা আৱাহন থিয়েটাৰৰ এসময়ৰ সংগীত পৰিচালক দেৱেশ্বৰ শৰ্মাই। শাখা সাহিত্য সভাৰ উপ-সভাপতি জিতুমণি শৰ্মাই আগবঢ়োৱা আদৰণী ভাষণৰ পাছতে বিভিন্ন ভাষাত জুবিন গাৰ্গৰ ‘মায়াবিনী ৰাতিৰ বুকুত...’ গীতটো পৰিৱেশন কৰে গুৱাহাটীত থকা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ একাউণ্টেণ্ট জেনে�ৰেল কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়া ধীৰাজ কুমাৰ দাসে। অনুষ্ঠানত শাখা সাহিত্য সভাৰ সদস্যসকলৰ লগতে অসম চৰকাৰৰ হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠান, গনককুচি (বৰপেটা)ৰ আৰু অসম টেক্সটাইল ইনষ্টিটিউটৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে জুবিনৰ কণ্ঠৰ বিভিন্ন গীত পৰিৱেশন কৰে। বস্ত্ৰ প্ৰযুক্তিবিদ হেমলতা মজুমদাৰ আৰু ফুলেন ৰায় চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত জুবিন গাৰ্গৰ গীতৰ অনুশীলন আৰু পৰিবেষণক ভুয়সী প্ৰশংসা কৰে। প্ৰাগজ্যোতিষপুৰ সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ড° জয়ন্ত দেৱ শৰ্মাই আঁতধৰা অনুষ্ঠানটোত জিমি কলিতা, মনাস্বিনী ইশানী গৌতম, ভূপালি দাস, চন্দ্ৰ বড়ো, নৱনীতা দাস, অনন্যা শইকীয়া, নিশিগন্ধা চেতিয়া, নাৰায়ন দাস, ভূপেন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকলে জুবিন গাৰ্গৰ বিভিন্ন গীত পৰিৱেশন কৰে। শাখা সভাৰ সদস্য ড° ভৱভূতি শৰ্মাই বেহেলাত জুবিনৰ এটি গীত বজাই আটাইকে আপ্লুত কৰে। চৰাইদেউৰ পৰা প্ৰীতিমা চাংমাই, গোলাঘাটৰ পৰা ৰীতা শইকীয়া আৰু নলবাৰীৰ পৰা মণিৰূপা মিশ্ৰই অনুষ্ঠানত জুবিন গাৰ্গৰ কবিতাৰ আবৃত্তি কৰি শুনায়। জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ সংৰক্ষনৰ প্ৰয়োজনীয়তা ওপৰত এক তথ্য সম্বলিত ভাষণ প্ৰদান কৰে ৰাজ্য চৰকাৰৰ হস্ততাঁত বিষয়া তৃষ্ণা মণি কলিতাই। শাখা সভাৰ সম্পাদক ড° গৌৰ গোপাল বনিকৰ লগতে ড প্ৰশান্ত শৰ্মা, লক্ষ্মী দাস, উৰ্ষিতা ভট্টাচাৰ্য, চাৰু দেৱী, দিব্যজ্যোতি মজুমদাৰ, গীতি মণি চাংমাই, মুনীন শৰ্মা, ঠাকুৰপদ দেসহ সদস্যসকল উপস্থিত থাকে।

পাঠশালাত নৱ ভা�ৰত সাক্ষৰতা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান

বজালী জিলা সাক্ষৰতা অভিযানৰ উদ্যোগ

অসম ভূমি সেৱা, বজালী ঃ বজালী জিলা সাক্ষৰতা অভিযানৰ উদ্যোগত নৱ ভা�ৰত সাক্ষৰতা কাৰ্যসূচীৰ অধীনত যোৱা ১ ছেপ্টেম্বৰৰ পৰা ১৪ ছেপ্টেম্বৰলৈ অনুষ্ঠিত পযেকযোৱা কাৰ্যসূচীৰ যোৱা ১৪ ছেপ্টেম্বৰত সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে পাঠশালা হাইস্কুলত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী কল্পনা গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বজালীৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে উপস্থিত থাকি আন্তৰ্জাতিক সাক্ষৰতাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰি কয় যে ভাৰতবৰ্ষৰ প্ৰতিজন নিৰক্ষৰ ব্যক্তিক উপযুক্ত শিক্ষা প্ৰদান কৰি সুনাগৰিক হিচাপে গঢ়ি তুলিব পাৰিলে অনাগত দিনত এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে পৰিণত হ’ব। আনহাতে, বুনিয়াদী শিক্ষাৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ ৰাইজক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। শিক্ষাৰ ক্ষেত্ৰত মাতৃসকলে গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি বিধায়কগৰাকীয়ে কয় যে মাতৃয়ে দিয়া শিক্ষাই হৈছে জীৱনৰ আটাইতকৈ ডাঙৰ শিক্ষা। নৱ ভাৰত সাক্ষৰতা কাৰ্যসূচীয়ে সেই মাতৃসকলকো সাক্ষৰ কৰাৰ লক্ষ্য লৈছে। বজালী জিলাৰ মান ৰক্ষক বিষয়া ৰুমী চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বজালী



জিলাৰ অতিৰিক্ত আয়ুক্ত তাহিৰ আলম, বজালী জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ দাস, হাউলী সমগ্ৰ শিক্ষাৰ খণ্ড সমন্বয়ক হিতেশ দাস, বজালীৰ উপ-পৰিদৰ্শক বিশ্বজিৎ, বজালী জিলাৰ সমন্বয়ক চেতন বড়ো আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি সাক্ষৰতা অভিযানৰ ওপৰত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত বজালী জিলাৰ শিক্ষা বিষয়া, খণ্ড শিক্ষা বিষয়াসকল, প্ৰধান শিক্ষক আৰু স্বেচ্ছাসেৱী শিক্ষকসকল উপস্থিত থাকে।

স্মৃতিশক্তি ধৰি ৰখাৰ কৌশল ব্যাখ্যা স্নায়ুৰোগ বিশেষজ্ঞৰ

ৰঙিয়াৰ কৃষাণ কাননত আলজেইমাৰ দিৱস পালন

অসম ভূমি সেৱা, ৰঙিয়া ঃ ৰঙিয়াৰ ওচৰৰ বৰমুৰা দিগিৰপাৰ গাঁৱত থকা কৃষাণ কাননত যোৱা দেওবাৰে আলজেইমাৰ এণ্ড ৰিলেটেড ডিছঅর্ডাৰ্ছ, ছ’চাইটি অব্ ইণ্ডিয়া (চমুকৈ এ আৰ ডি এছ আই) আৰু ৰঙিয়াৰ কৃষাণ কানন ছ’চিঅ’ ইক’নমিক ডেভেলপমেণ্ট ট্ৰাষ্টৰ উদ্যোগত বিশ্ব আলজেইমাৰ দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে পুৱা বন্তি প্ৰজ্বলন কৰে ৰঙিয়াৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নিল পাল, কলাক্ষেত্ৰৰ উপদেষ্টা জয়ন্ত কুমাৰ গোস্বামী, এ আৰ ডি এছ আইৰ গুৱাহাটী শাখাৰ সভাপতি শুভব্ৰত শৰ্মাই। গছপুলি ৰোপন কৰে অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল তথা অসম বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষ ৰাণা প্ৰতাপ কলিতাই। ইয়াৰ পিছত সংগীত শিল্পী শান্তনু বৰুৱাৰ পৰিচালনাত স্থানীয় শিল্পীসকলে অসম সংগীত পৰিৱেশন কৰে। তাৰ পিছত ডনবস্ক’ বিশ্ববিদ্যালয়ৰ স্কুল অব্ টেকন’লজিৰ সঞ্চালক ড° মনোৰঞ্জন কলিতাই ৰঙিয়াত প্ৰায় ৫০ বিঘা মাটিত প্ৰতিষ্ঠা কৰা কৃষাণ কাননৰ লক্ষ্য, উদ্দেশ্যৰ বিষয়ে কয়। অনুষ্ঠানত বিশ্ব আলজেইমাৰ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে শুভব্ৰত শৰ্মাই। অনুষ্ঠান মুকলি কৰি স্থানীয় বিধায়ক ভৰেশ কলিতাই কয় যে এতিয়াৰ ব্যস্ত আৰু জটিল জীৱনশৈলীয়ে মানুহৰ স্মৃতিশক্তি হ্ৰাস কৰাত অৰিহণা যোগাইছে। বিশেষকৈ ম’বাইল ফোনৰ অত্যধিক ব্যৱহাৰে মানুহৰৰ মনোজগতৰ বিস্তৰ ক্ষতি কৰিছে। বিজ্ঞানে আমাক যিমান আশীৰ্বাদ দিছে, সেই অনুপাতে অভিশাপো দিছে। তেওঁ সুস্বাস্থ্যৰ বাবে খোজকঢ়া আৰু যোগাভ্যাসৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ প্ৰমোদ বড়োৱে কয় যে আলজেইমাৰৰ দৰে জটিল ৰোগৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰৰো এক বিশেষ ভূমিকা থাকে। সেই সমস্যাখিনি কেনেকৈ সমাধান কৰিব পাৰি, সেই ক্ষেত্ৰত তেওঁ নিজাবীয়াকৈ চিন্তা-চৰ্চা আৰম্ভ কৰা বুলি জানিবলৈ দি কয় যে প্ৰতিবছৰেই বাজেটত কোটি কোটি টকাৰ আঁচনি ধৰা হয়, কিন্তু চিকিৎসা ক্ষেত্ৰৰ সমস্যাৰ সমাধান নহয়। বিলৰ ধন পৰিশোধ কৰিব নোৱাৰি মৃতদেহ চিকিৎসালয়তে এৰি পলায়ন কৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হোৱা দেখা যায়। গতিকে এনে পৰিস্থিতিৰ পৰা কেনেকৈ হাত সাৰিব পাৰি, সেই সন্দৰ্ভতো চিন্তা-চৰ্চা কৰা দৰকাৰ। অনুষ্ঠানত স্নায়ু বিশেষজ্ঞ ডাঃ অজয়া মহন্ত আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ দীপেশ ভাগৱতীয়ে প্ৰজেক্টৰৰ সহায়ত আলজেইমাৰ আৰু ডিমেনছিয়া ৰোগৰ কাৰণ, লক্ষণ আৰু ইয়াক প্ৰতিৰোধ কৰাৰ উপায় সম্পৰ্কে ব্যাখ্যা কৰে। এই অনুষ্ঠানতে এ আৰ ডি এছ আইৰ গুৱাহাটী শাখাৰ কৰ্মকৰ্তাসকলে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে স্মৃতিশক্তি ধৰি ৰখাৰ বিভিন্ন কিটিপ-কৌশল অৱগত কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় স্বস্তি হাস্পতালৰ পৰিচালন সঞ্চালক তথা বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ হিতেন্দ্ৰ কলিতাই।

■ অসম ভূমি ■ ২৩ ছেপ্টেম্বৰ, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

ধৰ্মীয় বিশ্বাস

প্ৰাচীন কালৰে পৰা জনমানসত আটাইতকৈ প্ৰভাৱ পেলোৱা বিষয়টোৱেই হৈছে ধৰ্মীয় বিশ্বাস। ইতিহাসে সাক্ষ্য দিয়ে এই বিশ্বাসে সমাজৰ কেতিয়াবা উত্থান কেতিয়াবা পতন ঘটাইছে। প্ৰকৃতিৰ বিভিন্ন ঠাইৰ পৰিৱেশ অনুসৰি মানুহৰ খাদ্য, সাজ-পাৰ বা জীৱন ধাৰণ প্ৰণালীৰ ভিন্নতাৰ বাবে ৰীতি-নীতি, বিশ্বাসবো পাৰ্থক্য থাকে, এয়া স্বাভাৱিক। কিন্তু, মানৱ জাতিয়ে এই পৃথক বিশ্বাস আৰু ৰীতি-নীতিৰ কাৰণে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈকে ধৰ্মৰ নামত সেই পুৰণিকালতে যি যুদ্ধ-বিগ্ৰহ বা কাজিয়াৰ সূত্ৰপাত কৰিলে সি আজিও চলিয়ে আছে। সততে দেখা যায় ব্যক্তি স্বাৰ্থ সিদ্ধিৰ বাবে ধৰ্মক এপাট অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। ফলত এক মহামাৰীৰ ৰূপত অসহিষ্ণুতাৰ পৰিমাণ বাঢ়িছে, অবাঞ্ছিত ঘটনা ঘটি আছে।

এজন ব্যক্তিয়ে এটা ধৰ্মবিশ্বাস অনুসৰণ কৰি এটা পৰিশীলিত জীৱন যাপন কৰাহে উচিত আৰু ই একান্তই ব্যক্তিগত কথা। মানুহৰ মন সদায় বিচিত্ৰ, মানুহে সদায় ভালৰো ভালটো বিচাৰে বা ভাল বস্তুৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে। ধৰ্মবিশ্বাসৰ ক্ষেত্ৰতো আপুনি বা মই ভাল বুলি ভাবি ব্যক্তিগত জীৱনত যি ধৰ্মকেই আচৰণ নকৰো লাগিলে, সামাজিক প্ৰাণী হিচাপে আমি কেৱল মানুহ। প্ৰতিজন ব্যক্তিয়ে সকলো ধৰ্মৰ সাৰ 'মানৱতা'ক যদি হৃদয়ংগম কৰি ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰে তেতিয়াহ'লে নানা অসূয়া-অপ্ৰীতি, সংঘাতৰ ঠায়েই নাথাকে।

আজিকালি ধৰ্মক কেন্দ্ৰ কৰি যিমান জাকজমকতাৰ পয়োভৰ সিমানে মানুহৰ মাজত অসামাজিক কাৰ্যকলাপ, অশান্তিৰ পৰিমাণ বাঢ়িছে, হিংসা-ঘৃণাৰে সামাজিক বাতাৱৰণ ভয়াৱহভাৱে দূষিত হৈছে। বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ প্ৰদৰ্শনকামিতাই ধৰ্মৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যক বাধাগ্ৰস্ত কৰিছে। মানুহৰ মাজত পদবী-ক্ষমতাৰ লোভ, সম্পত্তিৰ লোভ, যশ-খ্যাতিৰ লালসাই সীমা চেৰাই গৈছে। দেখা যায় 'ময়েই সকলোতকৈ ভাল বা শুদ্ধ' এই মানসিকতাই সকলোকে গ্ৰাস কৰিছে। প্ৰকৃত মানুহৰ সমাজখন শান্ত, নিৰিবিলিহে হ'ব লাগে! 'আমাক ধৰ্ম লাগেনে' গ্ৰন্থখনৰ এঠাইত লেখক ড° প্ৰহ্লাদ কুমাৰ বৰুৱাদেৱে লিখিছে— 'উচ্চতৰ জীৱনাদৰ্শ এটা অৰ্জন কৰিবৰ বাবে কৰা চিন্তা আৰু কাৰ্যই ধৰ্ম।' এটা উচ্চতৰ জীৱনৰ আদৰ্শই মানৱীয়তা, সততা, সৎ-চিন্তা, নৈতিকতা, ন্যায়নিষ্ঠা আদিৰ কথাকে নুবুজায়নে? এইখিনি আহৰণ কৰিবলৈ সাত দিন সাত ৰাতি ভাগৱত পাঠৰ অচিলাত উচ্চস্বৰত অনুভাষ যন্ত্ৰৰ কোলাহল, মাহজোৰা নাম-কীৰ্তন অথবা কেইবাকোটিটকীয়া আড়ম্বৰপূৰ্ণ যিকোনো ধৰ্মীয় অনুষ্ঠানৰ জাকজমকীয়া প্ৰদৰ্শনৰ প্ৰয়োজন আছে জানো! প্ৰয়োজন আছে একান্ত ইচ্ছাশক্তি, কৃচ্ছ্ৰসাধনা আৰু একনিষ্ঠ ভক্তিৰ। মানুহৰ মনতকৈ হৃদয়ক আকৰ্ষণ কৰিব পৰাটোতহে গুৰুত্ব দিয়া আৱশ্যক, কাৰণ মানুহে অন্তৰৰ নিভৃত কোণৰ পৰা ধৰ্মীয় বিশ্বাসৰ উপলব্ধি কৰে। প্ৰাচীন কালৰ মনীষী, ঋষি-মুনিসকলে আধ্যাত্মিক জীৱনক গভীৰভাৱে উপলব্ধি কৰি, একোখন নিৰ্জন ঠাইত থাকি নৈতিক প্ৰমূল্যবোধৰ জীৱন এটা কেনেকৈ যাপন কৰিব পাৰি নানা আখ্যান-উপাখ্যানৰ উপস্থাপনেৰে বিভিন্ন শাস্ত্ৰ লিপিবদ্ধ কৰি থৈ গৈছে। আমি সেইখিনি শ্ৰৱণ বা কীৰ্তন কৰিছো হয়, কিন্তু ব্যৱহাৰিক জীৱনত কিমানে সঁচা প্ৰয়োগ কৰিছো বিশ্লেষণ কৰি চোৱা দৰকাৰ। আমাৰ অসমভূমিত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনায়ো চাৰে-পাঁচ শতিকাৰ আগেয়ে মানুহে দৈনন্দিন তথা সামাজিক জীৱনটো পৰিমাৰ্জিতৰূপে কটাই কেনেদৰে সাৰ্থকভাৱে যাপন কৰিব পাৰি তাৰেই শিক্ষা দি গৈছে। কেৱল সেয়ে নহয় পৃথিৱীৰ প্ৰতিটো ধৰ্মই মানুহৰ জীৱনযাত্ৰাৰ পদ্ধতিকে প্ৰাধান্য দি নিজা নিজা মতবাদ প্ৰচাৰ কৰি আহিছে। গতিকে আপুনি বা মই যি ধৰ্মকে গ্ৰহণ কৰিছো সেয়া এটা এটা জীৱন যাপনৰ পদ্ধতিহে নহয় জানো? এই পদ্ধতি অনুসৰণ কৰি নিজৰ লগতে জনসমাজৰ কল্যাণ চিন্তা কৰাটোৱে প্ৰকৃত ধাৰ্মিকৰ লক্ষ্য হ'ব নালাগেনে? আগতেই উনুকিয়াই আহিছো ধৰ্ম বিষয়ক গভীৰ তত্ত্ব আলোচনা এই লেখাৰ উদ্দেশ্য নহয়। আপুনি আপোন শত্ৰু নহৈ 'সৎ জীৱন যাপনৰ দ্বাৰা সমাজত শান্তি প্ৰতিষ্ঠা'— ধৰ্মৰ এই লক্ষ্যৰ কথা চিন্তা কৰি আমি নিশ্চয় এখন শান্ত, সুস্থিৰ সমাজ গঠনত অলপ হ'লেও অৰিহণা আগবঢ়াব পাৰো।



বন্ধুত্ব

লীলাধৰ হাজৰিকা

বন্ধুত্ব অকল মানুহৰ মাজতেই গঢ় লৈ নুঠে। দেশৰ সৈতে বন্ধুত্ব হ'ব পাৰে, পশু-পক্ষীৰ সৈতে বন্ধুত্ব হ'ব পাৰে, প্ৰকৃতিৰ সৈতে বন্ধুত্ব হ'ব পাৰে। সৰ্বসাধাৰণে ঠেক মনোবৃত্তিৰে ডেকা-গাভৰুৰ মাজত প্ৰেমৰ সম্পৰ্কটোকেই বন্ধুত্ব বুলি ক'ব বিচাৰে।

বন্ধুত্ব মানে যেন প্ৰেম, ডেকা গাভৰুৰ প্ৰেম। এয়া এক তৰল মন্তব্য। কেৱল প্ৰেমতেই বন্ধুত্ব গঢ় লৈ নুঠে।

সৰুতে আমি যে সাধুকথাত পঢ়িছিলো, প্ৰকৃত বন্ধু কোন? নিজক ৰক্ষা কৰাটোৱেই যে একমাত্ৰ বন্ধুৰ দায়িত্ব নহয় সেই কথা সকলোৰে মনত আছে। ভালুক আৰু দুজন বন্ধু, সাধুটোত যে মৰাৰ ভাও ধৰি থকা বন্ধুজনক ভালুকটোৱে মুখৰ আগত কিবাকিবি কৈ যোৱা বুলি ধাৰণাত প্ৰকাশ পাইছিল, বিপদৰ সময়তহে বন্ধু চিনি পোৱা যায়। গছৰ ওপৰৰ পৰা মাটিত শুই পৰি মৰাৰ ভাও জোৰা বন্ধুজনক ভালুকটোৱে কি কৈ গৈছিল, সুধিলত শুই থকা বন্ধুজনে কোৱা কথাষাৰ, বিপদত পৰাৰ সময়ত নিজক ৰক্ষা কৰিবলৈ গৈ বন্ধুক মৃত্যুমুখলৈ ঠেলি দিয়াজন কেতিয়াও প্ৰকৃত বন্ধু হ'ব নোৱাৰে। সাধুকথাবোৰৰ মাজেৰে প্ৰকাশিত এনেবোৰ নীতিকথাৰ যথেষ্ট তাৎপৰ্য আছে। নিজক ৰক্ষা কৰাটোহে প্ৰকৃত বন্ধু বুলি ভবাজন, কেনে বন্ধু সেই কথা সকলোৱে জানে। বন্ধুত্বটো কেৱল কথা-বতৰা পতাটোতেই আবদ্ধ নাথাকে।

বন্ধুত্বৰ ধাৰণাবোৰ প্ৰত্যেকগৰাকীৰ বাবেই বেলেগ বেলেগ হ'ব পাৰে। উদাহৰণস্বৰূপে কোনো দিনেই লগ নোপোৱা মানুহ এগৰাকীৰ লগতো প্ৰেম অথবা বন্ধুত্ব হ'ব পাৰে। কোনো দিনেই কাৰো লগত কথা নপতাজনো ভাল বন্ধু হ'ব পাৰে। ধৰি লোৱা হ'ল কোনোবাই তোমাৰ কথা ভাবে, সেই ভাবনাটোৱেই বন্ধুত্ব হ'ব পাৰে। প্ৰাপ্তিৰ প্ৰত্যয়ৰ গানৰ দৰে আৰু কোনোবা বন্ধু হ'ব পাৰে। সেই গানৰ সুৰীয়া জীৱনৰ অনুপম এক প্ৰাচুৰ্যৰ অনুভৱৰ ধাৰণাটোও বন্ধুত্ব হ'ব পাৰে। সাজ লাগি সন্ধিয়াটো লিংলিঙিয়া হ'লেই কাৰোবাৰ কথা ভাবি মনতেই গঢ় লৈ উঠা অনুভৱো এক প্ৰকাৰ বন্ধুত্বৰেই নমুনা হ'ব পাৰে।

সঁচা বন্ধুত্ব গঢ় লৈ উঠিলে মানুহৰ মাজত আত্মীয়তা জাগে। যি পৱিত্ৰ আত্মীয়তাই মানুহৰ মানুহৰ অন্তৰৰো অন্তৰ আলোকিত কৰি তোলে। যি আন্তৰিকতাই মহান দিন আৰু নিশাৰ বুকুতো অক্ষত হৈ ৰোৱাৰ স্বৰ্ণিল সৌধ গঢ়ে। কাৰোবাৰ জীৱনৰ মহত্তম ৰচনা কাংখীৰ সহযাত্ৰীয়ে অনাদি স্বপ্নক শতগুণে ফুল ফুলাৰ মহান প্ৰতিশ্ৰুতিৰ বাৰ্তা কঢ়িয়াই আনে বন্ধুত্বৰ এনাজৰীয়ে। সেয়াও বন্ধুত্বৰ এক অজানা

সৰুতে আমি যে সাধুকথাত পঢ়িছিলো, প্ৰকৃত বন্ধু কোন? নিজক ৰক্ষা কৰাটোৱেই যে একমাত্ৰ বন্ধুৰ দায়িত্ব নহয় সেই কথা সকলোৰে মনত আছে। ভালুক আৰু দুজন বন্ধু, সাধুটোত যে মৰাৰ ভাও ধৰি থকা বন্ধুজনক ভালুকটোৱে মুখৰ আগত কিবাকিবি কৈ যোৱা বুলি ধাৰণাত প্ৰকাশ পাইছিল, বিপদৰ সময়তহে বন্ধু চিনি পোৱা যায়। গছৰ ওপৰৰ পৰা মাটিত শুই পৰি মৰাৰ ভাও জোৰা বন্ধুজনক ভালুকটোৱে কি কৈ গৈছিল, সুধিলত শুই থকা বন্ধুজনে কোৱা কথাষাৰ, বিপদত পৰাৰ সময়ত নিজক ৰক্ষা কৰিবলৈ গৈ বন্ধুক মৃত্যুমুখলৈ ঠেলি দিয়াজন কেতিয়াও প্ৰকৃত বন্ধু হ'ব নোৱাৰে। সাধুকথাবোৰৰ মাজেৰে প্ৰকাশিত এনেবোৰ নীতিকথাৰ যথেষ্ট তাৎপৰ্য আছে। নিজক ৰক্ষা কৰাটোহে প্ৰকৃত বন্ধু বুলি ভবাজন, কেনে বন্ধু সেই কথা সকলোৰে জানে। বন্ধুত্বটো কেৱল কথা-বতৰা পতাটোতেই আবদ্ধ নাথাকে।

আকস্মিক কাৰণ হ'ব পাৰে।

এইখিনিতেই উল্লেখ কৰি থোৱা ভাল যে পূৰ্বৰ বন্ধুত্বৰ যি আত্মিক তাৎপৰ্য আছিল সেয়া বহু পৰিমাণে হ্ৰাস পাইছে বুলি হাৰ্ভাৰ্ডৰ বিজনেছ ৱিভিঅ'ত প্ৰকাশ পাইছে। বৰ্তমান বন্ধুত্বৰ সম্পৰ্কৰ মন্দাৱস্থা হৈছে। বিশ্বজুৰি বন্ধুত্বৰ সম্পৰ্ক হ্ৰাস পাবলৈ ধৰিছে। এক সমীক্ষাত যে ১৯৯০ চনৰ পৰা বৰ্তমানলৈকে আমেৰিকাত বন্ধুত্বৰ সন্দৰ্ভত প্ৰায়েই শুনা এটা কথাই জনসাধাৰণক চিন্তান্বিত কৰি তুলিছে। হতাশাগ্ৰস্ত হৈ মোৰ কোনো ঘনিষ্ঠ বন্ধু নাই বুলি আক্ষেপ কৰা দেখা গৈছে। মোৰ কোনো ঘনিষ্ঠ বন্ধু নাই বোলা লোকৰ সংখ্যা চাৰি গুণলৈ বৃদ্ধি পাই শতকৰা ১২ শতাংশ হৈছেগৈ। আনহাতে ১০ শতাংশ বা তাতোকৈ অধিক ঘনিষ্ঠ বন্ধু থকাসকলৰ এক তৃতীয়াংশ হ্ৰাস পাইছে। অকল পশ্চিমীয়া দেশ আমেৰিকাতেই নহয়, ভাৰতবৰ্ষৰ দৰে দেশতো এনে ধৰণৰ পৰিস্থিতি হোৱা দেখা গৈছে। বহুতেই কৈছে... পৰস্পৰৰ মাজত চিনাকি বাঢ়িছে। কিন্তু প্ৰকৃত বন্ধুত্ব কমিছে। পূৰ্বতে মানুহে কেফে, ক্লাব অথবা অইন অইন অনুষ্ঠানত অচিনাকি মানুহৰ লগত মত বিনিময় কৰিছিল, এতিয়া সেই সম্পৰ্ক কমিছে, এতিয়া মানুহৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত ভিৰৰ মাজত মানুহ অকলশৰীয়া হৈ পৰিছে। মানুহ হৈ থাকিবলৈ হ'লে মানুহৰ লগত মানুহৰ সম্পৰ্ক বৃদ্ধি পাব লাগিব। মানসিক অস্থিৰতাই মানুহক অসন্তোষীয়া কৰি তোলে। আমেৰিকাত যোৱা দুটা বছৰত অকলে খোৱা মানুহৰ সংখ্যা হেনো ২৯ শতাংশলৈ

■ নৱম পৃষ্ঠাত

নতুন প্ৰজন্মই আত্মনিৰ্ভৰশীল হোৱাৰ পথত সন্মুখীন হোৱা আটাইতকৈ ডাঙৰ হেঙাৰটো হৈছে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু ই সমাজত সৃষ্টি কৰা বিভ্ৰান্তিকৰ ধাৰণা। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কেৱল নিৰ্দিষ্ট কিছুমান পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ আৰু কিছুমান মূল্যহীন প্ৰমাণপত্ৰ বা শৈক্ষিক উপাধি গোটাবলৈহে শিকায়, বাস্তৱ জীৱনৰ কঠিন আৰু নিৰ্মম সংগ্ৰামৰ বাবে তেওঁলোকক তিলমাত্ৰাও প্ৰস্তুত নকৰে। ফলস্বৰূপে, উচ্চ শিক্ষিত হোৱাৰ পিছতো সৱহসংখ্যক যুৱক-যুৱতীয়ে নিজৰ জীৱিকা উপাৰ্জনৰ বাবে চৰকাৰ বা অন্য ব্যক্তিগত প্ৰতিষ্ঠানৰ মুখলৈ চাই নিৰুপায় হৈ বহি থাকিবলগীয়া হয়। এই দুখলগা অৱস্থাটোৱেই স্পষ্টভাৱে প্ৰমাণ কৰে যে কেৱল কাগজৰ উপাধি লাভ কৰাটোৱেই কেতিয়াও আত্মনিৰ্ভৰশীলতাৰ মাপকাঠী হ'ব নোৱাৰে।

আত্মনিৰ্ভৰশীলতা আৰু নতুন প্ৰজন্ম



হিমাংশু ৰণ্‌জন ভূঞা

বৰ্তমানৰ দ্ৰুত পৰিৱৰ্তনশীল আৰু অত্যন্ত প্ৰতিযোগিতামূলক সময়ত আত্মনিৰ্ভৰশীলতা কেৱল এক আদৰ্শ নহয়, ই এক বাস্তৱ প্ৰয়োজনীয়তা। নতুন প্ৰজন্মৰ বাবে ইয়াৰ প্ৰকৃত অৰ্থ কেৱল অৰ্থনৈতিকভাৱে স্বাধীন হোৱাতেই কেতিয়াও সীমাবদ্ধ থাকিব নোৱাৰে; ই বৌদ্ধিক, মানসিক আৰু পেছাদাৰী দিশতো আনৰ অনুগ্ৰহৰ পৰা মুক্ত হৈ নিজৰ ভৰিৰ ওপৰত দৃঢ়তাৰে থিয় দিয়াটো বুজায়। পৰম্পৰাগত জীৱিকাৰ ধাৰণা আৰু নিৰাপত্তাৰ বিভ্ৰম সমাজৰ পৰা ক্ৰমান্বয়ে নোহোৱা হৈ আহিছে। চৰকাৰ বা ব্যক্তিগত খণ্ডৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হৈ এক সুৰক্ষিত জীৱন নিৰ্বাহ কৰাৰ সপোন দেখাটো বৰ্তমান সময়ত একেবাৰেই ভিত্তিহীন আৰু যুক্তিসংগত নহয়। প্ৰতিযোগিতাৰ এই নিৰ্দয় যুগত নিজৰ দক্ষতা আৰু যোগ্যতাক অহৰহ শান দি নথকা জনৰ বাবে টিকি থকাটো প্ৰায় অসম্ভৱ হৈ পৰিছে।

আত্মনিৰ্ভৰশীলতাৰ মূল ভেটিটোৱেই হ'ল পৰিস্থিতি যিয়েই নহওক কিয়, নিজৰ সিদ্ধান্ত নিজে ল'ব পৰা ক্ষমতা আৰু সেই সিদ্ধান্তৰ পৰিণামৰ প্ৰতি সম্পূৰ্ণ দায়বদ্ধতা স্বীকাৰ কৰা। যিটো প্ৰজন্মই শৈশৱৰ পৰাই কেৱল আনৰ নিৰ্দেশনাত চলি অভ্যস্ত, তেওঁলোকৰ বাবে হঠাতে এই গধুৰ দায়িত্বভাৰ গ্ৰহণ কৰাটো এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। কিন্তু বাস্তৱৰ কঠিন ভূমিত থিয় দি সন্মানৰ সৈতে জীয়াই থাকিবলৈ হ'লে মানসিকতাৰ এই পৰিৱৰ্তন একেবাৰেই অপৰিহাৰ্য। বৰ্তমানৰ বিশ্ব অৰ্থনীতিত যিকোনো মুহূৰ্ততে আহিব পৰা অৰ্থনৈতিক মন্দাৱস্থা বা প্ৰযুক্তিগত নৱজাগৰণে পুৰণি পেছাসমূহ সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰি পেলাব পাৰে। এনে এক অনিশ্চিত পৰিস্থিতিত কেৱল পুথিগত বিদ্যাৰে সজ্জিত এজন যুৱকে নিজকে আজীৱন সুৰক্ষিত বুলি ভবাটো এক চৰম মূৰ্খামিৰ বাহিৰে আন একো নহয়। প্ৰকৃত নিৰাপত্তা কেৱল তেতিয়াহে আহে যেতিয়া এজন ব্যক্তিয়ে নিজৰ তীক্ষ্ণ জ্ঞান আৰু কঠোৰ শ্ৰমৰ জৰিয়তে শূন্যৰ পৰাও নতুন সুযোগ সৃষ্টি কৰিব পাৰে। সেয়েহে নতুন প্ৰজন্মই আত্মনিৰ্ভৰশীলতাক এক ধাৰাবাহিক আৰু অন্তহীন প্ৰক্ৰিয়া হিচাপে গ্ৰহণ কৰিব লাগিব, য'ত প্ৰতিটো দিনেই নতুন কিবা এটা শিকা আৰু নিজৰ ভুলৰ পৰা সঠিক পাঠ গ্ৰহণ কৰাৰ সুযোগ থাকে।



ইয়াৰ বাবে প্ৰয়োজন এক আৱেগবৰ্জিত, অতি পৰিষ্কাৰ দৃষ্টিভংগী আৰু বাস্তৱক তাৰ প্ৰকৃত ৰূপত গ্ৰহণ কৰাৰ মানসিক প্ৰস্তুতি। সমাজ বা পৰিয়ালৰ মিছা প্ৰত্যাশাৰ গধুৰ বোজা কঢ়িয়াই ফুৰাতকৈ নিজৰ প্ৰকৃত সামৰ্থ্য আৰু দুৰ্বলতাসমূহ নিৰ্মমভাৱে চিনাক্ত কৰি সেইবোৰৰ ওপৰত নিৰন্তৰ কাম কৰাটোহে প্ৰকৃত আত্মনিৰ্ভৰশীলতাৰ প্ৰথম আৰু প্ৰধান খোজ। বৌদ্ধিক পৰাধীনতাই বৰ্তমান সময়ত আটাইতকৈ ডাঙৰ বিপদ কঢ়িয়াই আনিছে। আনৰ মতাদৰ্শ বা চিন্তাৰ ওপৰত চকু মুদি অন্ধবিশ্বাস কৰাৰ পৰিৱৰ্তে, প্ৰতিটো বিষয় গভীৰভাৱে আৰু যুক্তিসংগতভাৱে বিশ্লেষণ কৰি নিজা সিদ্ধান্তত উপনীত হ'ব পৰা ক্ষমতা নতুন প্ৰজন্মই যিকোনো মূল্যৰ বিনিময়ত আয়ত্ত কৰিব লাগিব। তথ্য-প্ৰযুক্তিৰ এই যুগত তথ্যৰ কোনো অভাৱ নাই; কিন্তু সেই বিশাল তথ্যসমূহৰ মাজৰ পৰা প্ৰয়োজনীয় আৰু সত্য তথ্যখিনি বাছি উলিওৱাৰ দক্ষতা নথকাজন সঘনাই পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে আত্মনিৰ্ভৰশীলতাৰ যাত্ৰা আৰম্ভ হয় নিজৰ মনটোক নিৰন্তৰ প্ৰশ্ন কৰিবলৈ শিকোৱাৰ পৰা। যিকোনো সমস্যাৰ মুখামুখি হ'লে আনৰ পৰা সহায় বিচৰাৰ আগতে নিজৰ বুদ্ধি আৰু প্ৰচেষ্টাৰে তাৰ সমাধান উলিওৱাৰ অহৰহ চেষ্টা কৰাটোহে প্ৰকৃত শিক্ষিত আৰু স্বতন্ত্ৰ মনৰ পৰিচয়। এই মানসিকতাই এজন ব্যক্তিক কেৱল স্বাৱলম্বীয়েই নকৰে, বৰঞ্চ জীৱনৰ যিকোনো কঠিন পৰিস্থিতিত ধৈৰ্য আৰু সাহসেৰে সন্মুখীন হোৱাৰ অদম্য শক্তি প্ৰদান কৰে।

নতুন প্ৰজন্মই আত্মনিৰ্ভৰশীল হোৱাৰ পথত সন্মুখীন হোৱা আটাইতকৈ ডাঙৰ হেঙাৰটো হৈছে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু ই সমাজত সৃষ্টি কৰা বিভ্ৰান্তিকৰ ধাৰণা। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কেৱল নিৰ্দিষ্ট কিছুমান পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ আৰু কিছুমান মূল্যহীন প্ৰমাণপত্ৰ বা শৈক্ষিক উপাধি গোটাবলৈহে শিকায়, বাস্তৱ জীৱনৰ কঠিন আৰু নিৰ্মম সংগ্ৰামৰ বাবে তেওঁলোকক তিলমাত্ৰাও প্ৰস্তুত নকৰে। ফলস্বৰূপে, উচ্চ শিক্ষিত হোৱাৰ পিছতো সৱহসংখ্যক যুৱক-যুৱতীয়ে নিজৰ জীৱিকা উপাৰ্জনৰ বাবে চৰকাৰ বা অন্য ব্যক্তিগত প্ৰতিষ্ঠানৰ মুখলৈ চাই নিৰুপায় হৈ বহি থাকিবলগীয়া হয়। এই দুখলগা অৱস্থাটোৱেই স্পষ্টভাৱে প্ৰমাণ কৰে যে কেৱল কাগজৰ উপাধি লাভ কৰাটোৱেই কেতিয়াও আত্মনিৰ্ভৰশীলতাৰ মাপকাঠী হ'ব নোৱাৰে। প্ৰকৃততে, বৰ্তমানৰ ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰখনক প্ৰয়োজন কেৱল ব্যৱহাৰিক দক্ষতা আৰু সময়ৰ লগত খোজ মিলাই নিজকে দ্ৰুতভাৱে সলনি কৰিব পৰা ক্ষমতা। কিন্তু পৰিতাপৰ বিষয় যে নতুন প্ৰজন্মৰ বহুতেই কঠোৰ শ্ৰমৰ মৰ্যাদা বুজি নাপায় আৰু বিনাশ্ৰমে পোৱা সহজলভ্য সফলতাৰ পিছত দৌৰি শেষত তীব্ৰ হতাশাত ভোগে। প্ৰযুক্তিৰ অত্যধিক আৰু অপ্ৰয়োজনীয় ব্যৱহাৰ তথা সামাজিক মাধ্যমৰ কু-প্ৰভাৱে তেওঁলোকৰ মাজত এক কৃত্ৰিম আৰু প্ৰদৰ্শনমূলক জীৱনশৈলীৰ প্ৰতি তীব্ৰ মোহ সৃষ্টি কৰে। সামাজিক মাধ্যমত দেখা পোৱা আনৰ সফলতাৰ ভুৱা প্ৰদৰ্শনীত ভোল গৈ তেওঁলোকে নিজৰ যাত্ৰাটোক সম্পূৰ্ণৰূপে পাহৰি পেলায় আৰু এক অসুস্থ, অৰ্থহীন প্ৰতিযোগিতাত লিপ্ত হয়। ইয়াৰ পৰিৱৰ্তে,

■ *নৱম পৃষ্ঠাত*

মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা নাট ছখনক তেখেতে ক'তো অংক বা অংকীয়া বুলি কোৱা নাই। নাটৰ সলনি অংক শব্দটো চৰিতকাৰেহে প্ৰয়োগ কৰিছে। আধুনিক কালত 'অংকীয়া' শব্দটো প্ৰয়োগ হ'বলৈ ধৰে। শংকৰদেৱে তেৰাৰ নাটত নাট, নাটক আৰু যাত্ৰা শব্দহে ব্যৱহাৰ কৰিছিল। মহাপুৰুষ শংকৰদেৱে যি নাট ৰচনা কৰি গ'ল তাৰ ঐতিহ্য আৰু উৎপত্তি বিচাৰ কৰা প্ৰয়োজন। এই বিষয়ে স্বৰ্গীয় কালিৰাম মেধি ডাঙৰীয়াই তেওঁৰ সংগৃহীত আৰু সম্পাদিত 'অংকাৱলী'ৰ দীঘলীয়া পাতনিত কিছু আলোচনা কৰি গৈছে। বিশেষকৈ মহাপুৰুষৰ সময়ত থলুৱা নাট্যানুষ্ঠান, যেনে— প্ৰাচীন অসমত প্ৰচলিত 'দেওধনী, ওজাপালি, পুতলা নাচ, গোৱালপাৰা অঞ্চলৰ' কুশান গান, ভাৰীগান, কুটু, ঢুলীয়াৰ ভাৱৰীয়াৰ অভিনয়, ঢুলীয়াৰ অভিনয় আদিৰ পৰিচয় দি মহাপুৰুষ শংকৰদেৱৰ নাট সৃষ্টিত তাৰ সম্ভাব্য প্ৰভাৱ তেওঁ দেখুৱাবলৈ প্ৰয়াস কৰিছে। মহাপুৰুষ শংকৰদেৱৰ সময়ত পূৰ্ব ভা�ৰতত সম্পূৰ্ণ দেশজ বা প্ৰান্তীয় ভাষাত নাট ৰচিত নহ'লেও সংস্কৃত নাট্যৰীতি আৰু সংস্কৃত প্ৰাকৃত ভাষাৰ প্ৰয়োগৰ লগে লগে প্ৰান্তীয় ভাষাৰ গীত-মাত ব্যৱহাৰ কৰি আৰু নাটকীয় কলা-কৌশলো কিছু পৰিমাণে সহজ কৰি নাট ৰচনা কৰাৰ প্ৰচেষ্টা চলিছিল।





অংকীয়া নাট আৰু ভাওনাৰ বৈশিষ্ট্য

নাছিৰ আহমেদ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা নাট-ভাওনাৰ জন্ম হয় পঞ্চদশ শতিকাৰ শেষ অথবা ষোড়শ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত। 'চিহ্নযাত্ৰা' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰথম অংকীয়া নাট যদিও এই বিষয়ক কোনো ৰচিত নাট পাবলৈ নাই। এই অংকীয়া নাটত প্ৰৰেশ, গীতি-নৃত্য, ভটিমা, পয়াৰ, সূত্ৰধাৰ আদি আছিল যদিও নাটৰ প্ৰধান অংগ কাহিনী আৰু সংলাপ থকাৰ কোনো প্ৰমাণ চৰিত পুথিয়ে নিদিয়ে।

মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা নাট ছখনক তেখেতে ক'তো অংক বা অংকীয়া বুলি কোৱা নাই। নাটৰ সলনি অংক শব্দটো চৰিতকাৰেহে প্ৰয়োগ কৰিছে। আধুনিক কালত 'অংকীয়া' শব্দটো প্ৰয়োগ হ'বলৈ ধৰে।

শংকৰদেৱে তেৰাৰ নাটত নাট, নাটক আৰু যাত্ৰা শব্দহে ব্যৱহাৰ কৰিছিল।

মহাপুৰুষ শংকৰদেৱে যি নাট ৰচনা কৰি গ'ল তাৰ ঐতিহ্য আৰু উৎপত্তি বিচাৰ কৰা প্ৰয়োজন। এই বিষয়ে স্বৰ্গীয় কালিৰাম মেধি ডাঙৰীয়াই তেওঁৰ সংগৃহীত আৰু সম্পাদিত 'অংকাৱলী'ৰ দীঘলীয়া পাতনিত কিছু আলোচনা কৰি গৈছে। বিশেষকৈ মহাপুৰুষৰ সময়ত থলুৱা নাট্যানুষ্ঠান, যেনে— প্ৰাচীন অসমত প্ৰচলিত 'দেওধনী, ওজাপালি, পুতলা নাচ, গোৱালপাৰা অঞ্চলৰ' কুশান গান, ভাৰীগান, কুটু, ঢুলীয়াৰ ভাৱৰীয়াৰ অভিনয়, ঢুলীয়াৰ অভিনয় আদিৰ পৰিচয় দি মহাপুৰুষ শংকৰদেৱৰ নাট সৃষ্টিত তাৰ সম্ভাব্য প্ৰভাৱ তেওঁ দেখুৱাবলৈ প্ৰয়াস কৰিছে।





মহাপুৰুষ শংকৰদেৱে সংস্কৃত নাটকৰ কিছু উপাদানো যেনে— সূত্ৰধাৰ, নান্দী, ভটিমা, পয়াৰ, শ্লোক আদি অন্তৰ্ভুক্ত কৰি লৈছিল।

মহাপুৰুষ শংকৰদেৱৰ সময়ত পূৰ্ব ভাৰতত সম্পূৰ্ণ দেশজ বা প্ৰান্তীয় ভাষাত নাট ৰচিত নহ'লেও সংস্কৃত নাট্যৰীতি আৰু সংস্কৃত প্ৰাকৃত ভাষাৰ প্ৰয়োগৰ লগে লগে প্ৰান্তীয় ভাষাৰ গীত-মাত ব্যৱহাৰ কৰি আৰু নাটকীয় কলা-কৌশলো কিছু পৰিমাণে সহজ কৰি নাট ৰচনা কৰাৰ প্ৰচেষ্টা চলিছিল।

কিন্তু মহাপুৰুষ শংকৰদেৱে সম্পূৰ্ণভাৱে আধুনিক ভাৰতীয় ভাষাত সৎ সাহস আৰু দূৰদৰ্শিতা দেখুৱাইছিল; কিন্তু তেওঁ কথিত অসমীয়া ভাষাত নাট ৰচনা নকৰি অৱহট্ট অপভ্ৰংশৰ পৰা উদ্ভৱ ব্ৰজধামৰ ভাষা 'ব্ৰজাৱলী বা ব্ৰজবুলি'ক মৈথিলী আৰু অসমীয়াৰ সংমিশ্ৰণ ৰূপত ব্যৱহাৰ কৰা দেখা যায়। এই কথাটোৱে প্ৰমাণ কৰে যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গোটেই পূৰ্ব ভাৰতৰ সকলো মানুহে বুজিব পৰাকৈ অংকীয়া নাটসমূহ ৰচনা কৰিছিল।

অংকীয়া নাটৰ অভিনয়েই হ'ল অংকীয়া ভাওনা। চৰিত পুথিত 'নাট গোৱা', ভাওনা কৰা (কথা গুৰু চৰিত, ১২৯-৫১৯) আদি আখ্যা পোৱা যায়। গুৰুজনাই ৰৰদোৱাত থাকোতেই ঊনৈশ বছৰ বয়সতে 'চিহ্নযাত্ৰা' অভিনয়েৰে প্ৰথম অংকীয়া ভাওনাৰ পাতনি মেলে। চৰিত পুথিতেই প্ৰথম ভাওনাখনত ব্যৱহৃত নেপথ্যভাগ এনেদৰে দিছে ঃ

(ক) পুস্ত বা ছোঁ ঃ পট, গৰুড়, ব্ৰহ্মা আৰু হৰৰ মুখা আৰু তেওঁলোকৰ যানসমূহ।

(খ) অলংকাৰ ঃ নূপুৰ, খাৰু, পদ্মমালা, পাটৰ শাড়ী, উচ্চ খোপা, আৰু সেন্দূৰৰ ফোঁট।

ভাওনাত পুৰুষেই তিৰোতাৰ ভূমিকাত অৱতীৰ্ণ হৈছিল আৰু তিৰোতাৰ নিচিনাকৈ সাজন-কাচন কৰিছিল। নিঃসন্দেহে সেই সময়ত সমাজত তিৰোতাসকলে ব্যৱহাৰ কৰা সাজ-পোছাককে ভাওনাৰ তিৰোতাসকলে ব্যৱহাৰ কৰিছিল।

অংকীয়া নাটসমূহৰ ভাওনাত আহাৰ্যৰ এটা উল্লেখযোগ্য দিশ হৈছে অংগ ৰচনা অৰ্থাৎ ৰং বৰণ ঘঁহা কাম। প্ৰতিটো ভাওনাত ৰং-বৰণ ঘঁহা কাম জনা এজন বিশেষ ব্যক্তি জড়িত আছিল। তেওঁক 'খনিকৰ' বোলা হয়। ভাওনাত এই খনিকৰজনৰ ভূমিকা বিশেষভাৱে বিস্তীৰ্ণ। ভাৱৰীয়াক ৰং-বৰণ কৰি দিয়া। তেওঁ ভাৱৰীয়াৰ কিৰীটি, জন্তুৰ নোমেৰে বিশেষভাৱে (ভয়ানক ৰূপ দি) কৰিবলগীয়া অসুৰৰ প্ৰতিশীৰ্ষ, ছোঁ আৰু পাগ আদি সজা কামো কৰিব লাগে।

অংকীয়া ভাওনাত ৰং-বৰণ তুলিবলৈ ব্যৱহৃত উপাদানসমূহ চাৰিবিধ আৰু ইহঁতে চাৰিটা স্বভাৱজ বৰণ প্ৰকাশ কৰিছে।

১। হাইতাল-প্ৰতিনিধিত্ব কৰা স্বভাৱজ বৰণ হালধীয়া

২। নীল-স্বভাৱজ বৰণ নীলা

৩। সেন্দূৰ-স্বভাৱজ বৰণ ৰঙা

৪। খৰিমাটি বা ধল প্ৰতিনিধিত্ব কৰা স্বভাৱজ বৰণ হ'ল বগা।


অংগ ৰচনাৰ পিছতে আহাৰ্যাভিনয়ৰ উল্লেখযোগ্য উপকৰণ হ'ল ইয়াৰ অলংকাৰ।

অলংকাৰ বুলিলে বেশ-ভূষা, কিৰীটি, মুকুট, চুলি আদি।

ভাওনাৰ পুৰুষ চৰিত্ৰৰ পোছাকৰ ভিতৰত ঊৰ্ধ্ব বাস হিচাপে চৌগা, চাপকন, চৌকন, সিংখাৰাপ, বালিচৰী চোলা, বুকু চোলা, বুটা (গুটি), জামদানি, জালি চোলা, মোগলাই টুপী ঠেঙা আদি। চোলাবোৰ সাধাৰণতে বগা আছিল যদিও ক'লা, লা বুলীয়া, হালধীয়া আৰু সুমথিৰা বুলীয়া কৰিও লোৱা হৈছিল। সূত্ৰধাৰ, গায়ন-বায়ন আদিৰ বাহিৰে নাট্য চৰিত্ৰবোৰৰ চোলা বিশেষ ধৰণেৰে গুণাৰ পটি মাৰি জেউতি চৰোৱা হৈছিল।

নাৰীৰ বস্ত্ৰ হিচাপে শাড়ীৰ উল্লেখ আছে আৰু শাড়ী পিন্ধাৰ বিশেষ ৰীতিটোক তেৰাই 'খোণ্টাজানি' বুলি অভিহিত কৰিছিল। এই ৰীতিত শাড়ী পিন্ধিলে ম'ৰাই চালি ধৰা যেন লাগে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাটত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰাৰ উপৰি স্থানীয়, ঘৰুৱা, জতুৱা ঠাঁচযুক্ত কথিত অসমীয়া ভাষাকো সংযোগ কৰিছিল। সংস্কৃত নাটকৰ নিচিনাকৈ ■ *নৱম পৃষ্ঠাত*



শংকৰদেৱৰ মানৱতাবাদী দৃষ্টিভংগী আৰু বৰ্তমানৰ সমাজ

শ্ৰীমন্ত শংকৰদেৱৰ পৰা আমি শিকিবলগা প্ৰথম আৰু আটাইতকায় গুৰুত্বপূৰ্ণ শিক্ষা হৈছে জাতি-ভেদহীন সমতাৰ আদৰ্শ। সমগ্ৰ ভাৰতবৰ্ষত জাত-পাত, অস্পৃশ্যতা আৰু উচ্চ-নীচৰ বৈষম্যই সমাজখনক জৰ্জৰিত কৰি ৰখাৰ সময়তে শংকৰদেৱে স্পষ্টভাৱে ঘোষণা কৰিছিল যে ঈশ্বৰৰ সৃষ্টিত সকলো মানুহ সমান। তেওঁৰ একশৰণ নামধৰ্মত কোনো সৰু-বৰ বা সম্প্ৰদায়ৰ বিভেদ নাছিল। ব্ৰাহ্মণৰ পৰা আৰম্ভ কৰি গাৰো, মিৰি, যৱন (মুছলমান), ভূটীয়াসকলকো তেওঁ একেখন আসনতে বহুৱাই নাম-কীৰ্তন কৰাৰ অধিকাৰ দিছিল। তেওঁ প্ৰচাৰ কৰিছিল যে 'কুকুৰ শৃগাল গাধৰো আত্মৰাম, জানিয়া সবাকো পৰি প্ৰণাম।' অৰ্থাৎ কেৱল মানুহেই নহয়, ধৰাৰ সকলো জীৱৰ মাজতে একেজন ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰি সকলোকে শ্ৰদ্ধা কৰাটোৱেই হৈছে প্ৰকৃত মানৱতা। বৰ্তমানৰ হিংসা, বিদ্বেষ আৰু মেৰুকৰণৰ সমাজখনত শংকৰদেৱৰ সমতা আৰু ভাতৃত্ববোধৰ শিক্ষা অতিশয় প্ৰয়োজনীয়।

সত্যব্ৰত বৰা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমীয়া জাতিৰ প্ৰাণস্বৰূপ, বহুমুখী প্ৰতিভাৰ অধিকাৰী, সমাজ সংস্কাৰক, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ আৰু একশৰণ নামধৰ্মৰ প্ৰচাৰক। ১৫-১৬ শতিকাতে তেওঁ অসমীয়া সমাজখনক নৱৰূপ প্ৰদান কৰিছিল। সেই প্ৰভাৱ আজিও প্ৰতিজন অসমীয়াৰ হৃদয়ত গভীৰভাৱে বৰ্তি আছে। ধৰ্মীয় দৃষ্টিভংগীৰে চালেই নহ'ব। এজন আদৰ্শ মানুহ হিচাপে জীয়াই থকাৰ বাবে, সমাজখনক সুস্থ আৰু পৱিত্ৰ কৰি ৰখাৰ বাবে শংকৰদেৱৰ জীৱন আৰু দৰ্শনৰ পৰা আমি শিকিবলগা নীতি-শিক্ষা অপৰিসীম। বৰ্তমানৰ আধুনিক তথা জটিল সমাজ ব্যৱস্থাত তেওঁৰ আদৰ্শ আৰু শিক্ষা অত্যন্ত প্ৰাসংগিক আৰু অনুকৰণীয়।

শ্ৰীমন্ত শংকৰদেৱৰ পৰা আমি শিকিবলগা প্ৰথম আৰু আটাইতকায় গুৰুত্বপূৰ্ণ শিক্ষা হৈছে জাতি-ভেদহীন সমতাৰ আদৰ্শ। সমগ্ৰ ভাৰতবৰ্ষত জাত-পাত, অস্পৃশ্যতা আৰু উচ্চ-নীচৰ বৈষম্যই সমাজখনক জৰ্জৰিত কৰি ৰখাৰ সময়তে শংকৰদেৱে স্পষ্টভাৱে ঘোষণা কৰিছিল যে ঈশ্বৰৰ সৃষ্টিত সকলো মানুহ সমান। তেওঁৰ একশৰণ নামধৰ্মত কোনো সৰু-বৰ বা সম্প্ৰদায়ৰ বিভেদ নাছিল। ব্ৰাহ্মণৰ পৰা আৰম্ভ কৰি গাৰো, মিৰি, যৱন (মুছলমান), ভূটীয়াসকলকো তেওঁ একেখন আসনতে বহুৱাই নাম-কীৰ্তন কৰাৰ অধিকাৰ দিছিল। তেওঁ প্ৰচাৰ কৰিছিল যে 'কুকুৰ শৃগাল গাধৰো আত্মৰাম, জানিয়া সবাকো পৰি প্ৰণাম।' অৰ্থাৎ কেৱল মানুহেই নহয়, ধৰাৰ সকলো জীৱৰ মাজতে একেজন ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰি সকলোকে শ্ৰদ্ধা কৰাটোৱেই হৈছে প্ৰকৃত মানৱতা। বৰ্তমানৰ হিংসা, বিদ্বেষ আৰু মেৰুকৰণৰ সমাজখনত শংকৰদেৱৰ সমতা আৰু ভাতৃত্ববোধৰ শিক্ষা অতিশয় প্ৰয়োজনীয়।

সামাজিক একতা আৰু কালজয়ী অনুষ্ঠান নিৰ্মাণৰ শিক্ষা শংকৰদেৱৰ আন এক ডাঙৰ অৱদান। তেওঁ অনুভৱ কৰিছিল সমাজখনক একত্ৰিত কৰি ৰাখিবলৈ হ'লে কিছুমান সামূহিক অনুষ্ঠানৰ প্ৰয়োজন হ'ব। সেই চিন্তাৰেই তেওঁ সৃষ্টি কৰিলে সত্ৰ আৰু নামঘৰ ব্যৱস্থা। উপাসনাৰ স্থলৰ বাহিৰেও নামঘৰ আছিল গাঁওখনৰ বিচাৰালয়, ক্ৰীড়া-সংৰক্ষণ আৰু সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰবিন্দু। প্ৰতিটো নামঘৰত সকলো লোক একত্ৰিত হৈ গণতান্ত্ৰিকভাৱে সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই ব্যৱস্থাই অসমীয়া সমাজত সামূহিক দায়িত্ববোধ আৰু সমবায় মানসিকতাৰ জন্ম দিছিল। বিশ্বায়ন আৰু ব্যক্তিকেন্দ্ৰিক সমাজত আমি একাকী হৈ পৰাৰ সময়ত শংকৰদেৱে শিকোৱা সামূহিক জীৱনশৈলী আৰু নামঘৰীয়া একতাৰ চৰ্চা নকৰিলে আমাৰ সামাজিক বুনিয়াদ শিথিল হৈ পৰিব।

ভাষা, সাহিত্য আৰু সংস্কৃতিৰ অৱদানৰ জৰিয়তে লোকশিক্ষাৰ ধাৰণাটো শংকৰদেৱৰ পৰা শিকিবলগীয়া আন এক উৎকৃষ্ট নিদৰ্শন। শংকৰদেৱে সাধাৰণ মানুহৰ মাজলৈ জ্ঞান আৰু আধ্যাত্মিকতা লৈ যাবলৈ সংস্কৃত ভাষাত আবদ্ধ হৈ থকা জটিল শাস্ত্ৰসমূহক স্থানীয় সৰল অসমীয়া তথা ব্ৰজাৱলী ভাষালৈ অনুবাদ কৰিছিল। তেওঁ কীৰ্তন ঘোষা, দশম, অংকীয়া নাট, ৰৱগীত ৰচনা কৰি জনসাধাৰণক সাহিত্য আৰু সংস্কৃতিৰ ৰসেৰে শিক্ষা প্ৰদান কৰিছিল। তেওঁ প্ৰমাণ কৰিছিল যে শিক্ষা আৰু সংস্কৃতি কোনো বিশেষ শ্ৰেণীৰ একচেটিয়া সম্পত্তি হক্সব নোৱাৰে। সাধাৰণ লোকক বুজিব পৰাকৈ মাধ্যম তৈয়াৰ কৰাৰ তেওঁৰ বৈজ্ঞানিক দৃষ্টিভংগী প্ৰতিজন শিক্ষক, সমাজকৰ্মী আৰু সাহিত্যিকৰ বাবে সদায় শিক্ষাৰ উৎস হৈ ৰ'ব।

নৈতিকতা, চৰিত্ৰ গঠন আৰু অহিংসাৰ শিক্ষাই শংকৰদেৱৰ সাহিত্য আৰু দৰ্শনৰ মূল আধাৰ। তেওঁ মানুহক কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎস্যৰ্যক দমন কৰি সৰল, সংযমী আৰু অনাসক্ত জীৱন যাপন কৰিবলৈ শিক্ষা দিছিল। তেওঁৰ ধৰ্মীয় ব্যৱস্থাত পশু বলি বা জীৱ হিংসাক সম্পূৰ্ণৰূপে বৰ্জন কৰা হৈছিল। অহিংসা, দয়া আৰু ক্ষমাৰ আদৰ্শেৰে মানুহৰ ভিতৰৰ দানৱীয় প্ৰবৃত্তিবোৰ আঁতৰাই দেৱত্ব জাগ্ৰত কৰাই আছিল তেওঁৰ উদ্দেশ্য। ভোগবাদী সংস্কৃতি আৰু উগ্ৰ প্ৰতিযোগিতাৰ মাজত নিজৰ মানসিক শান্তি হেৰুৱাই পেলোৱা আধুনিক মানুহৰ বাবে শংকৰদেৱৰ সংযম আৰু অনাসক্তিৰ আদৰ্শ এক ডাঙৰ পথপ্ৰদৰ্শন।

সংগীত, নৃত্য আৰু নাট্যশৈলীক সমাজ সংস্কাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ দক্ষতা শংকৰদেৱৰ জীৱনৰ পৰা শিকাটো অত্যন্ত দৰকাৰী। কেৱল ধৰ্মীয় উপদেশেৰে মানুহৰ মন জয় কৰিব নোৱাৰি, তাৰ বাবে ৰসাত্মক মাধ্যমৰ প্ৰয়োজন। সেইবাবেই তেওঁ চিহ্নযাত্ৰা, অংকীয়া নাট, ভাওনা, ৰৱগীত, খোল-তাল আৰু সত্ৰীয় নৃত্যৰ সৃষ্টি কৰিছিল। দৃশ্যমান বা শ্ৰাব্য মাধ্যমৰ জৰিয়তে নিৰক্ষৰ লোকসকলকো নৈতিক মূল্যবোধ আৰু ভাগৱতৰ জ্ঞান দিব পাৰি। সেয়া তেওঁ ৫০০ বছৰ আগতেই প্ৰমাণ কৰিছিল। সৃষ্টিশীলতাক সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ শিক্ষা প্ৰতিগৰাকী আধুনিক শিল্পী আৰু কলা-কুশলীৰ বাবে অনুকৰণীয়।

প্ৰকৃতি সংৰক্ষণ আৰু পৰিবেশ সচেতনতা শংকৰদেৱৰ জীৱনশৈলীৰ অন্যতম প্ৰধান দিশ আছিল। তেওঁ ৰোপণ কৰা আৰু সংৰক্ষণ কৰা গছ-গছনি, বৃক্ষৰোপণৰ প্ৰতি থকা অগাধ প্ৰেম তেওঁৰ কাব্য আৰু গুৰুচৰিতসমূহত স্পষ্টভাৱে দেখা যায়। 'একোটা বৃক্ষই দশটা পুত্ৰৰ সমান' —এই প্ৰাকৃতিক দৰ্শন শংকৰদেৱৰ শিক্ষাতেই অন্তৰ্নিহিত আছিল। তেওঁৰ সত্ৰসমূহত প্ৰাকৃতিক পৰিবেশ সংৰক্ষণ কৰা আৰু বিশুদ্ধ পৰিবেশত আধ্যাত্মিক চৰ্চা কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। গোলকীয় উষ্ণতা আৰু পৰিবেশ প্ৰদূষণৰ সংকটপূৰ্ণ সময়ত শংকৰদেৱৰ প্ৰকৃতিপ্ৰেম আৰু গছ-গছনি সংৰক্ষণৰ শিক্ষা সমগ্ৰ মানৱজাতিৰ বাবে অতি প্ৰাসংগিক।

উদাৰতা, সহনশীলতা আৰু আনৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাৱ শংকৰদেৱৰ ব্যক্তিত্বৰ এক উজ্জ্বল বৈশিষ্ট্য। তেওঁ নিজৰ মতাদৰ্শ প্ৰচাৰ কৰোতে কেতিয়াও কাকো জোৰজুলুম কৰা নাছিল বা বাকপটুতাৰে কাৰোবাৰ অনুভূতি আঘাত কৰা নাছিল। বিৰোধীসকলে তেওঁক নানা ধৰণে কষ্ট দিয়া সত্ত্বেও, ৰজাৰ ওচৰত অভিযোগ তুলি হাৰাশাস্তি কৰা সত্ত্বেও তেওঁ কিন্তু বিৰোধীৰ প্ৰতি কোনো ক্ৰোধ বা প্ৰতিশোধৰ ভাৱ ৰখা নাছিল। ৰৰঞ্চ তেওঁ যুক্তি, তৰ্ক আৰু শান্তিপূৰ্ণ উপায়েৰে সকলোকে সত্যৰ পথ দেখুৱাবলৈ চেষ্টা কৰিছিল। শংকৰদেৱৰ অসীম ধৈৰ্য আৰু উদাৰতা সঁচাকৈয়ে শিক্ষণীয়।

শ্ৰমৰ মৰ্যাদা আৰু আত্মনিৰ্ভৰশীলতাৰ শিক্ষাও শংকৰদেৱৰ জীৱনত স্পষ্টভাৱে ফুটি উঠিছিল। তেওঁ ধৰ্ম প্ৰচাৰক আছিল যদিও সংসাৰ ত্যাগ কৰি সন্ন্যাসী হোৱা নাছিল। তেওঁ আছিল গৃহস্থ। নিজৰ পৰিয়াল চম্ভালি, কৃষি আৰু ব্যৱসায়-বাণিজ্যৰ প্ৰতি গুৰুত্ব দি তেওঁ সমাজ সংস্কাৰৰ কাম কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে কৰ্মই ধৰ্ম। অংকীয়া নাট ভাওনাৰ বাবে কাপোৰ বোৱা, ৰং প্ৰস্তুত কৰা, খোল প্ৰস্তুত কৰা, তুল পাতত সাঁচিপাত তৈয়াৰ কৰি পুথি লিখা কাম তেওঁ আৰু তেওঁৰ শিষ্যসকলে নিজৰ হাতেৰে কৰিছিল। আত্মনিৰ্ভৰশীল হোৱাৰ প্ৰেৰণাই অসমীয়া সমাজখনক স্বাৱলম্বী হ'বলৈ শিকায়।

নমনীয়তা আৰু সময়োপযোগী পৰিৱৰ্তনৰ শিক্ষা ■ ১০ পৃষ্ঠাত



অংকীয়া নাট ভাওনাত শ্রীকৃষ্ণৰ চৰিত্র এটি আলোকপাত

ড° কমল চন্দ্র নাথ

শংকৰদেৱ গুৰুজনাৰ অপূর্ব সৃষ্টি অংকীয়া নাট ভাওনাৰ কথা থাউকতে কৈ শেষ কৰিব নোৱাৰি। এয়া জাতিৰ জনক তথা অসমীয়া সংস্কৃতিৰ স্রষ্টা গুৰুজনাৰ এক অপূর্ব ভক্তি দর্শনৰ নিদর্শন। আনকি গুৰুজনাৰ গুণ-গৰিমা বা যশ-কীর্তিও আমি আলোচনা কৰি শেষ কৰিব নোৱাৰো, বৰং ইয়াৰ গুণানুকীর্তনহে আমাৰ পক্ষে সম্ভৱ। বৈষ্ণৱ যুগৰ এই অপাৰ সাহিত্য সমুদ্র মন্থন কৰি গুৰুজনাই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিলৈ যি উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গ'ল সেয়া বিশ্বৰ ভিতৰতে অদ্বিতীয়। গীতে-মাতে-কথাই, ভাবে-ভাষাই এক অদ্বিতীয় কলাৰ পৰিচয় ফুটি উঠে। সময়ৰ লগত খাপ খোৱাকৈ জনসাধাৰণৰ মাজত একেশ্বৰবাদী মনোভাব বা ঈশ্বৰত্বৰ ভাব কেনেকৈ পোষণ কৰিব লাগে সেই কথা গুৰুজনাই সেই সময়ৰ সমাজখনৰ লগত হোৱা মিলামিচাৰ দ্বাৰাই উপলব্ধি কৰিছিল। যাৰ ফলস্বৰূপে কালক্রমত এনে কিছুমান সিদ্ধান্ত লৈছিল, যিবিলাকে পৰৱর্তী সময়ত বৈষ্ণৱ ধর্মৰ প্রতি জনসাধাৰণৰ বিশ্বাস আৰু অসমীয়া ধর্ম-সংস্কৃতি ঠন ধৰি উঠাত অৰিহণা যোগাইছিল। এইবোৰ কৰিবলৈ যাওঁতে তেৰাই গোটেই ভাৰতবর্ষৰ বিভিন্ন ধর্মীয় কলা-সংস্কৃতিৰ লগত নিজকে পৰিৱেশৰ দ্বাৰা বিলীন কৰি সেইবোৰৰ পৰা মৌ সংগ্রহ কৰি সেইবোৰ উপাদানৰ ভিত্তিত অর্থাৎ ওজাপালি, পুতলা নাচ, ঢুলীয়া, ভাওনা আদি ভাৰতৰ বিভিন্ন প্রদেশৰ নৃত্য-গীতৰ ওপৰত চিন্তা-চর্চা কৰি নিজাববীয়াকৈ কিছু সালসলনি ঘটাই অসমৰ জনমানসত দ খাচ বহুৱাই এক বিৰল সাক্ষী হিচাপে চিহ্নিত কৰিলে আজি আমাৰ সকলোৰে চিৰ পৰিচিত অংকীয়া নাটকৰ। যাৰ সুদূৰপ্রসাৰী প্রভাৱ আজি প্রতিগৰাকী অসমীয়াৰ প্রাণৰ কোঁহে কোঁহে উপলব্ধ। কালক্রমত যাৰ নাম আজি আমাৰ মনত অংকীয়া নাট ভাওনা হিচাপে খ্যাত হৈ পৰিল। সঁচাই এয়া আমাৰ কেনে বিৰল অনুভূতি।

ভগৱানৰ প্রতি থকা ভক্তি বা বৈষ্ণৱ ধর্মৰ ওপৰত থকা নিৰন্তৰ আৰাধনাৰ যি প্রচেষ্টা সেয়া সম্ভৱ হৈছে একমাত্র মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজিৰ অপূর্ব কলা শৈলী আৰু বিশ্বাসৰ মাদকতাত। অংকীয়া নাটকৰ মূল লক্ষ্যই হৈছে ভগৱান শ্রীকৃষ্ণৰ গুণানুকীর্তন কৰা। য'ত ফুটি উঠে ধর্মৰ জয় আৰু অধর্মৰ পৰাজয়। অংকীয়া নাটকৰ মূল কাহিনীভাগ আগবঢ়াই নিবলৈ সূত্রধাৰজনে আৰম্ভণিৰে পৰা মূলসুঁতি বা চৰিত্র হিচাপে থাকি গায়ন-বায়নৰ সহযোগত সকলো কার্য পৰিচালনা কৰে। আজিকালি অৱশ্যে সেই পূর্বৰ অর্থাৎ শংকৰী যুগৰ সম্পূর্ণ ব্রজাৱলী ভাষা বা সংস্কৃত ভাষাৰ শ্লোকো সম্পূর্ণ বা নির্ভুলভাৱে মুখত ফুটি নুঠে। তাৰ পৰিৱর্তে প্রায় অসমীয়া ভাষাৰ প্রচলন হোৱা বাবে আচল নাটকীয় সোৱাদ পোৱাৰ পৰা জনসাধাৰণ বঞ্চিত হ'বলৈ ধৰিলে। ইয়াৰ বাবে আমিয়েই জগৰীয়া। অসমীয়া ভাওনা বা অংকীয়া নাটৰ প্রকৃত ৰহস্যও ইয়াত বিচাৰি পোৱা নাযায়। সুন্দৰ ব্রজাৱলী ভাষাৰ প্রয়োগে নাটকীয় সুৰ সঞ্চাৰ আৰু লয়ৰ ক্ষেত্রত বিশেষ প্রভাৱ পেলায়। আমাৰ মৰিগাঁও অঞ্চলত ঠায়ে ঠায়ে প্রচলিত হৈ থকা 'কেলিগোপাল নাট' বা 'ৰাসক্রীড়া'ৰ সূত্রধাৰৰ প্রৱেশৰ গীতটো তলত উল্লেখ কৰা হ'ল—

গীতৰাগ- নান্দী সোহাই মান একতালি

'শৰত শশী নিশি ধৱলি অধিক।
লহ লহ মলয়া পৰত তথি থিক।।

পদ—

জয় জয় গোপীনাথ কৈয়ো পৰনাম।
পূৰণ কৈয়ো কেলি গোপীনিক কাম।।

পঞ্চম পুৰী পুনু গায়ত গীত।
মুহিত হৈয়া ব্রজ যুৱতী চিত্ত।।
ইটো চেতন মন মন নিজবান।
কৃষ্ণৱ কিঙ্করে উহি শঙ্করে গান।।'

গীতটোৰ দ্বাৰা সূত্রধাৰজনে নৃত্য আৰম্ভ কৰে। কঁকালত ঘুৰি, মূৰত মোগলাই পাগ আৰু ডিঙিত চেলেং চাদৰ, ভৰিত নূপুৰ পিন্ধি গহীন ভাব-ভাষাৰে গীতৰ তালে তালে নাচিবলৈ ধৰে।

সূত্রধাৰে সভাত প্রৱেশ কৰিয়েই নিজৰ আৰম্ভণী গীত-নৃত্যৰ মাজেৰে সুন্দৰ কৰি থুলমূলভাৱে আজি সমাজত কি নাটক অভিনয় কৰা হ'ব, লগতে নাটকখনৰ মূল কাহিনীও ৰাইজক বুজাই দিয়ে। শেষত—

মই যিগৰাকী সেই মহান পুৰুষ শ্রীভগৱন্তৰ কথা ক'বলৈ গৈ আছো— 'উহি সভা মধ্য পৰম কৌতুকে নৃত্য কৰব। তাহেক সাৱধানে দেখহ শুনহ' বুলি কৈ সূত্রধাৰজনে প্রস্থান কৰে। লগে লগে গায়ন-বায়নৰ গীতৰ তাল আৰু খোলৰ ছেৱত লয়লাস ভংগিমাৰে মুখত মিঠা হাঁহি এটা লৈ শ্রীকৃষ্ণৱ প্রৱেশ হয়। ইতিমধ্যে সূত্রধাৰজনে প্রথমেই অগ্নিগড়ৰ তলেৰে বিশ্বাসৰ আঁৰ কাপোৰৰ মাজেৰে নাটকৰ মঞ্চ মুকলি কৰি থৈ গৈছে। ওপৰত উল্লেখ কৰা ধৰণেৰে গায়ন-বায়নে খোল-তালৰ দ্বাৰা এটি গীতৰ মাজেৰে কৃষ্ণ প্রৱেশৰ নৃত্য আৰম্ভ কৰিলে। এই গীতটি কেলিগোপাল নাট আৰু অন্য অসমীয়া ভাওনাৰ গীত বা নাচটোও বেলেগ। আমাৰ অঞ্চলত প্রচলিত 'অভিমন্যু বধ' নাটকৰ শ্রীকৃষ্ণ প্রৱেশৰ গীতটো তলত উল্লেখ কৰা হ'ল—

গীত ৰাগ সিন্ধুৰা একতালি

'আৱত যদু�ৰাই কয়ো পৰৱেশ।
সংগে পাণ্ডব চলে দেখিতে সুবেশ।।

শ্যাম শৰীৰ জলে কিৰিটি উজ্জ্বল।
শ্রীবৎস মুকুতা হাৰ জ্বলে বক্ষস্থল।।
কমল লোচন চাৰু অৰুণ নয়ন।
পংকজ বিনাশ ইটো শৰীৰ শোভন।।
পীত বস্ত্রে শোভে অতি কঙ্কালে কিংকিনী।
পাৱত নূপুৰ সব বাজে ৰিণি জিনি।।
পৰম আনন্দ কৰি চলে যদু�ৰাই।
কৃষ্ণৱ কিংকৰে ভনে এহি গুণ গাই।।'

গীতটো গোৱাৰ লগে লগে কৃষ্ণৱ নৃত্য আৰম্ভ হয়। হাত আৰু কঁকালৰ সুন্দৰ ভংগিমাৰে কৰা নৃত্যই সকলোৰে মন মোহিত কৰে। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে ঠাইভেদে কৃষ্ণ প্রৱেশৰ নৃত্যটো সালসলনি হোৱা দেখা যায় যদিও কৃষ্ণৱ চৰিত্রটো কিন্তু ঠিকেই অংকন কৰে। এয়াই কৃষ্ণৱ প্রতি থকা আমাৰ ধাৰণা, গভীৰ শ্রদ্ধা-ভক্তি আৰু বিশ্বাসৰ পৰম্পৰা।

শ্রীকৃষ্ণ হিন্দু দর্শনৰ মূল উপাস্য দেৱতা। নাটক হ'ল দৃশ্য কাব্য। গীতে-মাতে যিমানেই ভগৱানৰ কথা কওক বা গুণানুকীর্তন নকৰক কিয়, নাটকতহে ইয়াৰ আচল বা প্রকৃত ৰূপটো প্রত্যক্ষ কৰা যায়। যাক সঁচা অর্থত অন্তৰৰ পৰা শ্রীকৃষ্ণ বুলি ভবা হয়। মাংগলিক যিকোনো অনুষ্ঠান এটাত প্রথমে যেনেকৈ ভগৱানৰ আৰাধনা কৰা হয়, ঠিক তেনেকৈ অংকীয়া নাট বা অসমীয়া ভাওনা এখনতো প্রথমে শ্রীকৃষ্ণৱ প্রৱেশ ঘটাইহে অন্য ভাৱৰীয়াক প্রৱেশ কৰোৱায়। এয়া বৈষ্ণৱ ধর্মৰ বা ভাৰতীয় দর্শনৰ মূল তত্ত্ব।

অদ্বিতীয় গ্রন্থ ভাগৱত পুৰাণৰ আধাৰত বা গুৰুজনাৰ কীর্তনৰ আর্হিত আমি শ্রীকৃষ্ণৱ ৰূপৰ কল্পনা এনেদৰে কৰিব পাৰো।

'কৃষ্ণৱৰূপে দৈৱকীত হৈলা অৱতাৰ
শংখ চক্র গদা পদ্ম, কৰত তোমাৰ
পীত-বস্ত্রে শোভে আতি শ্যাম কলেৱৰ
কমল-লোচন চাৰু অৰুণ অধৰ
সুন্দৰ নাসিকা কর্ণে মকৰ কুণ্ডল
কণ্ঠত কৌস্তভ শিৰে কিৰীটি উজ্জ্বল
আপাদ-লম্বিত বনমালা জ্বলে গ'লে
শোভে আতি শ্রীবৎস বহল বক্ষস্থলে'।

মহাপুৰুষ গুৰুজনাই দিয়া ভগৱন্ত কৃষ্ণৱ এয়া অপূর্ব ৰূপ লাৱণ্য। ভকতৰ হৃদয় চকুত এই ৰূপ সদায় সঞ্চাৰ হৈ থাকে, যাৰ কোনো তুলনাই নাই। এয়া চকুৰ বর্ণনা নহয়, হৃদয়ৰ নিভৃত কোণৰ পৰা অহা কোনেও মচিব নোৱৰা এখন সঁচা চিত্র।

মূৰত কিৰীটি, মুকুট, ম'ৰা পাখি, বুকুত কৌস্তভমণি, চুলি, হাতত বাঁহী, কঁকালি, পিঠীয়া, বুকালি, বাজু, নূপুৰ, শ্যামবৰণীয়া ৰং, পীতবস্ত্র, ডিঙিত বনফুলৰ মালা, চকুত কাজল আদিৰে ভাগৱত আধাৰিত কৃষ্ণ এগৰাকীৰ ৰূপৰ কল্পনা কৰি আমি সেয়ে সদায় ভাল পাওঁ।

বিষ্ণুৱ অৱতাৰ স্বয়ং ভগৱান কৃষ্ণ বুলি অভিহিত কৰা হয়। যাক গীতাৰ প্রৱর্তক আৰু মহাভা�ৰতত কূটনীতিজ্ঞ হিচাপেও কল্পনা কৰা হয়। তেওঁৰ অধিস্থান গকুল, দ্বাৰকা, বৃন্দাবন হিচাপে ধৰা হয়। দুষ্টক দমনৰ বাবে মূল অস্ত্র হিচাপে সুদর্শন চক্র হাতত সদা বিৰাজমান। দুষ্টক দমন আৰু সন্তক পালন এয়াই আমাৰ কৃষ্ণ চৰিত্রৰ মূল তাৎপর্য। গড়ুৰ পক্ষী বাহন আৰু দাম্পত্য মূল সংগী হিচাপে ৰাধা, ৰুক্মিণী, সত্যভমাক ধৰা হয় বুলি বিভিন্ন ঠাইত উল্লেখ পোৱা যায়। সেয়ে তেওঁক সততে ভিন্নৰূপে কল্পনা কৰা হয়। এনে এটা চৰিত্রৰ ৰূপত ভাও দিবলৈ সঁচাকৈ এগৰাকী সুযোগ্য ব্যক্তিৰেই দৰকাৰ। যাৰ ভাব-ভাষাতো মার্জিত ৰুচিৰ সম্ভেদ পোৱা যায়।

এটা সময়ত গাঁৱৰ খেল সমাজত সমজুৱাই এগৰাকী বিশেষ প্রতিভাসম্পন্ন ব্যক্তিক কৃষ্ণৱ ভাৱৰ বাবে বহু বিচাৰ-খোঁচাৰ কৰিহে নির্বাচন কৰিছিল। যিগৰাকী সততে লোক দৃষ্টিত সৎ পুৰুষ হিচাপে সমাজত পৰিচিত। নির্দিষ্ট নীতি-নিয়মৰ মাজত সীমাবদ্ধ হৈ থাকে। নিয়ম সংযমৰ মাজেদি জীৱন নির্বাহ কৰে লগতে মার্জিত ৰুচিসম্পন্ন। কোনো নিচাসক্ত দ্রব্যৰ প্রতি আকর্ষিত নহয়। যি অল্প আৰু সততে হাঁহিৰে মৃদুভাষী হয়। যাৰ দেহত লয়লাস ভংগিমাৰ উমান পোৱা যায়, যাৰ কণ্ঠৰ গতি সুন্দৰ আৰু উন্নত মানৰ। গলাই গীত ৰাগৰ প্রকাশ ঘটায়। গীত, পদ, পয়াৰ, লেচাৰী, ■ ১০ পৃষ্ঠাত

চতুর্থ পৃষ্ঠাৰ পৰা ঃ —

বন্ধুত্ব

বৃদ্ধি পাইছে। এয়া জনসাধাৰণৰ কাৰণে অতি মর্মান্তিক ঘটনা হৈ পৰিছে। এনেবোৰ পৰিৱেশ-পৰিস্থিতিৰ প্ৰতি মানুহক সজাগ কৰিবলৈ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ে আনকি বন্ধুত্বৰ পাঠ্যক্ৰমো আৰম্ভ কৰিছে। সমাজতাত্ত্বিক ব্যক্তিসকলে ক'ব বিচাৰে এয়া কেৱল সামাজিক সমস্যাই নহয়, এটা সাধাৰণ বিষয়েই নহয়, ই এক সাংস্কৃতিক সমস্যাও। বন্ধুত্বৰ বাবে সময় উলিওৱাটো এতিয়া কেৱল বিলাসিতা বুলি ভাবিলে ভুল কৰা হ'ব, এয়া সমাজৰ বাবে এক চিন্তনীয় বিষয় হৈ পৰিছে। মানুহবোৰ নিঃসংগ হৈ পৰিছে। বর্তমান সময়ত নিঃসংগতা এটা নিচালৈ পৰিণত হৈছে। জনসমাজত এনে ধাৰণা সৃষ্টি হৈছে, বন্ধুত্বৰ মূল্য নিদিলে নতুন বন্ধুৱেই নহয় আনকি পুৰণি সম্পর্কবোৰো যেন আমি হেৰুৱাই পেলাবলৈ বাধ্য হ'ম, এনে ধাৰণা হৈছে জনসাধাৰণৰ।

নিঃসংগ হ'লেই মানুহ অসুখী হৈ পৰে। সঁচা বন্ধুত্বৰ মৰম-চেনেহ আৰু আত্মীয়তাই মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা দিব। এই কথাও গৱেষণাত প্ৰকাশ পাইছে যে নিঃসংগতাই হৃদৰোগ, ডিমেনছিয়া, অকাল মৃত্যু হোৱাৰ সম্ভাৱনাৰ কথাকেই সূচায়। ওপৰত উল্লেখ কৰা ৰোগকেইটাৰ লক্ষণ দেখিলে অকাল মৃত্যু হোৱাৰ সম্ভাৱনাই বেছি। এই বেমাৰৰ লক্ষণসমূহ দিনে ১৫ টা কৈ চিগাৰেট খোৱাৰ দৰে ক্ষতিকাৰক। মানুহৰ মানসিক-শাৰীৰিক আৰু আৱেগিক স্বাস্থ্য অক্ষুণ্ণ ৰখাত বন্ধুত্বই ঔষধৰ দৰে কাম কৰে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এক গৱেষণাত প্ৰকাশ পাইছে যে ৮০ বছৰীয়া এক গৱেষণা অধ্যয়ন অনুসৰি প্ৰকৃত সুখ আৰু স্বাস্থ্য অটুট ৰখাৰ মূল চাবিকাঠী হ'ল মানুহৰ পৰস্পৰৰ মাজত ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি জীৱন যাপন কৰাটো। এই কথাও ঠিক। বিভিন্ন উপায়েৰে টকা উপার্জন কৰিব পাৰি। মানুহৰ ষ্টেটাছ সলনি কৰিব পাৰি কিন্তু প্ৰকৃত বন্ধু হ'ল প্ৰতিটো পৰিস্থিতিত আপোনাৰ কাষত থিয় হ'ব পৰাজনহে সঁচা বন্ধু। বন্ধুত্ব হৈছে এক স্থায়ী সম্পত্তি যি কেতিয়াও ক্ষয় নহয়। গতিকে কেৱল মানুহৰ লগত চিনাকি হোৱাটোৱেই একমাত্ৰ কথা নহয়, প্ৰকৃত বন্ধুত্বক গুৰুত্ব দিয়া উচিত। কাৰণ প্ৰকৃত বন্ধুজনহে আমাৰ বাবে প্ৰকৃত ধন। প্ৰকৃত বন্ধুজনতকৈ আন সম্পদ ডাঙৰ হ'ব নোৱাৰে। সম্পদ টকা-পইচাৰেও গঢ়িব পাৰি কিন্তু সঁচা বন্ধুত্ব গঢ়িব নোৱাৰি। সঁচা বন্ধুত্বক গঢ়িবলৈ আপ্ৰাণ চেষ্টা কৰক, সময় উলিয়াওক আৰু প্ৰকৃত বন্ধুৰ লগত জীৱনটো অধিক সুন্দৰভাৱে গঢ়িবলৈ চেষ্টা কৰক। এই কথাটো সকলোৱে অকপটে স্বীকাৰ কৰে যে বন্ধুত্বইহে আমাৰ জীৱন সুৰক্ষিত কৰি ৰাখিব পাৰিব। জীৱন বীমা আমি আমাৰ বিত্তীয় সুৰক্ষাৰ বাবে কৰো; কিন্তু বন্ধুত্ব ই আমাক সু-স্বাস্থ্য আৰু দীর্ঘায়ু জীৱন যাপনত অভূতপূর্ব সঁহাৰি আগবঢ়াব। সংগীত যেনেকৈ সুস্থ জীৱন যাপনৰ বাবে প্ৰেমৰ আহাৰ বন্ধুত্ব তেনেকৈ সুখ আৰু সমৃদ্ধিৰ চিৰন্তন সুখৰ আলয়।

বন্ধুত্বৰ কথা প্ৰসংগত আৰু দুটামান দিশৰ কথা উল্লেখ কৰিব পাৰি। আৰম্ভণিতে উল্লেখ কৰা হৈছে, মানুহেই মানুহৰ একমাত্ৰ বন্ধু নহয়। প্ৰকৃতিৰ লগ মানুহে বন্ধুত্ব কৰিব পাৰে।

পাশ্চাত্যৰ দেশত দেখা দিয়া ধৰণেৰে আমাৰ দেশখনতো মানুহৰ মাজত নিঃসংগতাই বিৰাজ কৰা আমি দেখি আহিছো। নিঃসংগতা আঁতৰ কৰিবলৈ সামাজিক-সাংস্কৃতিক-শৈক্ষিক শিল্পকলাৰ পৰা সাহিত্য চর্চালৈ আমি তেনেবোৰ দিশত গুৰুত্ব দিব পাৰো। গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব পাৰিলে মানুহ চাগৈ বন্ধুত্বৰ শাৰীলৈ উন্নীত হ'ব পাৰিব। খেলা-ধূলাৰ পৰা শালীনতাবোধ ৰক্ষা কৰি চলা আমোদ-প্ৰমোদবোৰেও চাগৈ মানুহৰ অৱসাদ কিছু আঁতৰ কৰিব পাৰিব। সামাজিক উৎসৱ-পার্বণত অংশগ্ৰহণ কৰিলেও মানুহ কিছু পৰিমাণে অৱসাদমুক্ত হ'ব পাৰিব। বন্ধুত্বই দিব পৰা বিমল আনন্দ অইনে দিব নোৱাৰিলেও প্ৰার্থনা আৰু তাত্ত্বিক দিশৰ চিন্তা-চর্চাত গুৰুত্ব আৰোপ কৰিলে মানুহৰ বিষাদ কিছু হ্ৰাস পাব বুলি অনুমান কৰিব পাৰি। ধ্যান আৰু প্ৰার্থনাৰ মাজেৰেও সর্বসাধাৰণে জীৱনটো উদ্‌যাপন কৰিবলৈ ল'লে বন্ধুত্বৰ উপৰি আত্মসংযমৰ দ্বাৰা নিজৰ নিঃসংগতা দূৰ কৰিব পাৰিব বুলি সচেতন মহলে বিশ্বাস কৰে। ■

ষষ্ঠ পৃষ্ঠাৰ পৰা ঃ —

অংকীয়া নাট আৰু ভাওনাৰ বৈশিষ্ট্য

অংকীয়া নাটো গদ্য আৰু ছন্দোবদ্ধ ৰচনাৰ সংমিশ্ৰণ।

অংকীয়া নাটত শ্লোক আৰু গীত-পদেই সৰহভাগ ঠাই জুৰি আছে। সেইবোৰৰ তুলনাত সংলাপে ক্ষীণ অংশহে জুৰি আছে। তদুপৰি সংলাপত যি গদ্য ব্যৱহাৰ কৰা হৈছে সিও আচলতে লয়যুক্ত এক প্ৰকাৰৰ কাব্যিক গদ্যহে। ড° মহেশ্বৰ নেওগৰ মতে 'সি ছন্দোময় কাব্য ভাষাৰ এটি ৰূপান্তৰ মাথোঁ'। সুৰ, অনুপ্রাস, অন্ত্যানুপ্রাস আদিৰে এই ভাষা সঁচাকৈয়ে কাব্যময়। এছোৱা উদ্ধৃতিৰ পৰাই এই কথা অধিক স্পষ্টভাৱে বুজা যায়।

'তদনন্তৰ কৃষ্ণক বিৰহ তাপে তাপিত হুৱা ৰুক্মিণী ঘন ঘন কৃষ্ণ কথা জল্পাই, দিশ দিশ আন্ধিয়াৰি দেখিয়ে মূর্চ্ছিত হুৱা পৰল। তা দেখিএ সখী মদনমঞ্জুৰি সখী লীলাৱতী হাহাকাৰ কয় অতি সত্ত্বৰে বাহু মেলি ধৰল, শিৰে সিঞ্চল, আঞ্চোৱে বিফিকহো আশ্বাসে বোলল।' (ৰুক্মিণী হৰণ)

নাট্য কাহিনীৰ জঁকা নির্মাণ কৰা হৈছে। সংস্কৃত শ্লোকসমূহৰ দ্বাৰা আৰু গীত-পদ আৰু সংলাপে তাত ৰক্ত মাংস সংযোগ কৰিছে। অংকীয়া নাটত গীত-পদৰ বিশেষ স্থান থাকিলেও কথাভাগৰ জৰিয়তেও সমস্ত কাহিনী জনসাধাৰণৰ ওচৰ চপাকৈ দিয়া হয়। নাটকীয় কথাৰ দুটা ভাগ— কথা আৰু ভাৱৰীয়াৰ বচন। ভাৱৰীয়াই বচন মতাৰ উপৰি পৰিস্থিতিৰ ব্যাখ্যা কৰে, চৰিত্ৰৰ আগমনৰ বতৰা দিয়ে আৰু চৰিত্ৰৰ উক্তিৰ মাজত যোগসূত্ৰ স্থাপন কৰি ঘটনাৰ আঁত ধৰাত দর্শকক সহায় কৰে।

অংকীয়া নাটৰ বিষয়বস্তু ভাগৱত পুৰাণ, হৰিবংশ, ৰামায়ণৰ আদিকাণ্ডৰ পৰা সংগ্ৰহ কৰা হৈছে।

থূলমূলকৈ ক'বলৈ গ'লে অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ হ'ল—

১। সূত্ৰধাৰ চৰিত্ৰৰ প্ৰাধান্য।

২। গীত, ভটিমা (ৰাজ ভটিমা, দেৱ ভটিমা আৰু নাট ভটিমা) আৰু পয়াৰৰ প্ৰয়োগ।

৩। নৃত্যৰ প্ৰাধান্য।

৪। ব্ৰজাৱলী বা ব্ৰজবুলি ভাষাৰ ব্যৱহাৰ।

৫। লয়যুক্ত গদ্যৰ প্ৰয়োগ।

৬। কথিত অসমীয়া ভাষাৰ জতুৱা ঠাঁচ, ফকৰা যোজনা আৰু প্ৰবচন আদিৰ প্ৰয়োগ।

৭। মুখাৰ ব্যৱহাৰ।

ড° সত্যেন্দ্ৰনাথ শর্মাৰ মতে অংকীয়া নাটত সূত্ৰধাৰে একাধাৰে গায়ক, নর্তক, ঘোষক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক। তেওঁ নান্দী শ্লোক পাঠ, প্ৰাৰম্ভিক ভটিমা গোৱা, ভক্তিমূলক নৃত্য পৰিৱেশন, নাটৰ নাম, গীত আৰু নৃত্যৰ জৰিয়তে নাটৰ চৰিত্ৰ অনুসাৰে সংলাপ আওৱায়। যেনে— 'আহে সভাসদ, কি বাদ্য বাজত, দেৱ দুন্দুভী বাজত। আহা, মিলল মিলল, পৰম পিতা শ্ৰীকৃষ্ণ মিলল।'

এনেদৰে নাটৰ চৰিত্ৰসমূহৰ প্ৰৱেশ ঘটাই কি কৰিব লাগিব বা কি ক'ব লাগিব, তাক নির্দেশ দিয়ে।

এনেদৰে অভিনয় সমাপ্ত নোহোৱালৈকে মঞ্চত থাকি সূত্ৰধাৰজনে মুক্তি মংগল ভটিমাৰ যোগেদি নাটকৰ পৰিসমাপ্তি ঘটায়। সূত্ৰধাৰে দেৱ ভটিমা, ৰাজ ভটিমা আৰু নাট ভটিমা প্ৰয়োগ কৰি নাটৰ পৰিৱেশ আৰু পৰিস্থিতিৰ ইংগিত দিয়ে। আনহাতে চৰিত্ৰ অনুসৰি নৃত্যৰ ভংগিমাও বেলেগ বেলেগ হয়। সূত্ৰধাৰে কৃষ্ণৰ প্ৰৱেশৰ সময়ত দেৱত্ব আৰোপ কৰি নৃত্য প্ৰদর্শন কৰে; আনহাতে শিশুপালৰ প্ৰৱেশৰ সময়ত স্বাভাৱিকভাৱে নৃত্য প্ৰদর্শন কৰে। অংকীয়া নাটৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ মুখাৰ ব্যৱহাৰ। মুখাৰ ব্যৱহাৰে সৰল নিৰক্ষৰ দর্শকক নাটকৰ বিষয়বস্তু বুজি পোৱাত সহজ হোৱাৰ লগতে অভিনয়ক অধিক প্ৰাণৱন্ত কৰি তোলা হয়। মুঠতে, অংকীয়া নাট আৰু ভাওনাসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ভক্তি মার্গ তথা একশৰণ নামধর্মৰ মূল দর্শন অসমীয়াৰ জনমানসত বোধগম্য হোৱাকৈ ৰেখাপাত কৰাৰ লগতে অসমীয়া ভাষা, কলা, কৃষ্টি, সংস্কৃতি, সাহিত্য, সংগীত আদিক নৱৰূপ দান কৰি অসমীয়া জাতিৰ বৰ ভেটি চিৰস্থায়ীভাৱে নির্মাণ কৰি গ'ল। এই চিৰনমস্য গুৰু শ্ৰীমন্ত শংকৰদেৱক প্ৰণিপাত জনাই 'অংকীয়া নাট আৰু ভাওনাৰ বৈশিষ্ট্য' নামৰ প্ৰবন্ধটিৰ সামৰণি মাৰিলো। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

আত্মনির্ভৰশীলতা আৰু নতুন প্ৰজন্ম

যদি তেওঁলোকে নিজৰ বহুমূলীয়া সময় আৰু শক্তি নতুন ব্যৱহাৰিক জ্ঞান অর্জনত, কাৰিকৰী দক্ষতা বৃদ্ধিত বা নির্দিষ্ট উৎপাদনমুখী কামত ব্যয় কৰে, তেতিয়াহে তেওঁলোক প্ৰকৃত অর্থত স্বাৱলম্বী হ'ব পাৰিব। আৱেগিক নির্ভৰশীলতাও মানুহৰ আত্মবিকাশৰ এক অতি ভয়ংকৰ শত্ৰু। সমাজৰ সন্মতি বা পৰিয়ালৰ প্ৰশংসা অবিহনে কোনো কাম কৰিব নোৱাৰা মানসিকতাই মানুহক মানসিকভাৱে পংগু কৰি পেলায়। এজন প্ৰকৃত আত্মনির্ভৰশীল ব্যক্তিয়ে অত্যন্ত নিষ্ঠুৰতাৰে নিজৰ লক্ষ্য নির্ধাৰণ কৰে আৰু সেই লক্ষ্যত উপনীত হ'বলৈ যিকোনো পৰিশ্ৰম কৰিবলৈ সদায় সাজু থাকে, তাত আনৰ সন্মতি বা সমর্থন থাকক বা নাথাকক। জীৱনৰ দীঘলীয়া বাটত ব্যর্থতা অহাটো একেবাৰেই স্বাভাৱিক কথা; কিন্তু সেই ব্যর্থতাক আনৰ বা পৰিস্থিতিৰ ওপৰত জাপি দিয়াৰ সলনি নিজৰ ভুলৰ কঠোৰ পর্যালোচনা কৰি নীৰৱে আগবাঢ়ি যোৱাটোহে এক পৰিণত আৰু শক্তিশালী মনৰ লক্ষণ। নতুন প্ৰজন্মই এই কথা গভীৰভাৱে বুজিব লাগিব যে পৃথিৱীখনে কাকো কোনো কাৰণতে একো দিবলৈ বাধ্য নহয়; ইয়াত প্ৰতিটো সুবিধা, প্ৰতিটো স্বীকৃতি আৰু প্ৰতিটো অধিকাৰ কেৱল নিজৰ যোগ্যতা আৰু শ্ৰমৰ জৰিয়তেহে আদায় কৰি ল'ব লাগিব। এই কঠোৰ আৰু অপ্ৰিয় সত্যটো তেওঁলোকে যিমানে সোনকালে উপলব্ধি কৰিব, সিমানেই তেওঁলোকৰ ভৱিষ্যতৰ কর্মজীৱনৰ যাত্ৰা সুৰক্ষিত আৰু মসৃণ হ'ব।

আত্মনির্ভৰশীলতাৰ এই যাত্ৰা নিশ্চিতভাৱে কাঁইটীয়া আৰু দীঘলীয়া, কিন্তু সন্মানজনকভাৱে জীয়াই থকাৰ বাবে ইয়াৰ বাহিৰে আন কোনো বিকল্প নাই। নতুন প্ৰজন্মই প্ৰতিযোগিতামূলক বিশ্বত টিকি থাকিবলৈ হ'লে নিজকে একোখন স্বতন্ত্ৰ আৰু স্বয়ংসম্পূর্ণ প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ সময় কেতিয়াবাই আহি পৰিছে। ইয়াৰ বাবে সর্বপ্রথমে প্ৰয়োজন আর্থিক সাক্ষৰতা, যিটো আমাৰ সমাজত আৰু শিক্ষা ব্যৱস্থাত প্ৰায়েই আওকাণ কৰা হয়। ধন কেনেকৈ ন্যায়সংগতভাৱে উপার্জন কৰিব লাগে, কেনেকৈ ভৱিষ্যতৰ বাবে সঞ্চয় কৰিব লাগে আৰু কেনেকৈ সঠিক স্থানত বিনিয়োগ কৰি তাক পৰিকল্পিতভাৱে বৃদ্ধি কৰিব লাগে —এই সাধাৰণ অথচ অত্যন্ত গুৰুত্বপূর্ণ জ্ঞানখিনি প্ৰতিজন যুৱক-যুৱতীৰ থকাটো অপৰিহার্য। আর্থিকভাৱে দুর্বল আৰু পৰনির্ভৰশীল ব্যক্তিয়ে কেতিয়াও স্বাধীনভাৱে চিন্তা বা কাম কৰিব নোৱাৰে, কাৰণ তেওঁৰ প্ৰতিটো সৰু-বৰ সিদ্ধান্ত আনৰ অনুগ্ৰহৰ ওপৰত নির্ভৰশীল হৈ পৰে। ইয়াৰ লগতে প্ৰয়োজন বিপদসংকুল কিন্তু হিচাপ-নিকাচ কৰা সিদ্ধান্ত লোৱাৰ অসাধাৰণ সাহস আৰু এক প্ৰবল উদ্যোগী মানসিকতা। কেৱল চাকৰি বিচৰাৰ পুৰণি মানসিকতা ত্যাগ কৰি চাকৰি সৃষ্টিকর্তা হোৱাৰ বাস্তৱসন্মত সপোন দেখিব লাগিব। অৱশ্যে, উদ্যোগী হোৱা মানেই কেৱল ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰম্ভ কৰা নহয়; ই হ'ল মূলতঃ এক গঠনমূলক মানসিকতা যিয়ে প্ৰতিটো সমস্যাক একোটা নতুন সুযোগলৈ ৰূপান্তৰিত কৰিব পাৰে। নিজৰ চৌপাশৰ পৰিৱেশটো তীক্ষ্ণ আৰু নিৰপেক্ষ দৃষ্টিৰে নিৰীক্ষণ কৰি, সমাজৰ মানুহৰ প্ৰকৃত অভাৱসমূহ নির্ভুলভাৱে চিনাক্ত কৰি তাৰ সঠিক, দ্ৰুত আৰু বাস্তৱসন্মত সমাধান আগবঢ়াব পৰাতেই প্ৰকৃত ব্যৱসায়িক তথা পেছাদাৰী সফলতা নিহিত হৈ থাকে। মন কৰিবলগীয়া যে এই সমগ্ৰ প্ৰক্ৰিয়াত আৱেগ বা দুর্বলতাৰ কোনো স্থান নাই; ইয়াত কেৱল নির্মম যুক্তি, নির্ভুল পৰিসংখ্যা আৰু অসীম ধৈর্যসহকাৰে কৰা পৰিশ্ৰমৰহে প্ৰয়োজন। সমাজত চলি থকা পুৰণি ধ্যান-ধাৰণা আৰু অর্থহীন প্ৰথাসমূহক মুকলিকৈ প্ৰশ্ন কৰিবলৈ নতুন প্ৰজন্মই কোনো কাৰণতে কুণ্ঠাবোধ কৰিব নালাগে। যিবোৰ পুৰণি অভ্যাসে বা চিন্তাধাৰাই মানুহক নির্ভৰশীল, দুর্বল আৰু স্থবিৰ কৰি ৰাখে, সেইবোৰক অত্যন্ত নির্দয়ভাৱে ত্যাগ কৰিব লাগিব। শাৰীৰিক সুস্থতা আৰু মানসিক স্বাস্থ্যৰ কঠোৰ যতন লোৱাটোও আত্মনির্ভৰশীলতাৰ এক অবিচ্ছেদ্য অংগ, কাৰণ এখন ৰোগমুক্ত সুস্থ শৰীৰ আৰু তীক্ষ্ণ মন অবিহনে জীৱনৰ কোনো কঠিন যুদ্ধতেই জয়লাভ কৰিব নোৱাৰি। শেষত অতি স্পষ্টভাৱে ক'ব পাৰি যে, যিটো প্ৰজন্মই নিজৰ সকলো দায়িত্ব নিজে ল'বলৈ ভয় নকৰে, যিয়ে চৰম প্ৰতিকূল পৰিস্থিতিতো নিজৰ নির্ধাৰিত লক্ষ্যৰ পৰা তিলমানো বিচ্যুত নহয় আৰু যিয়ে আৱেগৰ সলনি নির্মম যুক্তিক নিজৰ একমাত্ৰ পথ প্ৰদর্শক হিচাপে গ্ৰহণ কৰে, সেই প্ৰজন্মইহে এখন সঁচা অর্থত শক্তিশালী আৰু প্ৰগতিশীল সমাজ গঢ়ি তুলিব পাৰে। আত্মনির্ভৰশীলতা কোনো নির্দিষ্ট গন্তব্যস্থান নহয়, ই হ'ল কঠোৰ বাস্তৱৰ মাজেৰে জীৱন যাপনৰ এক নিৰন্তৰ প্ৰক্ৰিয়া আৰু কেৱল এই প্ৰক্ৰিয়াৰ মাজেৰেই নতুন প্ৰজন্মই নিজৰ শ্ৰেষ্ঠত্ব আৰু যোগ্যতা সমগ্ৰ বিশ্বৰ আগত প্ৰতিপন্ন কৰিব লাগিব। ■

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

অংকীয়া নাট ভাওনাত শ্রীকৃষ্ণৰ

স্তুতি, মুক্তাৱলী, মধ্যাৱলী আৰু বচনৰ সুৰে সকলোকে মনে-প্রাণে হৃদয় গলাব পাৰে— এনে বহু গুণৰ সমাহাৰ যিগৰাকী ব্যক্তিৰ গাত ফুটি উঠে তেওঁকহে বহু কথা চাই-চিতি আগৰ কালত সমাজে কৃষ্ণ ভাৱৰীয়াৰ বাবে বাছনি কৰিছিল। এই কথা আমাৰ ককা আৰু দেউতাহঁতে কৈছিল, লগতে ইয়াকো কৈছিল যে যিগৰাকী মানুহক এই কৃষ্ণৰ ভাও দিয়া হয় তেওঁ ভাওনাৰ আগদিনাৰ পৰা নীতি-নিয়মৰ মাজত থাকি নিৰামিষে থাকিব লাগে লগতে ভাওনাৰ দিনা উপবাসে থাকি লঘু আহাৰহে খাব লাগে। নতুনকৈ কৃষ্ণৰ ভাও লোৱা ব্যক্তিগৰাকীয়ে ভাওনা অনুষ্ঠিত হোৱাৰ কেইদিনমানৰ আগতে নামঘৰত এখন শৰাই নৈৱেদ্য আগবঢ়োৱাৰো নিয়ম। এগৰাকী পুৰণা বায়ন আৰু উল্লেখযোগ্য প্রশিক্ষকৰ দ্বাৰা গুৰুৰ মর্যাদাৰেহে নতুন কৃষ্ণক শিকোৱাৰ ব্যৱস্থা কৰা হয়। এই সকলোবোৰ কথা আৰু নিয়ম আজিও আমাৰ গাঁও-সমাজত প্রচলিত হৈ আছে। অৱশ্যে কিছু কিছু ঠাইত সামান্য ব্যতিক্রমো নথকা নহয়।

কৃষ্ণৰ যি কাল্পনিক আৰু নান্দনিক ৰূপ ইয়াক সদায় সঁচা অর্থতেই ধৰা হয় বুলি সকলোৱে মানি লয়। ভাওনাভেদে কৃষ্ণক বিভিন্ন নামেৰে নামাংকিত কৰা হয়, যেনে— শ্রীনাৰায়ণ, বিষ্ণু, ৰামায়ণৰ নাটত শ্রীৰামচন্দ্র আদিৰ লগতে কৃষ্ণৰ দশ অৱতাৰৰ ৰূপত অভিহিত বা কল্পনা কৰা হয়। আমাৰ এই বৃহৎ অঞ্চলত বিভিন্ন ধৰণৰ নাটক অভিনয় কৰা হয়। তাৰে কিছুসংখ্যক অসমীয়া নাটৰ নাম উল্লেখ কৰা হ'ল—

অভিমন্যু বধ, মৃগয়াসুৰ বধ, সুৰসেন ৰজাৰ ধর্ম পৰীক্ষা, কর্ণ পর্ব, কালকুড় বধ, গয়াসুৰৰ তীর্থযাত্রা, দ্রোণ পর্ব, দুর্যোধনৰ উৰুভংগ, মুনি বিক্রম বা নৰী পর্ব, ভীষ্ম শৰশয্যা, ভক্ত হনুমান, দ্রৌপদীৰ বস্ত্র হৰণ, হনুমান ভক্ত, দ্রৌপদীৰ বেণুবন্ধন, দক্ষ যজ্ঞ, কুৰুক্ষেত্র, সীতাৰ বনবাস, তৰণীসেন বধ, কালীয় দমন, কেলিগোপাল বা ৰাস, বৃত্তাসুৰ বধ, ৰুক্মিণী হৰণ, কর্ণাসুৰ বধ, বলি-বাসৰৰ যুদ্ধ, হংসধ্বজ ৰজাৰ বনবাস, লক্ষ্মণ বর্জন, অশ্বকর্ণ বধ, বিজয়াসুৰ বধ, অজয় কুমাৰৰ শাপ মোচন, দুঃশাসনৰ ৰক্তপাণ, ভদ্রসেন ৰজাৰ বনবাস, ইলাসতী উদ্ধাৰ, যযাতি ৰজাৰ নৰমেধ যজ্ঞ, দুর্যোধনৰ বন্ধন মুক্তি, ত্রিৱ্রাসুৰ বধ, ত্রিশাংসুৰৰ স্বর্গ লাভ, কৃষ্ণাৰ্জুন, ৰাম হনুমানৰ যুদ্ধ, ভোজন বিহাৰ, হয়গ্রীৱ ৰজাৰ ধর্ম পৰীক্ষা, কুমৰ হৰণ, ৰাধা হৰণ, ভীষ্ম বিজয়, সাৱিত্রী উপাখ্যান, শ্রীকৃষ্ণ উদ্ধৱ সংবাদ, সুন্দ উপসুন্দ যুদ্ধ, ভক্ত কুৱলাস্য, হৰিশ্চন্দ্র ৰজাৰ ধর্ম পৰীক্ষা, মান্ধাতা ৰজাৰ ধর্ম পৰীক্ষা, শ্রীবৎস ৰজাৰ ধর্ম পৰীক্ষা, পাষণ্ড দলন আদি নাটকবিলাকেই সাধাৰণতে আমাৰ ইয়াত অসমীয়া ভাওনা হিচাপে প্রতি খেলৰ নামঘৰসমূহত অভিনীত হোৱা দেখা যায়। এই অভিনীত সকলোবোৰ নাটকতে শ্রীকৃষ্ণৰ চৰিত্রতো সুন্দৰভাৱে ফুটাই তুলিবলৈ সকলোৱেই যত্ন কৰে। ইয়াৰ বাহিৰেও বিভিন্ন পাল্লা ভাওনাৰ ভিতৰত শ্রীবৎস পাল্লা, হৰিশ্চন্দ্র পাল্লা, নিমাই পাল্লা, নল দময়ন্তীৰ লগতে কেইবাখনো চুটি নাটক দিনতে দিন ভাওনা হিচাপে অভিনয় কৰি আহিছে। তাৰ ভিতৰত— দক্ষ যজ্ঞ, লক্ষ্মণ বর্জন, ৰুক্মিণী হৰণ, স্যমন্ত হৰণ, পাৰিজাত হৰণ আদিয়েই প্রধান।

উপৰোক্ত সকলোবোৰ নাটকতে ভাগৱত পুৰাণ, মহাভাৰত বা বিভিন্ন উপ-পুৰাণৰ পৰা কাহিনী সংগ্রহ কৰি ৰচনা কৰা হৈছে। ইয়াত কৃষ্ণ, নাৰায়ণ, বিষ্ণু বা ৰামৰ প্ররেশৰ দ্বাৰা নাটকীয় কাহিনীভাগ আগবঢ়াই নিয়া হয়। মুঠতে এনেদৰেই অংকীয়া নাট ভাওনাত শ্রীকৃষ্ণ চৰিত্রটোৱে সদায় সকলোৰে মাজত প্রাধান্য লাভ কৰি আহিছে আৰু যেতিয়ালৈকে বৈষ্ণৱ ধর্ম, অসমীয়া নাট্য সাহিত্য বা বৈষ্ণৱ সাহিত্য-সংস্কৃতি জীয়াই থাকিব বা ভা�ৰতীয় হিন্দু দর্শন জীয়াই থাকিব তেতিয়ালৈকে অংকীয়া নাট ভাওনাও জীয়াই থাকিব আৰু ভগৱান শ্রীকৃষ্ণৰ অস্তিত্বও সদায় বহন কৰি থাকিব।

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

শংকৰদেৱৰ মানৱতাবাদী দৃষ্টিভংগী


শংকৰদেৱৰ আন এক বিশেষ দিশ। তেওঁ ধর্মীয় আৰু সামাজিক নীতি নিয়মবোৰক অনমনীয় বা সংস্কাৰহীন কৰি ৰখা নাছিল। সময় আৰু স্থান অনুসৰি তেওঁ নিজৰ কার্যপদ্ধতি সলনি কৰিছিল। ৰৱদোৱাৰ পৰা গাংমৌ, গাংমৌৰ পৰা ধুৱাহাট আৰু পৰৱর্তী সময়ত কোচবিহাৰলৈ ধর্মপ্রচাৰৰ যাত্রাত তেওঁ স্থানীয় পৰিস্থিতিৰ সৈতে খাপ খুৱাই লৈছিল। নিজৰ ভাষা আৰু মাধ্যমক ৰাইজৰ প্রয়োজন অনুসৰি সলনি কৰিছিল। এক সুস্থ সমাজ গঢ়িবলৈ হ'লে অন্ধবিশ্বাস ত্যাগ কৰি কালোপযোগী পৰিৱর্তন আদৰি ল'ব লাগে বুলি শংকৰদেৱে নিজৰ সমগ্র জীৱন যাত্রাৰে প্রমাণ কৰিছিল।

নাৰীৰ মর্যাদা আৰু স্থান সম্পর্কে শংকৰদেৱৰ শিক্ষা আছিল অত্যন্ত আগবঢ়া। যদিও সেই সময়ৰ সমাজত নাৰীৰ সামাজিক অৱস্থান বৰ উন্নত নাছিল, শংকৰদেৱে তেওঁৰ একশৰণ নামধর্মত নাৰীক ধর্মীয় অধিকাৰ আৰু শৰণ প্রদান কৰিছিল। তেওঁৰ প্রধান শিষ্য মাধৱদেৱৰ মাতৃ তথা অন্যান্য পৰিয়ালৰ নাৰীসকলক অত্যন্ত শ্রদ্ধা কৰিছিল। নাৰীক সংসাৰৰ উপাদান বুলি নাভাবি সর্বশ্রেষ্ঠ সৃষ্টিৰ মর্যাদা দিয়াৰ প্রয়াস শংকৰদেৱৰ দর্শনত পৰিলক্ষিত হয়।

মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ অসমীয়া জাতিৰ ভৱিষ্যতৰো প্রেৰণাৰ উৎস। কিদৰে এজন প্রকৃত মানুহ হ'ব লাগে, কিদৰে সমাজখনক একত্রিত কৰি ৰাখিব লাগে আৰু কিদৰে কলা-সংস্কৃতিক ব্যৱহাৰ কৰি আধ্যাত্মিক আৰু নৈতিক বিকাশ সাধন কৰিব লাগে সেই কথাকে শ্রীমন্ত শংকৰদেৱে শিকাব বিচাৰিছিল। প্রতিযোগিতামূলক, বৈষম্যমূলক আৰু নীতি-নৈতিকতাৰ অৱক্ষয় ঘটা সমাজখনত শংকৰদেৱৰ সমতা, সামূহিকতা, সহনশীলতা, পৰিৱেশ প্রেম আৰু সাংস্কৃতিক চেতনাৰ শিক্ষা অপৰিহার্য। তেওঁৰ দেখুওৱা সত্য, সুন্দৰ আৰু মংগলৰ পথেৰে খোজ কাঢ়িব পাৰিলেহে আমাৰ সমাজ আৰু জাতিৰ প্রকৃত কল্যাণ সম্ভৱ হ'ব।

তুমি নোহোৱাৰ শূন্যতা

মৰমী আহমেদ



কি বুলি কওঁ
অভিশপ্ত নে অকাল্পনিক,
কেনেকৈনো মানি লওঁ
নিয়তিৰ এই নিয়ম?
নে এয়া মাথোঁ
নিয়তিৰ নিষ্ঠুৰ পৰিহাস?

আজিও মনৰ মাজত
ই এটা গভীৰ প্রশ্নবোধক,
উত্তৰহীন হৈ ৰয়
অসংখ্য নিশা,
অসংখ্য উশাহ,
অসংখ্য চকুৰ পানী

যি সুৰে জীয়াই তুলিছিল
বহুতো হেৰুওৱা জীৱন,
যি কণ্ঠই জগাই তুলিছিল
নির্বাপিত আশাৰ প্রদীপ

সেই সুৰ আজি কিয় নীৰৱ?
সেই কণ্ঠ আজি কিয়
আকাশৰ সিপাৰে ?

যিজন মানুহে
হাজাৰ হাজাৰ হৃদয়ত
জীৱনৰ গান গাইছিল,
তেওঁৰ এই বিদায়ে আজি
আমাক শিকাই গ'ল
কেতিয়াবা নিয়তিও
বৰ নিষ্ঠুৰ হয়

তথাপিও,
তোমাৰ সুৰ ৰৈ যাব,
তোমাৰ কণ্ঠ ৰৈ যাব,
আমাৰ হৃদয়ৰ প্রতিটো কোণত
তুমি জীয়াই থাকিবা
এটি অনন্ত গীত হৈ

জুবিনদা
তোমাক হেৰুওৱাৰ বেদনা
সময়েও মচিব নোৱাৰিব;
কাৰণ তুমি কেৱল
এজন শিল্পী নাছিলা,
তুমি আছিলা
এটা জাতিৰ হৃদয়ৰ স্পন্দন
তুমি আছিলা
বিশ্বৰ এটি বিৰল ইতিহাস।



তৃতীয় পৃষ্ঠাৰ পৰা ঃ —

সন্তানক ভাল মানুহ হ'বলৈ

সম্পাদিকা জয়শ্রী গোস্বামীয়েও বিশিষ্ট অতিথিৰূপে অংশগ্রহণ কৰে। 'সদৌ কামৰূপ জিলা নামঘৰ মহাসভা'ৰ সাধাৰণ সম্পাদক বৰুণ নাথে আঁতধৰা উক্ত সভাত 'সদৌ কামৰূপ জিলা সত্র মহাসভা'ৰ সভাপতি অনন্তকাল নাথ, সম্পাদক ৰোহিনী কুমাৰ, পলাশবাৰী ৰাস উৎসৱ সমিতিৰ সভাপতি মনিময় কৰ, সম্পাদক পংকজ দাস, যুটীয়া সম্পাদক দেবজিত দাস, পলাশবাৰী পৌৰসভাৰ পৌৰপতি ৰীনা দাস কলিতা আৰু কামৰূপ জিলাৰ বিভিন্ন সত্রৰ পৰা অহা সত্রাধিকাৰ, ডেকা সত্রাধিকাৰ, সত্রীয়াসকলৰ লগতে কামৰূপ জিলাৰ বিভিন্ন স্থানৰ পৰা অহা নামঘৰ সমিতিৰ সভাপতি, সম্পাদক আৰু নামঘৰীয়া আৰু গায়ন বায়ন সকলে অংশগ্রহণ কৰে । সভাত আগন্তুক অহা ১১ আৰু ১২ অক্টোবৰত নগাঁও জিলাৰ ভীমৰগাঁও বৰনামঘৰ প্রাংগণত দুদিনীয়া বর্ণাঢ্য কার্যসূচীৰে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰিবলৈ লোৱা নামঘৰ সমাৰোহখন সাফল্যমণ্ডিত কৰি তুলিবলৈ কামৰূপ জিলাৰ প্রতিটো নামঘৰৰ পৰা কমেও ২০ জনকৈ পুৰুষ, মহিলা আৰু যুৱক যুৱতীয়ে অংশগ্রহণ কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হয়। সভাই যোৱা সোমবাৰৰ পৰা কামৰূপ জিলাৰ নামঘৰ সমিতি সমূহক অহা ১১ আৰু ১২ অক্টোবৰত অনুষ্ঠিত হ'ব লগা 'সদৌ অসম নামঘৰ সমাৰোহ'লৈ নিমন্ত্রণ জনোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। সভাই আগন্তুক এমাহৰ ভিতৰত কামৰূপ জিলাৰ পলাশবাৰীত 'সদৌ কামৰূপ জিলা নামঘৰ মহাসভা' আৰু 'সদৌ কামৰূপ জিলা সত্র মহাসভা'ৰ যৌথ উদ্যোগত প্রথম শ্রেণীৰ পৰা স্নাতকোত্তৰ পর্যায়ৰ ছাত্র-ছাত্রীসকলক লৈ এখন সত্রীয়া নৃত্য, বৰগীত আৰু গায়ন বায়ন কর্মশালা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্রহণ কৰাৰ উপৰিও সদৌ কামৰূপ জিলা সত্র মহাসভা আৰু সদৌ কামৰূপ জিলা নামঘৰ মহাসভাৰ বিভিন্ন কার্যসূচীত কেৱল গুৰুজনাৰ সৃষ্ট অংকীয়া ভাওনাহে অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্রহণ কৰে। সভাই কামৰূপ জিলাৰ সকলো নামঘৰৰ নামঘৰীয়াসকলৰ লগতে গায়ন-বায়নসকললৈ মাহিলী ভাট্টা প্রদান কৰিবলৈ অসম চৰকাৰৰ প্রতি আহ্বান জনোৱাৰ লগতে কামৰূপ জিলাৰ প্রতিটো নামঘৰৰ উন্নয়নৰ বাবে প্রতিটো নামঘৰলৈ কমেও ৫০ লাখ টকাকৈ আর্থিক সাহার্য আগবঢ়াবলৈ অসম চৰকাৰ তথা মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাক অনুৰোধ জনায়। লগতে কামৰূপ জিলাৰ প্রতিখন সত্রৰ উন্নয়নৰ বাবে কমেও এক কোটিকৈ টকাৰ আর্থিক অনুদান দিবৰ বাবেও অসম চৰকাৰ তথা মুখ্যমন্ত্রীক অনুৰোধ জনোৱা হয়। সভাই কার্যকৰী সভাপতি, উপ-সভাপতি আৰু সহকাৰী সম্পাদককে ধৰি কেইবাটাও পদবীত কেইবাজনো বিশিষ্ট লোকক অন্তর্ভুক্ত কৰি 'সদৌ কামৰূপ জিলা নামঘৰ মহাসভা'ৰ কার্যনির্বাহক সমিতিখন বর্দ্ধিতকৰণ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —বিকাশৰ নতুন বুৰঞ্জী আমি

সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। এই উপলক্ষে আয়োজিত সভাত প্ৰদান কৰা ভাষণত মুখ্য মন্ত্ৰী ড° শৰ্মাই অসমৰ শক্তি খণ্ডৰ ৰূপান্তৰৰ যাত্ৰাত এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে শিলান্যাস সম্পন্ন হোৱা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেৰে অন্যতম বৃহৎ এই গ্ৰীনফিল্ড কয়লাভিত্তিক তাপবিদ্যুৎ প্ৰকল্পটোৰ শিলান্যাস কেৱল এটা বৃহৎ বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ শুভাৰম্ভণি নহয়, এই শিলান্যাস হৈছে অসমৰ লগতে সমগ্ৰ দেশৰ বাবে এক শক্তিশালী বাৰ্তা। অসমৰ শক্তি খণ্ডৰ ভৱিষ্যৎ বিকাশৰ দিশত আজি আমি এটা শক্তিশালী ভেটি স্থাপন কৰিছো বুলি মন্তব্য কৰি মুখ্য মন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ ক্ৰমবৰ্ধমান শক্তিৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে উদ্যোগ আৰু বিনিয়োগৰ বাবে নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান নিশ্চিত কৰি অসমক শক্তিৰ ক্ষেত্ৰত অধিক আত্মনিৰ্ভৰ কৰি তোলাত উক্ত দিনটো সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব। মুখ্য মন্ত্ৰীয়ে উল্লেখ কৰে যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্য মন্ত্ৰী আৰু দেশৰ প্ৰধান মন্ত্ৰী হিচাপে আগবঢ়োৱা নিৰবচ্ছিন্ন ২৫ বছৰীয়া জনসেৱাৰ সৈতে সংগতি ৰাখি উদ্‌যাপন কৰা সেৱা সংকল্প অভিযানৰ সময়ছোৱাত এই প্ৰকল্পটোৰ শিলান্যাস কৰিবলৈ পাই তেওঁ নিজকে ধন্য অনুভৱ কৰিছে। এই প্ৰকল্পটো অসমত নিৰ্মাণৰ বাবে আগবাঢ়ি অহাৰ বাবে মুখ্য মন্ত্ৰীয়ে আদানি গ্ৰুপৰ মুৰব্বী গৌতম আদানি আৰু সঞ্চালক জিৎ আদানি প্ৰমুখ্যে প্ৰতিষ্ঠানটোৰ সমূহ বিষয়ৱবীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত মুখ্য মন্ত্ৰীয়ে মন্তব্য কৰে যে অসমৰ উদ্যোগ খণ্ডত এতিয়ালৈকে হোৱা এইটোৱেই সৰ্ববৃহৎ বিনিয়োগ। এই উদ্যোগটোৰ স্থাপনে ধুবুৰী জিলাৰ আৰ্থ-সামাজিক বিকাশত এক বৃহৎ বৰঙণি যোগাবলৈ সক্ষম হ'ব। অসমত এটা সময়ত বিদ্যুতৰ চাহিদা যথেষ্ট কম আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে বিগত ১০ টা বছৰত অসমত উদ্যোগ খণ্ডত হোৱা বৃহৎ বিকাশৰ বাবে বিদ্যুতৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। ৰাজ্যৰ অৰ্থনীতিৰ বিকাশ হোৱাৰ সমান্তৰালকৈ ঘৰুৱা বিদ্যুতৰ চাহিদাও বৃদ্ধি পাই আহিছে। ইয়াৰ উদাহৰণ হিচাপে মুখ্য মন্ত্ৰীয়ে কয় যে কেৱল নুমলীগড় শোধনাগাৰকে ৪০০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন হয়। আনহতে নামৰূপত নিৰ্মীয়মাণ এম'নিয়া-ইউৰিয়া প্ৰকল্প, জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প প্ৰতিটোকে দৈনিক প্ৰয়োজন হ'ব ১৫০ মেগাৱাটকৈ বিদ্যুৎ। তেনেদৰে ৰাজ্যৰ দূৰৱৰ্তী স্থানসমূহত হোৱা বিদ্যুৎ সংযোগ আৰু অসমতো হোৱা ৰে'লৰ বৈদ্যুতিকীকৰণেও বিদ্যুতৰ চাহিদা বৃদ্ধি কৰিছে। সম্প্ৰতি ৰাজ্যৰ সৰ্বাধিক বিদ্যুৎ চাহিদা ৩,০২৬ মেগাৱাট বুলি সদৰী কৰি মুখ্য মন্ত্ৰীয়ে কয় যে দেশত বিদ্যুৎ ব্যৱহাৰৰ গড় বাৰ্ষিক বৃদ্ধি প্ৰায় ৬ শতাংশ হোৱাৰ বিপৰীতে অসমত এই বৃদ্ধি হৈছে প্ৰায় ৮ শতাংশ। বিদ্যুৎ চাহিদা বৃদ্ধিৰ এই হাৰ অব্যাহত থাকিলে ২০৩০ চনত ৰাজ্যখনক প্ৰায় ৫৫০০ মেগাৱাট বিদ্যুৎ দৈনিক প্ৰয়োজন হ'ব। দৈনিক প্ৰয়োজন হোৱা ৩,০২৬ মেগাৱাট বিদ্যুতৰ বিপৰীতে ৰাজ্যখনে মাত্ৰ ৪০০ মেগাৱাট বিদ্যুতহে উৎপাদন কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে অৱশিষ্ট বিদ্যুৎ বিভিন্ন ৰাজ্যৰ পৰা ক্ৰয় কৰিবলগীয়া হয়। ইয়াৰ ফলত ৰাজ্যখনে প্ৰতি ইউনিট বিদ্যুতৰ বাবদ ৮ টকাকৈ ব্যয় কৰিবলগীয়া হয়। এতিয়া চাপৰত শিলান্যাস হোৱা তাপবিদ্যুৎ প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে প্ৰতি ইউনিট বিদ্যুৎ ক্ৰয়ৰ বাবে ৰাজ্যখনে কৰা ব্যয় ১ টকাকৈ কমিব আৰু বহিঃৰাজ্যৰ পৰা বিদ্যুৎ ক্ৰয় কৰাৰ প্ৰয়োজন কমেও ৫ বছৰৰ বাবে নাথাকিব। মুখ্য মন্ত্ৰীয়ে কয় যে অসমত যি ধৰণে বিদ্যুতৰ চাহিদা বৃদ্ধি পাব ধৰিছে তাৰ পৰিপ্ৰেক্ষিতত ২০৩৫ চনৰ ভিতৰত চাপৰৰ প্ৰকল্পটোৰ দৰে আৰু দুটা প্ৰকল্পৰ প্ৰয়োজন হ'ব। মুখ্য মন্ত্ৰীয়ে কয় যে চাপৰৰ এই বিদ্যুৎ প্ৰকল্পটো ২০৩০ চনৰ ডিচেম্বৰৰ পৰা পৰ্যায়ক্ৰমে কাৰ্যক্ষম কৰা হ'ব। প্ৰথম পৰ্যায়ত প্ৰকল্পটোৰ পৰা দৈনিক ৮০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০৩১ চনত ১৬০০ মেগাৱাট আৰু ২০৩২ চনৰ ডিচেম্বৰলৈ প্ৰকল্পটোৱে সম্পূৰ্ণ ৩,২০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হ'ব। প্ৰসংগক্ৰমে মুখ্য মন্ত্ৰীয়ে কয় যে পূৰ্বে যদি পৰিকল্পিতভাৱে প্ৰতি ৫ বছৰৰ অন্তৰে অন্তৰে কমেও ৮০০ মেগাৱাটৰ একোটা বিদ্যুৎ প্ৰকল্প স্থাপন কৰা হ'লহেঁতেন, তেন্তে ৰাজ্যখনে বহিঃ উৎসৰ পৰা বিদ্যুৎ ক্ৰয় কৰাৰ প্ৰয়োজন নহ'লহেঁতেন। ৰাজ্যৰ ক্ৰমবৰ্ধমান বিদ্যুতৰ চাহিদা পূৰণৰ অৰ্থে ৰাজ্য চৰকাৰে আন আন পদক্ষেপ লোৱাৰ কথা ভাষণত উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে চৰকাৰে 'পাম্প্‌ড ষ্ট'ৰেজ' স্থাপনৰ পদক্ষেপো গ্ৰহণ কৰিছে, য'ত দিনৰ ভাগত সৌৰশক্তি আহৰণ কৰি নিশাৰ ব্যৱহাৰৰ বাবে সংৰক্ষণ কৰিব পৰা যাব। কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত কেইবাটাও বিদ্যুৎ প্ৰকল্প স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলিও জানিবলৈ দি তেওঁ লগতে কয় যে ৰাজ্যত নতুনকৈ উদ্যোগ স্থাপন কৰিব বিচৰা প্ৰতিষ্ঠানসমূহে প্ৰথমতে বিদ্যুৎ যোগানৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰে। চাপৰত এই উদ্যোগটো স্থাপনৰ পিছত ৰাজ্যত বিদ্যুৎ যোগানৰ সমস্যা বহু পৰিমাণে লাঘৱ হ'ব আৰু উদ্যোগ-প্ৰতিষ্ঠানসমূহে অসমত বিনিয়োগ কৰাৰ বাবে অধিক উৎসাহিত হ'ব। ৰাজ্যখনৰ এসময়ৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ বাবেও বহু উদ্যোগীয়ে অসমত উদ্যোগ স্থাপন কৰাৰ বাবে আগ্ৰহী হোৱা নাছিল বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সেয়ে দায়িত্ব গ্ৰহণৰ পিছত ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কয় যে সম্প্ৰতি ৰাজ্য চৰকাৰে প্ৰায় ১ লাখ বিঘা মাটিৰ 'ঔদ্যোগিক ভূমি বেংক' স্থাপনৰ দিশত অগ্ৰসৰ হৈছে, যাতে নতুন উদ্যোগৰ বাবে ভূমিৰ সমস্যাৰ সৃষ্টি নহয়। মুখ্য মন্ত্ৰীয়ে কয় যে অসমৰ ৬ লাখৰ পৰা ১৫ লাখ যুৱক-যুৱতীয়ে বহিঃৰাজ্যত কৰ্মৰত হৈ আছে। তেওঁ কয় যে অসমত যদি উদ্যোগ স্থাপন নহয়, তেন্তে কৰ্মসংস্থাপনৰ বিচাৰি ৰাজ্যৰ যুৱক-যুৱতীসকলে বহিঃৰাজ্যলৈ যোৱা প্ৰক্ৰিয়া অব্যাহত থাকিব। অসমত উদ্যোগ স্থাপন হ'লে ৰাজ্যৰ যুৱপ্ৰজন্মৰ বাবে নিজ ঠাইতে কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত হ'ব। তেওঁ কয়— 'মোৰ এটাই মাত্ৰ সপোন, আমাৰ ৰাজ্য অসমেও ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৰাজ্যসমূহৰ ভিতৰত এখন হিচাপে স্থান পাব লাগিব। আমি পৰমুখাপেক্ষী হোৱাৰ পৰিৱেশ সলনি কৰিব লাগিব। ভাৰতবৰ্ষৰ উন্নয়ন যাতে অসমৰ মাটিৰ পৰাও হ'ব পাৰে তাৰ বাবে বিকাশৰ নতুন বুৰঞ্জী আমি ৰাজ্যখনত নিৰ্মাণ কৰিব লাগিব।' তাপবিদ্যুৎ প্ৰকল্পটোৰ স্থাপনৰ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াবলৈ স্থানীয় জনসাধাৰণক মুখ্য মন্ত্ৰীয়ে আহ্বান জনায়। এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, বিধায়ক জীৰেশ ৰায়, ৰূপম চন্দ্ৰ ৰায়, ভূপেন ৰায়, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ উপৰি এ.পি.ডি.চি.এলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰ, আদানি গ্ৰুপৰ সঞ্চালক জিৎ আদানিসহ প্ৰতিষ্ঠানটোৰ বিষয়ৱবীয়া তথা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

দক্ষিণ কামৰূপৰ চৰত ভূ-মাফিয়াৰ

ধৰি খেতি কৰি আহিছিল প্ৰায় এক হাজাৰ বিঘা কৃষিভূমিত। উক্ত কৃষিভূমি বৰ্তমান একাংশ অচিনাক্ত সন্দেহজনক লোকে ৪-৫ গৰাকী দালালৰ পৰা ক্ৰয় কৰা বুলি অভিযোগ উঠিছে। প্ৰাপ্ত অভিযোগ মতে দালালে কু চক্ৰান্ত কৰি উক্ত কৃষিভূমি ক্ৰয় কৰি খিলঞ্জীয়াৰ বাসগৃহৰ লগতে ভূমিসমূহ দখল কৰিছে। উপায়ন্তৰ হৈ উক্ত অঞ্চলৰ ভূমিৰ প্ৰকৃত গৰাকী খিলঞ্জীয়া কৃষকে ২০২৪ বৰ্ষতে আৱক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰাৰ উপৰি গৰৈমাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত লিখিতভাৱে অভিযোগ দাখিল কৰিছিল যদিও কোনোধৰণৰ ফল নধৰিল। যোৱা সোমবাৰ পৰ্যন্ত আৱক্ষী প্ৰশাসনৰ ফালৰ পৰা কোনো ধৰণৰ সুফল নোপোৱাত নিজৰ মাটি সীমা নিৰ্ধাৰণ কৰি খেতি দৰাত কৃষকসকলে উক্ত কৃষিভূমিত কৃষি কৰ্ম কৰিবলৈ যায়। কিন্তু নিজৰ ভূমিত ট্ৰেক্টৰৰে হাল বাই থকা অৱস্থাত একাংশ সন্দেহযুক্ত লোক আহি খিলঞ্জীয়া লোকসকলক আক্ৰমণ কৰে। অঞ্চলটোৰ ভূমিৰ প্ৰকৃত গৰাকীয়ে দালালক গ্ৰেপ্তাৰ কৰি তেওঁলোকক ভূমিৰ অধিকাৰ পুনৰ ঘুৰাই দিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

হাটশিঙিমাৰীত প্ৰসূতিৰ মৃত্যু, চিকিৎসকৰ বিৰুদ্ধে গোচৰ

অসম ভূমি, হাটশিঙিমাৰী ঃ দক্ষিণ শালমাৰা-মানকাচৰ জিলা চিকিৎসালয়ত প্ৰসৱৰ সময়ত এগৰাকী ২২ বছৰীয়া প্ৰসূতিৰ মৃত্যু হোৱাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শান্তিপূৰ গাঁৱৰ খালেক ইছলামৰ কন্যা ২২ বছৰীয়া খালিদা নেহাক প্ৰসৱ বেদনাৰ বাবে হাটশিঙিমাৰী জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। পৰিয়ালৰ অভিযোগ অনুসৰি, চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ছামচুল হকৰ অনিয়ম, অব্যৱস্থাপনা আৰু কৰ্তব্যৰত চিকিৎসকৰ চৰম গাফিলতিৰ বাবেই নৱজাতকৰ মাতৃগৰাকীয়ে প্ৰাণ হেৰুৱাবলগীয়া হয়। ঘটনাৰ দিনা পৰিয়ালৰ লোকে মৃতদেহটো কবৰস্থ কৰিছিল যদিও পৰৱৰ্তী সময়ত চিকিৎসকৰ গাফিলতিৰ অভিযোগ তুলি সুখচৰ থানাত গোচৰ ৰুজু কৰে। গোচৰৰ ভিত্তিত যোৱা সোমবাৰে (দহ দিনৰ মূৰত) দণ্ডাধীশৰ উপস্থিতিত সুখচৰ আৰক্ষীয়ে কবৰ খান্দি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। দোষী চিকিৎসক আৰু চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

আমিনগাঁৱত এম এল চি পি-ক্ৰীড়া

কৰ্মীৰ সৈতে মত বিনিময় কৰি প্ৰতিষ্ঠানটোৰ সামগ্ৰিক কাৰ্যকলাপ আৰু সেৱাৰ বিষয়েও বুজ লয়। উল্লেখ্য যে অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীয়ে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক উন্নতমানৰ চিকিৎসা সেৱা প্ৰদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে প্ৰতিষ্ঠানটোলৈ অহা প্ৰতিগৰাকী ৰোগীয়ে যাতে উন্নতমানৰ সেৱা আৰু সুবিধা লাভ কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ সম্পৰ্কেও প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী সঞ্চালক অধ্যাপক ডাঃ অশোক পু�ৰাণিকৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আমিনগাঁৱত নিৰ্মীয়মাণ আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰিকেট ষ্টেডিয়ামখন পৰিদৰ্শন কৰে। এই অত্যাধুনিক ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰি তেওঁ প্ৰকল্পটোৰ বিভিন্ন দিশৰ বিষয়ে বুজ লয়। আমিনগাঁৱত গঢ় লৈ উঠা এই বৃহৎ ক্ৰীড়া আন্তঃগাঁথনিৰ অংশ হিচাপে ক্ৰিকেট ষ্টেডিয়ামৰ লগতে 'বেডমিণ্টনৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতা কেন্দ্ৰ' আৰু 'উচ্চ-ক্ষমতাসম্পন্ন সাঁতোৰ কেন্দ্ৰ'কে ধৰি বিভিন্ন আধুনিক ক্ৰীড়া সুবিধা গঢ়ি তোলা হৈছে। এই সমগ্ৰ ক্ৰীড়া আন্তঃগাঁথনিয়ে অসমক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া আয়োজনৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কামৰূপৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু নিৰ্মীয়মান ক্ৰিকেট ষ্টেডিয়ামৰ সমীপত প্ৰস্তাৱিত বহু-স্তৰীয় গাড়ী পাৰ্কিং (এম এল চি পি)ৰ স্থানো পৰিদৰ্শন কৰে। ৰাইজৰ গাড়ী ৰখাৰ সুবিধা তথা এই বৃহৎ ক্ৰীড়া প্ৰকল্পৰ সৈতে সংগতি ৰাখি পৰ্যাপ্ত পাৰ্কিং সুবিধা, যাতায়াত ব্যৱস্থা আৰু সংযোগী আন্তঃগাঁথনি গঢ়ি তোলাৰ বিষয়েও তেওঁ বুজ লয়। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পসমূহৰ সৈতে জড়িত সকলো কামৰ মাজত সমন্বয় বজাই ৰাখি নিৰ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উন্নত স্বাস্থ্যসেৱা আৰু আধুনিক ক্ৰীড়া আন্তঃগাঁথনি-দুয়োটা ক্ষেত্ৰতে ৰাজ্যখনক আগুৰাই নিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে বিধায়ক দিগন্ত কলিতা আৰু কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

অসমৰ মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত এক

অন্যান্য বস্তুবোৰৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত দেশৰ 'মহাকাশ পৰিস্থিতিগত সজাগতা' বা 'স্পেচ চিচুৱেছনেল এৱাৰনেচ' সামৰ্থ্য উন্নত কৰাই হৈছে এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। অত্যাধুনিক ৰাডাৰ ব্যৱস্থা আৰু অপ্টিকেল টেলিস্কোপৰ জৰিয়তে এই প্ৰতিষ্ঠানটোৱে মহাকাশত থকা বিভিন্ন বস্তুৰ গতিবিধি নিৰীক্ষণ আৰু অনুসৱণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ ফলত আমাৰ উপগ্ৰহ আৰু অন্যান্য মহাকাশ সম্পদৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত দেশৰ সক্ষমতা বৃদ্ধি পাব। এই ঐতিহাসিক পদক্ষেপে কেৱল অসমতেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত মহাকাশ প্ৰযুক্তিৰ এক সুদূৰপ্ৰসাৰী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ লগতে এই দিশত বহুতো নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ নেতৃত্বত যেতিয়া মহাকাশলৈ চন্দ্ৰযান বা মংগলযান উৎক্ষেপনৰ প্ৰচেষ্টা চলে, সমগ্ৰ দেশবাসীয়ে সেয়া উৎসুকতাৰে লক্ষ্য কৰে আৰু ইছৰোৰ এনে প্ৰতিটো সফলতাত দেশ হিচাপে আমি সকলোৱে গৌৰৱবোধ কৰো। তেওঁ কয় যে চন্দ্ৰযান ১, চন্দ্ৰযান ২ আৰু চন্দ্ৰযান ৩ৰ দৰে বহুকেইটা গুৰুত্বপূৰ্ণ অভিযানৰ সফলতাকে ধৰি ভাৰতৰ মহাকাশ বিজ্ঞানে সম্প্ৰতি আমেৰিকা, ৰাছিয়া আৰু চীনৰ দৰে দ্ৰুত গতিত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। ড° শৰ্মাই উল্লেখ কৰে যে বৰ্তমান বেংগালুৰু আৰু শ্ৰীহৰিকোটাৰ পৰা মহাকাশৰ সকলো গতিবিধি পৰিচালনা কৰা ইছৰোৱে দুবছৰ পূৰ্বে অসমতো তেনে এটা কেন্দ্ৰ আৰু কেইবাটাও উন্নত ৰাডাৰ স্থাপনৰ প্ৰস্তাৱ দিছিল, যাৰ জৰিয়তে মহাকাশৰ বিভিন্ন ঘটনাৱলী আৰু তাৰ ফলত ৰাজ্য তথা দেশত পৰিব পৰা প্ৰভাৱৰ বৈজ্ঞানিক গৱেষণা কৰাৰ লগতে বানপানী বা বৰষুণৰ দৰে দুৰ্যোগৰ বিষয়ে আগতীয়াকৈ অৱগত হ'ব পৰা যায়। তেওঁ কয় যে ইছৰোৰ পৰামৰ্শ মৰ্মে এই দিশত ৰাজ্য চৰকাৰে ততাতৈয়াকৈ পদক্ষেপ গ্ৰহণ কৰে আৰু কেবিনেটত সিদ্ধান্ত লৈ চন্দ্ৰপুৰৰ পুৰণি তাপবিদ্যুৎ কেন্দ্ৰৰ প্ৰায় ২০০ বিঘা ভূমি ইছৰোক এই প্ৰকল্পৰ বাবে বিনামূলীয়াকৈ প্ৰদান কৰে। পূৰ্বে এই স্থানত ফাৰ্নেছ অইলৰে বিদ্যুৎ উৎপাদন কৰা হৈছিল যদিও সময়ৰ লগে লগে ইয়াৰ গ্ৰহণযোগ্যতা ক্ৰমাৎ নোহোৱা হৈ পৰিছিল। ড° শৰ্মাই কয় যে অহা ফেব্ৰুৱাৰী মাহতে ইয়াত ডাৱৰ গৱেষণাৰ বাবে প্ৰথমটো ৰাডাৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে, যিটো অসমৰ বাবে এক অত্যন্ত গুৰুত্বপূৰ্ণ খবৰ। অসমলৈ অহা শেহতীয়া পৰিৱৰ্তনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৫-২০ বছৰ আগতে প্ৰতিদিনে আন্দোলন, বন্ধ, ধৰ্ণা আদি কাৰ্যকলাপৰ বাবে পৰিচিত অসমখন যোৱা এটা দশকত চৰকাৰ আৰু ৰাইজৰ অবিৰত প্ৰচেষ্টাত দ্ৰুত গতিত সলনি হৈছে। গুৱাহাটীৰ চাংসাৰিত স্থাপিত এইমছ, আইআইটি, তেজপুৰ আৰু শিলচৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, শেহতীয়াকৈ ৰাজ্যলৈ অহা আইআইএমৰ লগতে নতুনকৈ গঢ়ি উঠা বিভিন্ন চিকিৎসা মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইমানবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠাৰ পিছতো ৰাজ্যত মহাকাশ বিজ্ঞানৰ এক প্ৰতিষ্ঠানৰ অভাৱ আছিল, যিটো পূৰণ হ'বলৈ গৈ আছে। এই প্ৰকল্পৰ ফলত এটা সময়ত চন্দ্ৰপুৰৰ নাম বেংগালুৰু বা শ্ৰীহৰিকোটাৰ দৰে মহাকাশ বিজ্ঞানৰ সৈতে গৌৰৱেৰে জড়িত হৈ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই ঐতিহাসিক ক্ষণত অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়ণনলৈ তেওঁ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। ভৱিষ্যতে ইছৰোৰ এই প্ৰকল্পৰ যিকোনো সম্প্ৰসাৰণৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণ সাজু বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। ৰাজ্যখনৰ উন্নয়নমূলক কৰ্মযজ্ঞৰ ধাৰাবাহিকতাৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে নলবাৰীত শেহতীয়াকৈ আৰম্ভ হোৱা পেপচিৰ খাদ্য সংসাধন প্ৰকল্প, চাপৰত আৰম্ভ হোৱা৩২০০ মেগাৱাটৰ তাপবিদ্যুৎ প্ৰকল্প, অহা অক্টোবৰত আৰম্ভ হ'বলগীয়া বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু ডিচেম্বৰ-জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে উদ্ঘোধন কৰিবলগীয়া জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প অসমৰ বিকাশৰ নতুন নিদৰ্শন। ৰাইজৰ ইতিবাচক চিন্তাধাৰা আৰু প্ৰধানমন্ত্ৰীৰ আশীৰ্বাদতে আন ৰাজ্যৰ সৈতে কঠিন প্ৰতিযোগিতাৰ মাজতো অসমে এনে গুৰুত্বপূৰ্ণ প্ৰকল্প লাভ কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ মন্তব্য কৰে। ডিমৰীয়া সমষ্টিৰ সোণাপুৰত শেহতীয়াকৈ মুকলি কৰা দেশৰ অন্যতম শ্ৰেষ্ঠ 'বিজ্ঞান নগৰী'খন পৰিদৰ্শন কৰিবলৈ তেওঁ ইছৰোৰ অধ্যক্ষ ড° নাৰায়ণনক অনুৰোধ জনায় আৰু শিক্ষাৰ্থীসকলক বিজ্ঞানৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব পৰাকৈ তাত মহাকাশৰ কিছু সমল আৰু কাৰিকৰী সহযোগিতা আগবঢ়াবলৈ ইছৰোক আহ্বান জনায়। যুৱ প্ৰজন্মৰ বিজ্ঞানমনস্কতাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে মহাকাশ বিজ্ঞান কেৱল বৈজ্ঞানিক সমাজৰ মাজতে আৱদ্ধ আছিল যদিও এতিয়া ভাৰতৰ উদীয়মান যুৱক-যুৱতী আৰু ৪০০ৰো অধিক ষ্টাৰ্টআপ ইয়াৰ লগত জড়িত হৈ পৰিছে। আইআইটি, গুৱাহাটীতো এটা সৰু মহাকাশ কেন্দ্ৰ আৰম্ভ কৰা হৈছে। ইছৰোৰ ইষ্ট্ৰেকৰ সঞ্চালক এম আৰ ৰাঘবেন্দ্ৰই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত ভাৰত চৰকাৰৰ মহাকাশ বিভাগৰ সচিব তথা ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়ণন আৰু ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৰ মহন্তয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, স্থানীয় বিধায়ক তপন দাস, ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ সচিব পল্লৱ গোপাল ঝা, ইছৰো, ইষ্ট্ৰেক, নেছাক আৰু আছাকৰ জ্যেষ্ঠ বিজ্ঞানী আৰু বিষয়াসকলকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।



পল্টন বজাৰৰ শংকৰ-মাধৱ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ সমিতিৰ উদ্যোগত পালন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'শিৰোমণি' উন্মোচনৰ এটি মুহূর্ত

আত্মনির্ভৰ যুৱ সমাজেই গঢ়িব আত্মনির্ভৰ অসম ঃ মন্ত্রী অশ্বিনী ৰায় সৰকাৰ

অসম ভূমি সেৱা, গোলকগঞ্জ ঃ মুখ্যমন্ত্রীৰ আত্মনির্ভৰ অসম অভিযানৰ জৰিয়তে অসমৰ যুৱক-যুৱতীসকলক চাকৰি বিচৰা প্ৰজন্মৰ পৰিৱৰ্তে উদ্যোগ সৃষ্টি কৰা আৰু আনক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰা প্ৰজন্ম হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ১৭ ছেপ্টেম্বৰত গোলকগঞ্জৰ CMAAAৰ এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি সামাজিক



ন্যায় আৰু সৱলীকৰণ, ভূমি সংৰক্ষণ তথা সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী অশ্বিনী ৰায় সৰকাৰে কয় যে চৰকাৰৰ কাম কেৱল আঁচনি ঘোষণা কৰাতে সীমাবদ্ধ নহয়; যুৱ সমাজৰ হাতত সময়মতে সুযোগ আৰু সহায় কৰাটোও চৰকাৰৰ দায়িত্ব। মন্ত্রীগৰাকীয়ে কয় যে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বত আৰম্ভ হোৱা মুখ্যমন্ত্রীৰ আত্মনির্ভৰ অসম অভিযানৰ লক্ষ্য হৈছে যুৱ সমাজৰ উদ্যোগী মানসিকতাক উৎসাহিত কৰা আৰু তেওঁলোকক নিজৰ ভৰিত থিয় হোৱাৰ সুযোগ প্ৰদান কৰা। CMAAA 1.0ৰ অধীনত ইতিমধ্যে ৭,০৬৬ গৰাকী যুৱক-যুৱতীৰ মাজত ৮৭ কোটি টকাৰো অধিক ধন বিতৰণ কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্রীগৰাকীয়ে কয় যে CMAAA 2.0-ত এই পৰিসৰ অধিক বৃদ্ধি কৰা হৈছে। সাধাৰণ আৰু বৃত্তিগত শ্ৰেণী মিলাই ৭২,৯১৭ গৰাকী যুৱক-যুৱতীৰ মাজত ১৮৩ কোটি টকাৰো অধিক ধন বিতৰণ কৰা হ'ব। সাধাৰণ শ্ৰেণীৰ হিতাধিকাৰীয়ে চ লাখ টকা পর্যন্ত আৰু বৃত্তি গত শ্ৰেণীৰ হিতাধিকাৰীয়ে ৫ লাখ টকা পর্যন্ত লাভ কৰিব। ইয়াৰ ৫০ শতাংশ অনুদান আৰু ৫০ শতাংশ সুদবিহীন ঋণ হিচাপে আগবঢ়োৱা হৈছে। "এই টকাখিনি কেৱল টকা বুলি নাভাবিব; এয়া আপোনালোকৰ সপোন আৰম্ভ কৰাৰ মূলধন," বুলি উল্লেখ কৰি মন্ত্রীগৰাকীয়ে হিতাধিকাৰীসকলক চৰকাৰৰ এই সহায় ব্যৱহাৰ কৰি ব্যৱসায়, কৃষি, পশুপালন তথা সেৱামূলক উদ্যোগ আৰম্ভ আৰু সম্প্ৰসাৰণ কৰিবলৈ আহ্বান জনায়। গোলকগঞ্জ অঞ্চলৰ কৃষি, স্থানীয় সম্পদ, ব্যৱসায়িক সম্ভাৱনা আৰু দক্ষ মানৰ সম্পদৰ কথা উল্লেখ কৰি তেওঁ এই সম্ভাৱনাসমূহক উদ্যোগৰ সৈতে সংযোগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। 'আজি দুজনৰ সংস্থাপন হওক, কাইলৈ ১০ জনৰ হওক। আজি এখন সৰু দোকান হওক, কাইলৈ সেইখনেই ডাঙৰ ব্যৱসায় হওক' বুলি মন্ত্রীগৰাকীয়ে যুৱ সমাজক আহ্বান জনায়। তেওঁ লগতে কয় যে চৰকাৰৰ সহায় আৰু আঁচনিৰ লগতে উদ্যোগী হোৱাৰ সাহস, আত্মবিশ্বাস আৰু অধ্যৱসায়ো সফলতাৰ বাবে সমানেই গুৰুত্বপূর্ণ। CMAAA-ৰ অধীনত সহায় লাভ কৰা প্ৰতিগৰাকী যুৱক-যুৱতীৰ সফলতাই আঁচনিখনৰ প্ৰকৃত সফলতা বুলি তেওঁ উল্লেখ কৰে। 'যুৱ সমাজ আগবাঢ়িলে পৰিয়াল আগবাঢ়িব, পৰিয়াল আগবাঢ়িলে সমাজ আগবাঢ়িব আৰু সমাজ আগবাঢ়িলে অসম আগবাঢ়িব' বুলি মন্ত্রীগৰাকীয়ে কয়। শেষত মন্ত্রীগৰাকীয়ে যুৱ সমাজক নিজৰ সামর্থ, নিজৰ মাটি আৰু নিজৰ অসমৰ ওপৰত বিশ্বাস ৰাখি আত্মনির্ভৰশীলতাৰ দিশত আগবাঢ়িবলৈ আহ্বান জনায়।

উত্তৰ গুৱাহাটী সাহিত্য সভা (শতদল)

গীতে মাতে সোঁৱৰিলে প্ৰাণৰ শিল্পী জুবিন গার্গক

অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ উত্তৰ গুৱাহাটী সাহিত্য সভা (শতদল) শাখাৰ লগতে উত্তৰ গুৱাহাটীৰ বিভিন্ন অনুষ্ঠানে সোঁৱৰিলে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গার্গক। যোৱা ১৯ ছেপ্টেম্বৰত উত্তৰ গুৱাহাটী সাহিত্য 'শতদল' সভাৰ উদ্যোগত সভাৰ বাকৰিত দিনযোৱা কার্যসূচীৰে প্ৰাণৰ শিল্পী জুবিন গার্গৰ মৃত্যুৰ দিনটো 'জুবিন দিৱস' হিচাপে উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গার্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিলা সেন্দূৰী ঘোপা মৌজাৰ মৌজাদাৰ ৰাতুল বৰুৱাই। ইয়াৰ পাছতেই বিশিষ্ট কণ্ঠশিল্পী শিল্পী ধীৰেশ্বৰ বড়োৰ পৰিচালনাত স্থানীয় শিল্পীসকলে জুবিন গার্গৰ প্ৰার্থনা লৈ পর্যবসতি হোৱা 'মায়াবিনী ৰাতিৰ বুকুত' সংগীতটো সমস্বৰে পৰিৱেশন কৰি প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আমন্ত্রিত শিল্পী কল্লোল বৰঠাকুৰে প্ৰাণৰ শিল্পীগৰাকীৰ এটি গীত পৰিৱেশন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আমন্ত্রিত দিহানামৰ শিল্পী বাপুজী কোঁৱৰৰ নেতৃত্বত দিহা নামৰ শিল্পীসকলে দিহা নাম পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰথম মৃত্যু বার্ষিকী উপলক্ষে গীতে-মাতে জিপাল হৈ পৰা উত্তৰ গুৱাহাটী সাহিত্য সভাৰ বাকৰিত স্থানীয় শিল্পীসকলে জুবিন গার্গৰ কবিতাৰ আবৃত্তিৰ উপৰিও সংগীতত নৃত্য পৰিৱেশন কৰি হিয়াৰ আমঠু জুবিন গার্গক স্মৰণ কৰে। ইয়াৰ লগতে স্থানীয় সংগীত শিল্পী কাকলি বৰুৱাৰ পৰিচালনাত সমবেত ভাবে জুবিন গার্গৰ বহুকেইটা গীত পৰিৱেশন কৰে। জুবিন গার্গৰ গীত পৰিৱেশন কৰি নিজকে শিল্পী হিচাপে প্ৰতিষ্ঠা কৰা কণ্ঠশিল্পী কেশৰ দাসেও কেইবাটাও গীত পৰিৱেশন কৰি অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা জুবিন গার্গলৈ শ্ৰদ্ধা নিবেদন কৰে। উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সম্পাদক কমল বৰাই আঁতধৰা অনুষ্ঠানত সভাপতি ৰমেন নাথকে ধৰি সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ লগতে অঞ্চলটোৰ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে, উত্তৰ গুৱাহাটীৰ পুৰাণ প্ৰসিদ্ধ অশ্বক্রান্ত দেৱালয়তো জুবিন গার্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে এখনি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। দেৱালয়ৰ উপ-দলৈ তথা জ্যেষ্ঠ পুৰোহিত দিলিপ শর্মাই আঁতধৰা অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গার্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে দেৱালয়ৰ দলৈ লক্ষ্মেশ্বৰ শর্মাই। ইয়াৰ পিছতে দেৱালয়ৰ পুৰোহিতসকলৰ লগতে সাংবাদিক ৰূপক ডেকা, দ্বিপেন বায়ন আৰু উৎপল তামুলীয়ে প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। বন্তি প্ৰজ্বলন কৰি দেৱালয়ৰ দলৈ লক্ষ্মেশ্বৰ শর্মা আৰু সাংবাদিক উৎপল তামুলীয়ে জুবিন গার্গে অসমৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে আলোকপাত কৰে। দেৱালয় দর্শনৰ বাবে অহা দর্শনার্থীসকলেও এই অনুষ্ঠানত সহযোগ কৰি মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।



প্ৰথম মৃত্যুবার্ষিকীত জুবিন গার্গলৈ শ্ৰদ্ধাঞ্জলি ছেভেন ষ্টাৰ্ছ পাব্লিকেচনছ প্ৰাইভেট লিমিটেডৰ লগতে 'অসম ভূমি'ৰ পৰিয়ালৰ, গুৱাহাটীৰ আদাবাৰীত

ৰঙিয়াৰ সামাজিক ন্যাস সাৰথি শান্তি নিবাসৰ প্ৰতিষ্ঠা দিৱস পালন

অসম ভূমি সেৱা, ৰঙিয়া ঃ ৰঙিয়া সমজিলাৰ এক অন্যতম সামাজিক ন্যাস সাৰথি শান্তি নিবাসৰ তৃতীয় বার্ষিক প্ৰতিষ্ঠা দিৱসৰ দিনটোত যোৱা মঙলবাৰে এক ব্যতিক্রমী পদক্ষেপেৰে পালন কৰা হয়। পীতাম্বৰ হাট বজালীস্থিত ন্যাসৰ স্থায়ী কার্যালয় প্ৰাংগণত অৱস্থিত হনুমান মন্দিৰত বন্তি প্রজ্জ্বলন কৰি কার্যসূচীৰ আৰম্ভ কৰে ন্যাসৰ মুখ্য কার্যবাহী বিষয়া তথা সমাজৰ দুখীয়াসকলৰ হকে একান্ত চিত্তে কর্মত ব্রতী বিপুল কলিতাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ন্যাসৰ জৰিয়তে সমাজৰ দুখীয়া নিচলা প্ৰায় অর্ধশতাধিক লোকক নিত্য ব্যৱহার্য খাদ্য আৰু প্ৰসাধন সামগ্রী বিতৰণ কৰা হয়। কার্যসূচীত ৰঙিয়া সমজিলাৰ আয়ুক্ত নৰজিৎ পাঠক, অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি হেমন্ত কলিতা, গাঁও প্ৰধান ওৰাচিফ শইকীয়া, সাৰথি শান্তি নিবাসৰ সঞ্চালক নয়নমণি ডেকা, ন্যাসৰ অন্যতম কর্মকর্তা ক্ষিৰোদ কলিতা, ববিতা কলিতা, পিংকু দাস, নিখিল কলিতা প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্রহণ কৰে। অনুষ্ঠানত সাৰথি শান্তি নিবাস ন্যাসৰ তৰফৰ পৰা ৰঙিয়াৰ ছয় নম্বৰ ৱার্ড নিবাসী বিশেষভাৱে সক্ষম যুৱক মৃত্যুঞ্জয় গুহক এখন হুইল চেয়াৰ প্ৰদান কৰে উদ্যোক্তাসকলে। উল্লেখ্য যে ইতিমধ্যে সাৰথি শান্তি নিবাসে বিগত সময়ছোৱাত সমাজৰ দৰিদ্র আৰু বিশেষভাৱে সক্ষমসকলৰ বাবে লৈ অহা পদক্ষেপৰ বাবে সমাজৰ সর্বস্তৰৰ লোকৰ দ্বাৰা প্রশংসিত হৈ আহিছে। বর্তমান নিবাসত পৰিয়ালৰ দ্বাৰা অবহেলিত পাঁচগৰাকী লোকক পোহপাল দি থকাৰ উপৰি শুশ্রূষা কৰি থকা হৈছে।



Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah